Content includes AI-generated material

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK, COLOR PAVER BLOCK, CEMENT TILES
FACTORY ADDRESS
TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

www.newsnextone.com
e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

TUESDAY, APRIL 29, 2025 ■ মঙলবাৰ, ১৫ ব'হাগ, ১৯৪৭ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ দ্বিতীয় বছৰ, সংখ্যা ১২১ Guwahati, Assam ।। মূল্যঃ এটকা

## ডিজিটেল যুদ্ধ আৰম্ভ ভাৰতত নিষিদ্ধ পাকিস্তানৰ ১৬টা ইউটিউব চেনেল

নতুন দিল্লী, ২৮ এপ্ৰিলঃ পাকিস্তানৰ উচটনিমূলক অপপ্ৰচাৰৰ বাবে পুনৰ কঠোৰ হ'ল ভাৰত। শেষাংশ ৩ পৃষ্ঠাত

## ভাৰত-পাক উত্তেজনাৰ মাজতে শক্তি বৃদ্ধি নৌ সেনাৰ

# শেষ পাকিস্তানৰ খেল, আহিব আৰু ২৬ খন ৰাফেল



ৰাফেল ক্ৰয়ৰ নতুন চুক্তি সম্পন্ন

### ■ ৬৪ হাজাৰ কোটিৰে ভাৰতে ক্ৰয় কৰিব ২৬খন ৰাফেল মেৰিন ■ চুক্তি সম্পন্ন প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙৰ

নতুন দিল্লী/পেৰিছ, ২৮ এপ্ৰিলঃ পেহেলগাম সন্ত্ৰাসবাদী আক্ৰমণক লৈ ভাৰত আৰু পাকিস্তানৰ মাজত অব্যাহত থকা চৰম উত্তেজনাৰ মাজতে এইবাৰ বৃদ্ধি হ'ল ভাৰতীয় নৌসেনাৰ ২ পৃষ্ঠাত

## জেএনইউৰ নিৰ্বাচন ৯ বছৰৰ পিছত জয়লাভ এবিভিপিৰ

নতুন দিল্লী, ২৮ এপ্ৰিলঃ এক দশকৰ অন্তত অৱশেষত ৪ নং পৃষ্ঠাত

## অপহৃত এজনক উদ্ধাৰ অৰুণাচলত এনএছচিএনৰ ৩ কেডাৰ নিহত

ই-সংবাদ, ২৮ এপ্ৰিলঃ জম্মু-কাশ্মীৰৰ পেহেলগাম কাণ্ডই দেশক জোকাৰি যোৱাৰ সময়তে উত্তৰ-পূৰ্বাঞ্চলৰ ৩ নং পৃষ্ঠাত

## প্ৰত্যুত্তৰৰ বাবে প্ৰস্তুতি! দিল্লীত ৰাজনাথ, ডোভালেৰে বৈঠক প্ৰধানমন্ত্ৰী মোদীৰ



নতুন দিল্লী, ২৮ এপ্ৰিলঃ পাকিস্তানৰ বিৰুদ্ধে ক্ৰমাৎ বৃদ্ধি পাইছে যুদ্ধ উত্তেজনা। পেহেলগাম আক্ৰমণৰ পিছতে ক্ৰমাৎ অস্থিৰ হৈ পৰা দুয়োখন শেষাংশ ৩ পৃষ্ঠাত


## প্ৰদ্যুতক আক্ৰমণ প্ৰাক্তন কংগ্ৰেছীৰ!

ই-সংবাদ, লাহৰীঘাট, ২৮ এপ্ৰিলঃ নগাঁৱৰ কংগ্ৰেছ সাংসদ প্ৰদ্যুৎ বৰদলৈ আৰু বটদ্ৰৱাৰ বিধায়িকা শেষাংশ ২ পৃষ্ঠাত

## আকৌ বৰষুণত বুৰিল 'স্মাৰ্ট চিটী'

ই-সংবাদ, ২৮ এপ্ৰিলঃ পুৱতি নিশাৰ এজাক বৰষুণতে গেলিল স্মাৰ্ট চিটী গুৱাহাটী ৭ পৃষ্ঠাত

## 'সুৰক্ষাৰ দায়িত্ব আমাৰ আছিল' মুখ্যমন্ত্ৰী আব্দুল্লাই স্বীকাৰ কৰিলে ব্যৰ্থতা



শ্ৰীনগৰ, ২৮ এপ্ৰিলঃ তেওঁলোকক সুৰক্ষা প্ৰদানৰ দায়িত্ব আমাৰ আছিল, য'ত আমি ব্যৰ্থ হৈছো। - পেহেলগামত সন্ত্ৰাসবাদীৰ ৪ নং পৃষ্ঠাত

### মহানগৰীত চাঞ্চল্যকৰ হত্যা

## জলাশয়ত উদ্ধাৰ অভিনেতা ৰোহিতৰ দেহ!

ই-সংবাদ, ২৮ এপ্ৰিলঃ এমাহ পূৰ্বে মুম্বাই এৰি অসমলৈ উভতি অহা এজন বলীউডৰ সহঃঅভিনেতাৰ ২ নং পৃষ্ঠাত

## বিজেপিৰে নহয়, বিৰোধীৰ মাজতে যুঁজ-বাগৰ অখিল-ভূপেনৰ

### বিৰোধীৰ আক্ৰমণ-প্ৰত্যাক্ৰমণৰে উত্তাল ৰাজ্য






ই-সংবাদ বিশেষ, ২৮ এপ্ৰিলঃ দীৰ্ঘদিন ধৰি কংগ্ৰেছৰ নেতাসকলৰ বিৰুদ্ধে আপত্তিজনক মন্তব্য কৰি বাতৰিৰ শিৰোনাম দখল কৰা ৰাইজৰ দলৰ সভাপতি অখিল গগৈক এইবাৰ ওভতি ধৰিছে শেষাংশ ৭ পৃষ্ঠাত

### অসমতো আছে পাকিস্তানী!

## লোকচক্ষুৰ অজ্ঞাতে ভাড়াঘৰত নিৰ্বাহ ৰাবিয়াৰ



ই-সংবাদ ব্যুৰ', তিনিচুকীয়া, ২৮ এপ্ৰিলঃ কাশ্মীৰৰ পেহেলগামত পাকিস্তানী ৫ নং পৃষ্ঠাত

## খাৰ্গে-ৰাহুলৰ মন্তব্যই হ'ব দলৰ অন্তিম বচন

### স্থিতি স্পষ্ট কংগ্ৰেছৰ

নতুন দিল্লী, ২৮ এপ্ৰিলঃ পেহেলগামত সংঘটিত নৃশংস সন্ত্ৰাসবাদী ৫ পৃষ্ঠাত চাওক

## পশ্চিমবংগতো বাজিছে অসমৰ পঞ্চায়ত নিৰ্বাচনৰ দামামা

### চুবুৰীয়া ৰাজ্যৰ অস্থায়ী বাসিন্দা চাৰি শতাধিক অসমৰ ভোটাৰ

ই-সংবাদ, তামাৰহাট, ২৮ এপ্ৰিলঃ নিৰ্বাচন অসমত কিন্তু অসমৰ সীমান্তভেদী পঞ্চায়ত নিৰ্বাচনৰ প্ৰচাৰ চলিছে মমতা বেনাৰ্জীৰ ৰাজ্যত অৰ্থাৎ পশ্চিমবংগত। পশ্চিমবংগৰ কোচবিহাৰ জিলাৰ ছাট ফলিমাৰী, জয়গুৰু, পূৰ্ব ফলিমাৰীৰ অলিয়ে-গলিয়ে দেখা পাব অসমৰ পঞ্চায়ত নিৰ্বাচনৰ বেনাৰ-পোষ্টাৰ। অসমৰ বিভিন্ন ৰাজনৈতিক নেতা-পালিনেতাই বংগত নিৰ্বাচনী প্ৰচাৰ চলাই ভোট ভিক্ষা কৰে। কিন্তু কিয় অসমৰ ৪ নং পৃষ্ঠাত

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# প্ৰদ্যুতক আক্ৰমণ প্ৰাক্তন কংগ্ৰেছীৰ!

শিৰামণি বৰাৰ আক্ৰমণক লৈ চাঞ্চল্যকৰ তথ্য পোহৰলৈ আহিছে। কংগ্ৰেছৰ পৰা বহিষ্কৃত নেতাৰ নেতৃত্বত সাংসদ আৰু বিধায়িকাক আক্ৰমণ কৰা হৈছিল। সাংসদ প্ৰদ্যুৎ বৰদলৈ আৰু বটদ্ৰৱাৰ বিধায়িকা শিৰামণি বৰাৰ আক্ৰমণৰ ঘটনাত কংগ্ৰেছৰ পৰা বহিষ্কৃত নেতা জড়িত আছে। ভুৰাগাঁৱৰ ইমদাদুল ইছলামৰ নেতৃত্বত সংঘটিত হৈছিল এই ভয়ংকৰ আক্ৰমণ। নগাঁও, মৰিগাঁৱৰ পৰা গুণ্ডা বাহিনী একত্ৰিত কৰি আনিছিল ইমদাদুল ইছলামে। ঘটনাৰ তদন্ত কৰা আৰক্ষী মহাপৰিদৰ্শক অখিলেশ কুমাৰ সিং, নগাঁৱৰ আৰক্ষী অধীক্ষকে এই তথ্য প্ৰকাশ কৰিছে। প্ৰদ্যুৎ বৰদলৈ, শিৰামণি বৰাৰ কনভয়ৰ পাঁচখনকৈ গাড়ীত আক্ৰমণ কৰা আক্ৰমণকাৰীক আৰক্ষীয়ে চিনাক্ত কৰিছে। পূৰ্ব পৰিকল্পনা অনুসৰি কংগ্ৰেছৰ প্ৰাক্তন নেতা ইমদাদুল ইছলামৰ নেতৃত্বত সাংসদ, বিধায়কক আক্ৰমণ কৰা হৈছিল। আৰক্ষীয়ে এই তথ্য প্ৰকাশ কৰি ইতিমধ্যে অভিযুক্তক গ্ৰেপ্তাৰ কৰিবলৈ অভিযান আৰম্ভ কৰিছে যদিও এই পৰ্যন্ত অভিযুক্তক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হোৱা নাই। নগাঁও লোকসভা সমষ্টিৰ সাংসদ প্ৰদ্যুৎ বৰদলৈক আক্ৰমণ কৰা মূল অভিযুক্ত তথা লাহৰীঘাট সমষ্টিৰ ভুৰাগাঁও গাঁও পঞ্চায়তৰ প্ৰাক্তন সভানেত্ৰীৰ স্বামী ইমদাদুল ইছলামক বিচাৰি আজি আৰক্ষীয়ে লাহৰীঘাটত অভিযান চলায়। লাহৰীঘাট সমষ্টিৰ বিধায়ক ডাঃ আছিফ মহম্মদ নাজাৰৰ লাহৰীঘাটস্থিত বাসগৃহত নগাঁও আৰক্ষীৰ এটা দলে অভিযান চলায়। ৪০ মিনিটকৈ অধিক সময় আৰক্ষীয়ে অভিযান চলায় যদিও একো শুংসূত্ৰ লাভ নকৰিলে অভিযুক্ত ইমদাদুল ইছলামৰ। নগাঁও আৰক্ষীৰ দলটো অহাৰ পূৰ্বেই বিধায়কজন বাসগৃহটোৰ পৰা ওলাই যায়। আৰক্ষী সূত্ৰে জানিব পৰা মতে নগাঁও আৰক্ষীৰ তদন্তত ইমদাদুল ইছলামৰ শেষ ফোন কলৰ তথ্য পোৱা গৈছিল। অৱশ্যে তদন্ত সন্দৰ্ভত কোনো ধৰণৰ মন্তব্য নকৰিলে তদন্তকাৰী আৰক্ষী বিষয়াজনে। কংগ্ৰেছ সাংসদ প্ৰদ্যুৎ বৰদলৈ আৰু বিধায়িকা শিৰামণি বৰাৰ ওপৰত হোৱা আক্ৰমণ সন্দৰ্ভত মুখ্যমন্ত্ৰীয়ে কয় যে কংগ্ৰেছ সাংসদগৰাকীয়ে নিজৰ দলৰে এগৰাকী কৰ্মীক জিলা পৰিষদৰ টিকট দিয়াৰ প্ৰতিশ্ৰুতি প্ৰদান কৰিছিল যদিও সেয়া পূৰ্ণ কৰিব নোৱাৰিলে। তাৰ পোটক তোলাৰ বাবে তেওঁক আক্ৰমণ কৰিছে বুলি আমি জ্ঞাত হৈছো। কংগ্ৰেছে এই নিৰ্বাচনত তেওঁলোকৰ প্ৰাৰ্থীসকলক কোনোধৰণৰ সহযোগিতা কৰা নাই। এখন পোষ্টাৰো কংগ্ৰেছ কৰ্মীসকলক বনাই দিয়া নাই আৰু ওলোটাই টিকট দিয়াৰ প্ৰতিশ্ৰুতিৰে প্ৰাৰ্থীসকলৰ পৰা ধন সংগ্ৰহ কৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# জলাশয়ত উদ্ধাৰ অভিনেতা ৰোহিতৰ

হত্যাকাণ্ডই জোকাৰি গৈছে সমগ্ৰ গুৱাহাটী মহানগৰী। মহানগৰীৰ গড়ভঙা বনাঞ্চলৰ জলাশয়ত অভিনেতাজনৰ মৃতদেহ উদ্ধাৰৰ পিছতে তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হৈছে। হত্যাৰ বলি অভিনেতাজন হৈছে ৰোহিত বাছফৰ। ৰোহিত বাছফৰৰ মৃতদেহ আজি গড়ভঙা বনাঞ্চলৰ জলাশয়ত উদ্ধাৰ হয়। জনপ্ৰিয় হিন্দী বোলছবি ফেমিলি মেন-৩ ৰ লগতে দুই-এখন ছবিত সহযোগী চৰিত্ৰত অভিনয় কৰিছিল। গুৱাহাটীৰ বৰ্ষাপাৰাত ঘৰ ৰোহিত বাছফৰৰ। বিগত কেইবাবছৰ ধৰি মুম্বাই থাকি হিন্দী বোলছবি জগতৰ সৈতে জড়িত হৈ আছিল যদিও প্ৰায় এমাহ পূৰ্বে অসমলৈ উভতি আহিছিল ৰোহিত বাছফৰ। জানিব পৰা মতে, এদিন পূৰ্বে ২৭ এপ্ৰিলত চাৰি বন্ধুৰ সৈতে মহানগৰীৰ সংৰক্ষিত গড়ভঙা বনাঞ্চল ভ্ৰমণ কৰিবলৈ গৈছিল। ভৰলুস্থিত জিনমাষ্টিক চেণ্টাৰৰ মালিক অমৰদীপ, ৰঞ্জিত বাছফৰ, অশোক বাছফৰ আৰু ধৰম বাছফৰ ৰোহিতৰ সৈতে গৈছিল। গড়ভঙা বনাঞ্চলত দুপৰীয়াৰ পৰা সন্ধিয়া পৰ্যন্ত কটায় ৫ বন্ধুৱে। কিন্তু সন্ধিয়া জংঘলৰ পৰা চাৰি বন্ধুহে ওলাই আহে। চাৰি বন্ধুৱে ওলাই অহাৰ পিছতে আৰক্ষীয়ে লাভ কৰিছিল হত্যাকাণ্ড সংঘটিত হোৱাৰ খবৰ। চাৰি বন্ধুৱে ৰোহিতৰ মৃত্যু হোৱা বুলি পৰিয়ালক খবৰ দিছিল। লগে লগে আৰক্ষীয়ে অভিযান আৰম্ভ কৰে। আৰক্ষীয়ে হত্যাকাণ্ড সংঘটিত হোৱা এলেকাৰ জলাশয়ত অভিযান চলাবলৈ এছডিআৰএফ বাহিনীক খবৰ দিয়ে। এছডিআৰএফ বাহিনীয়ে বনাঞ্চলৰ জলাশয়ৰ পৰা এটা মৃতদেহ উদ্ধাৰ কৰিবলৈ সক্ষম হয়। মৃতদেহটো ৰোহিতৰ বুলি চিনাক্ত কৰে। কিন্তু তাৎপৰ্যপূৰ্ণভাৱে ৰোহিতৰ সৈতে যোৱা চাৰি বন্ধু বৰ্তমানেও পলাতক। আৰক্ষীয়ে ইতিমধ্যে মৃতদেহ উদ্ধাৰ কৰি গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ নিছে। চিকিৎসা মহাবিদ্যালয় হাস্পতালত মৰণোত্তৰ পৰীক্ষাৰ ব্যৱস্থা কৰা হৈছে। অভিনেতা ৰোহিতক বন্ধুৱে হত্যা কৰি মৃতদেহ জলাশয়লৈ দলিয়াই দিয়াৰ অভিযোগ উঠিছে। জলাশয়ৰ পৰা ৰোহিতৰ মৃতদেহ উদ্ধাৰৰ সময়ত দেহত আঘাতৰ চিন স্পষ্ট হৈ থকা বুলি জানিব পৰা হৈছে। মূৰ, মুখ, পিঠি, বুকুত স্পষ্ট আঘাতৰ চিন স্পষ্ট হৈ আছিল। পৰিয়ালে অভিযোগ কৰা মতে, সাধাৰণ গাড়ী পাৰ্কিঙৰ এটা ঘটনাক লৈ বন্ধু কেইজনৰ সৈতে বিবাদ হৈছিল ৰোহিতৰ। তাৰ পিছতো বন্ধু কেইজনে ৰোহিতক বনাঞ্চললৈ ফুৰিবলৈ লৈ গৈছে। পৰিকল্পিতভাৱে ফুৰাবলৈ নি হত্যা কৰাৰ অভিযোগ উঠিছে। ৰোহিতৰ ঘৰত এতিয়া কান্দোনৰ ৰোল শুনা গৈছে। দুৰ্ভগীয়া পৰিয়ালটোৱে ঘটনাৰ উচিত তদন্তৰ দাবী কৰি দোষীক উচিত শাস্তি প্ৰদানৰ দাবী উত্থাপন কৰিছে। গুৱাহাটী আৰক্ষীয়ে চাৰি বন্ধুক জালত পেলাবলৈ তীব্ৰ অভিযান আৰম্ভ কৰা বুলি জানিব পৰা গৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# শেষ পাকিস্তানৰ খেল, আহিব আৰু ২৬

শক্তি বৃদ্ধি। ভাৰত-পাকিস্তানৰ যুদ্ধ পৰিস্থিতিৰ মাজতে প্ৰায় ৬৪ হাজাৰ কোটি টকাৰ বৃহৎ চুক্তিৰে ফ্ৰান্সৰ পৰা ২৬ খন ৰাফেল মেৰিন যুদ্ধ বিমান ক্ৰয় সম্পূৰ্ণ কৰিছে নতুন দিল্লীয়ে। দীৰ্ঘদিনীয়া আলোচনাৰ অন্তত অৱশেষত ভাৰত আৰু ফ্ৰান্সৰ মাজত এই আন্তঃচৰকাৰী চুক্তি স্বাক্ষৰিত হয়, যাৰ ফলত দেশৰ সামুদ্ৰিক প্ৰতিৰক্ষা ব্যৱস্থা আৰু অধিক শক্তিশালী হৈ পৰে। আজি দুয়ো দেশৰ মাজত ডিজিটেল প্লেটফৰ্মৰ জৰিয়তে স্বাক্ষৰিত হয় এই গুৰুত্বপূৰ্ণ চুক্তি। এই ৰাফেল মেৰিন জেট বিশেষভাৱে ভাৰতীয় নৌসেনাৰ বাবে ফ্ৰান্সৰ ডাছল্ট এভিয়েচন কোম্পানীৰ পৰা ক্ৰয় কৰা হৈছে। সূত্ৰ অনুসৰি, ভাৰতৰ সামৰিক শক্তি বৃদ্ধি কৰি বিমানবাহী জাহাজ আইএনএছ বিক্ৰান্তত নিয়োগ কৰা হ'ব ৰাফেল মেৰিন যুদ্ধ বিমানসমূহ। আজি চুক্তি স্বাক্ষৰ হোৱাৰ সময়ত উপস্থিত থাকে খোদ প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং। লক্ষণীয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত গঠিত কেবিনেট কমিটী অন ছিকিউৰিটি (চিচিএছ)ৰ অনুমোদনৰ তিনি সপ্তাহৰ ভিতৰত এই চুক্তি চূড়ান্ত হয়। সূত্ৰ অনুসৰি এই ২৬ খন যুদ্ধ বিমান এতিয়াৰে পৰা প্ৰায় পাঁচ বছৰৰ পিছত ভাৰতৰ হাতত থাকিব। প্ৰতিখন ৰাফেল মেৰিনে উন্নত অস্ত্ৰ ব্যৱস্থা, সহায়ক উপাদান আৰু কাৰিকৰী সহায়ৰ সৈতে আহিব, যাতে ভাৰতে যুদ্ধক্ষেত্ৰত শক্তি বৃদ্ধি কৰাৰ লগতে প্ৰযুক্তিগতভাৱে আগবাঢ়ি থাকিব পাৰে। প্ৰতিৰক্ষা মন্ত্ৰালয়ে দীঘলীয়া পৰীক্ষণ আৰু মূল্যায়নৰ অন্তত ২০২৩ ৰ জুলাইত এই প্ৰকল্পৰ বাবে সেউজ সংকেত প্ৰদান কৰিছিল। পেহেলগাম আক্ৰমণৰ পিছত ভাৰতে ক্ষিপ্ৰতাৰে এই চুক্তি কাৰ্যকৰী কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে।

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK, COLOR PAVER BLOCK, CEMENT TILES
FACTORY ADDRESS : TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

প্ৰথম পৃষ্ঠাৰ পৰা...

# অৰুণাচলত এনএছছিএনৰ ৩ কেডাৰৰ

ভাৰত-ম্যানমাৰ সীমান্তৱৰ্তী ৰাজ্য অৰুণাচল প্ৰদেশত এক অপহৰণ কাণ্ড আৰু এনকাউন্টাৰে চাঞ্চল্যৰ সৃষ্টি কৰিছে। উত্তৰ-পূৰ্বাঞ্চলত বিদ্ৰোহীৰ তৎপৰতা বৃদ্ধিৰ সময়তে নিৰাপত্তাৰক্ষী আৰু বিদ্ৰোহীৰ মাজত লগা ভয়ংকৰ সংঘৰ্ষত তিনি বিদ্ৰোহী নিহত হয়। কালি নিশা ভাৰত-ম্যানমাৰ সীমান্তত অৰুণাচল প্ৰদেশৰ লংডিং জিলাৰ পাংচাও অঞ্চলত এই ঘটনা সংঘটিত হয়। নিৰাপত্তাৰক্ষী আৰু নগা বিদ্ৰোহীৰ মাজত সংঘৰ্ষ সংঘটিত হৈছিল। সংঘৰ্ষত এনএছচিএন (আংগামি) গোটৰ তিনি কেডাৰ গুলীৰে থকাসৰকা হৈ নিহত হয়। জানিব পৰা মতে, নিশা নেচনেল ছ'চিয়েলিষ্ট কাউন্সিল অৱ নাগালেণ্ড (আংগামি) গোটৰ ১৫ জনীয়া অস্ত্ৰধাৰী গোটে অৰুণাচল প্ৰদেশৰ পংচাউৰ নিৰ্মাণ প্ৰতিষ্ঠানৰ শ্ৰমিকক অপহৰণ কৰে। বিদ্ৰোহী গোটে সীমান্ত এলেকাৰ ব'ৰ্ডাৰ পিলাৰ ১৫৬ ৰ ওচৰত নিৰ্মাণ কাৰ্যত নিয়োজিত দুই শ্ৰমিক ৩৫ বছৰীয়া জানলুং ৰাংপান আৰু ২৬ বছৰীয়া মহম্মদ গিয়াছুদ্দিনক অপহৰণ কৰিছিল। জানলুং ৰাংপান আৰু মহম্মদ গিয়াছুদ্দিনক বিদ্ৰোহীয়ে বন্দী কৰি ধন দাবী কৰা বুলি জানিব পৰা গৈছিল। অপহৰণ কাণ্ড সংঘটিত হোৱাৰ পিছৰে পৰা অৰুণাচল আৰক্ষী আৰু অসম ৰাইফলছে অপহৃতক উদ্ধাৰৰ বাবে অভিযান আৰম্ভ কৰে। নিশা অৰুণাচল আৰক্ষী আৰু অসম ৰাইফলছে গোপন সূত্ৰে শ্ৰমিকক বন্দী কৰি ৰখা ঠাইৰ খবৰ লাভ কৰে। অপহৃতক ৰখা ঠাই নিৰাপত্তাৰক্ষীয়ে চিনাক্ত কৰে। লগে লগে ঠাইডোখৰ ঘেৰি লয়। লংডিং জিলাৰ পাংচাওত জংঘলত থিতাপি লৈ থকাৰ সম্ভেদ পোৱাত অতৰ্কিতে অভিযান চলায়। অভিযানৰ সময়ত দুয়োপক্ষৰ মাজত গুলীয়াগুলী লাগে। দুয়োপক্ষৰ মাজত লগা সংঘৰ্ষত বিদ্ৰোহীৰ গাত গুলী লাগে। পিছত নগা বিদ্ৰোহী গোট এনএছচিএনৰ (আংগামি) তিনিজন বিদ্ৰোহীৰ মৃতদেহ উদ্ধাৰ হয়। অপহৃত জানলুং ৰাংপানক উদ্ধাৰ কৰা হৈছে যদিও মহম্মদ গিয়াছুদ্দিন এতিয়াও সন্ধানহীন হৈ আছে। ঘটনাস্থলীৰ পৰা চাৰিটা স্বয়ংক্ৰিয় ৰাইফল উদ্ধাৰ কৰা হৈছে। নিহত বিদ্ৰোহী নাগালেণ্ড জিলাৰ বাসিন্দা আছিল। নাগালেণ্ডৰ পৰা অৰুণাচলত প্ৰৱেশ কৰি অপহৰণ কাণ্ড সংঘটিত কৰিছিল। সংঘৰ্ষ হোৱা ঠাই হৈছে অৰুণাচল প্ৰদেশৰ লংডিং জিলা আৰু নাগালেণ্ডৰ মন জিলাৰ দুৰ্গম সীমান্তৱৰ্তী এলেকা। বিশেষ অভিযান সমাপ্ত হোৱাৰ পিছতে তিনিটা মৃতদেহ উদ্ধাৰ কৰি নাগালেণ্ড আৰক্ষীক হস্তান্তৰ কৰিছে। ঘটনাক কেন্দ্ৰ কৰি দুয়োখন ৰাজ্যৰ সীমান্তত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হৈছে। দুয়ো ৰাজ্যৰ আৰক্ষী আৰু সেনা সষ্টম হৈ থকাৰ খবৰ পোৱা গৈছে। কিয়নো এই ঘটনাৰ পোটক তুলিবলৈ প্ৰত্যুত্তৰ দিব পাৰে বিদ্ৰোহী গোট এনএছচিএনে (আংগামি)।

প্ৰথম পৃষ্ঠাৰ পৰা...

# প্ৰত্যুত্তৰৰ বাবে প্ৰস্তুতি! দিল্লীত ৰাজনাথ,

দেশৰ মাজত অতি শীঘ্ৰেই সৃষ্টি হ'ব পাৰে যুদ্ধ পৰিস্থিতিৰ। পেহেলগাম আক্ৰমণক লৈ দেশজুৰি অব্যাহত থকা ক্ষোভ আৰু কাশ্মীৰ সীমান্তত যুদ্ধবিৰতি উলংঘা কৰি পাকিস্তানে ধাৰাবাহিকভাৱে কৰি অহা গুলীচালনাৰ মাজতে দিল্লীত অনুষ্ঠিত হয় প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙৰ মাজত এক গুৰুত্বপূৰ্ণ বৈঠক। প্ৰায় ৪০ মিনিটৰ এই বৈঠকত ৰাষ্ট্ৰীয় নিৰাপত্তা উপদেষ্টা অজিত দোভালো উপস্থিত থাকে। সূত্ৰ অনুসৰি, প্ৰধানমন্ত্ৰী মোদীক সাক্ষাৎ কৰাৰ পূৰ্বে প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে বিগত দুদিনত প্ৰতিৰক্ষা মুৰব্বী (চিডিএছ) আৰু তিনিওটা বিভাগৰ সেৱাপ্ৰধানৰ সৈতে পৃথক পৃথক বৈঠকত মিলিত হয়। অনুমান অনুসৰি, এই বৈঠকৰ সময়ত প্ৰতিৰক্ষা মন্ত্ৰীয়ে প্ৰধানমন্ত্ৰীক জম্মু-কাশ্মীৰৰ শেহতীয়া নিৰাপত্তা পৰিস্থিতিৰ বিষয়ে অৱগত কৰে। উল্লেখযোগ্য যে ২২ এপ্ৰিলত পেহেলগামত সংঘটিত ভয়ানক সন্ত্ৰাসবাদী আক্ৰমণৰ পিছত ভাৰতে আক্ৰমণৰ বাবে দায়ীসকলক কঠোৰ শাস্তি বিহাৰ বিকল্পৰ বিষয়ে বিবেচনা কৰিবলৈ আৰম্ভ কৰিছে। সেই আক্ৰমণত ২৬ জন পৰ্যটকৰ মৃত্যু হৈছিল। ইতিমধ্যে চৰকাৰে স্পষ্ট কৰি দিছে যে সীমান্তৰ সিপাৰৰ পৰা সন্ত্ৰাসবাদীৰ যোগাযোগৰ তথ্য লাভ কৰা হৈছে আৰু ইয়াৰ বাবে দায়ীসকলক আইনৰ পূৰ্ণ পৰিসৰত শাস্তি প্ৰদান কৰা হ'ব। দেওবাৰে প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙৰ বাসগৃহত চিডিএছ অনিল চৌহান আৰু তিনিওগৰাকী সেৱাপ্ৰধান বৈঠকত মিলিত হয়। তাত পেহেলগাম আক্ৰমণৰ সামৰিক প্ৰস্তুতিৰ বিষয়ে বিতংভাৱে আলোচনা কৰা হয়। এই বৈঠকত হোৱা আলোচনাৰ ভিত্তিতে সোমবাৰে প্ৰতিৰক্ষা মন্ত্ৰী আৰু প্ৰধানমন্ত্ৰীৰ বৈঠক অনুষ্ঠিত হোৱাৰ অনুমান কৰা হৈছে। সূত্ৰ অনুসৰি দেওবাৰে নিশা দিল্লীস্থিত প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীৰ বাসগৃহত প্ৰায় ৪০ মিনিট ধৰি চলিছিল এই বৈঠক। বৈঠকত নিৰাপত্তা পৰিস্থিতিৰ বিষয়ে বিতংভাৱে পৰ্যালোচনা কৰা হয়। জানিব পৰা মতে, পেহেলগাম আক্ৰমণৰ তদন্ত, উগ্ৰপন্থী সংগঠনৰ স্থিতি, প্ৰতিশোধৰ নীতিৰ বিষয়েও আলোচনা কৰা হয়। বৰ্তমান জম্মু-কাশ্মীৰত নিৰাপত্তা বাহিনীয়ে ব্যাপক তালাচী অভিযান চলাই আছে। বিভিন্ন অঞ্চলত আত্মগোপন কৰি থকা উগ্ৰবাদীৰ সন্ধানত অভিযান অব্যাহত আছে। এতিয়ালৈকে কমেও ১০ টা সন্ত্ৰাসবাদীৰ ঘৰ ভাঙি পেলোৱা হৈছে। আনহাতে নিয়ন্ত্ৰণ ৰেখাত বাৰে বাৰে যুদ্ধবিৰতি চুক্তি উলংঘা কৰি আছে পাকিস্তানে। সামৰিক সূত্ৰই জানিবলৈ দিয়া মতে, পাকিস্তানৰ এই কাণ্ডৰ উচিত প্ৰত্যুত্তৰ প্ৰদান কৰি আছে ভাৰতীয় সেনাই।

প্ৰথম পৃষ্ঠাৰ পৰা...

# ভাৰতত নিষিদ্ধ পাকিস্তানৰ ১৬টা

ভাৰতবিৰোধী ভুৱা তথ্য, উচটনিমূলক আৰু সাম্প্ৰদায়িক অপপ্ৰচাৰৰ অভিযোগত সোমবাৰে কেন্দ্ৰই ১৬ টা পাকিস্তানী ইউটিউব চেনেলত নিষেধাজ্ঞা আৰোপ কৰে। গৃহ পৰিক্ৰমা মন্ত্ৰালয়ৰ পৰামৰ্শৰ ভিত্তিত এই নিষেধাজ্ঞা কাৰ্যকৰী কৰা হৈছে। নিষিদ্ধ প্লেটফৰ্মসমূহৰ ভিতৰত আছে ডন নিউজ, ছামা টিভি, এআৰৱাই নিউজ, জিউ নিউজৰ দৰে প্ৰধান সংবাদ মাধ্যমৰ ইউটিউব চেনেলৰ লগতে প্ৰাক্তন ক্ৰিকেটাৰ শ্বোৱেইব আখতাৰকে ধৰি কেইবাজনো ইউটিউবাৰ। উল্লেখ্য যে পেহেলগাম আক্ৰমণৰ পিছত ভাৰতে পাকিস্তানৰ বিৰুদ্ধে কঠোৰ কূটনৈতিক ব্যৱস্থা গ্ৰহণ কৰাৰ কিছুদিন পিছতে এই নিষেধাজ্ঞা জাৰি কৰা হয়। ইতিমধ্যে ভাৰতে পাকিস্তানৰ সৈতে ১৯৬০ চনৰ সিন্ধু জল চুক্তি বাতিল কৰিছে। একে সময়তে বন্ধ কৰি দিয়া হৈছে আটাৰী সীমান্তত পৰিবহণ। ইয়াৰ লগতে সকলো পাকিস্তানী নাগৰিকৰ ভিছা সেৱা স্থগিত ৰখা হৈছে আৰু ২৭ এপ্ৰিলৰ ভিতৰত তেওঁলোকক ভাৰত এৰি যাবলৈ নিৰ্দেশ দিয়া হৈছে। কিন্তু বিশেষ ৰেহাইৰ অধীনত ২৯ এপ্ৰিললৈকে মেডিকেল ভিছা বৈধ হৈ থাকিব। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে কয় যে পেহেলগাম সন্ত্ৰাসবাদী আক্ৰমণৰ পিছত নিৰাপত্তা সম্পৰ্কীয় কেবিনেট কমিটীৰ সিদ্ধান্তৰ পিছতে পাকিস্তানী নাগৰিকৰ বাবে ভিছা সেৱা তাৎক্ষণিকভাৱে কাৰ্যকৰী হোৱাকৈ বন্ধ কৰি দিয়া হৈছে। একে সময়তে পাকিস্তানত বাস কৰা ভাৰতীয় নাগৰিকসকলক শীঘ্ৰে ঘৰলৈ উভতি আহিবলৈ পৰামৰ্শ দিয়া হৈছে। পাকিস্তানে অৱশ্যে এই আক্ৰমণত কোনো ধৰণৰ সম্পৰ্ক থকাৰ কথা অস্বীকাৰ কৰি নিৰপেক্ষ তদন্তৰ দাবী জনাইছে আৰু ৰাছিয়া, চীন বা অন্যান্য পশ্চিমীয়া দেশৰ পৰা হস্তক্ষেপ বিচাৰিছে। আনহাতে, কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ৰ নিৰ্দেশমৰ্মে পেহেলগাম আক্ৰমণৰ তদন্তৰ দায়িত্ব লৈছে ৰাষ্ট্ৰীয় তদন্তকাৰী সংস্থা নিয়াই। ইতিমধ্যে জম্মুত এটা গোচৰ ৰুজু হৈছে আৰু তথ্য সংগ্ৰহ আৰু সাক্ষীক জেৰাৰ বাবে একাধিক তদন্তকাৰী দল গঠন কৰা হৈছে। উল্লেখ্য যে যোৱা সপ্তাহত পেহেলগামৰ বাইছাৰন মেড'ত সংঘটিত হৈছিল ২০১৯ চনত পুলৱামা বিস্ফোৰণৰ পিছত উপত্যকাৰ আটাইতকৈ মাৰাত্মক সন্ত্ৰাসবাদী আক্ৰমণ। সন্ত্ৰাসবাদীয়ে নিৰ্মমভাৱে হত্যা কৰিছিল ২৬ জন পৰ্যটকক।

Nucleomed- পেটচিটি স্কেন / PETCT Scan- 970701223

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# মুখ্যমন্ত্ৰী আব্দুল্লাই স্বীকাৰ কৰিলে ব্যৰ্থতা

হৈ পৰিছে। এজন বৰযুণতে গুৱাহানৃশংস আক্ৰমণত মৃত্যুক সাবটা ২৬ জন পৰ্যটকৰ সুৰক্ষাৰ দায়িত্ব মূৰ পাতি লৈ এনেদৰেই ভাবুক হৈ পৰিল জম্মু-কাশ্মীৰৰ মুখ্যমন্ত্ৰী ওমৰ আব্দুল্লা। সোমবাৰে কাশ্মীৰ বিধানসভাৰ বিশেষ অধিৱেশনত এক আৱেগিক ভাষণত তেওঁ কয় যে সমগ্ৰ ঘটনাটোৰ বাবে তেওঁ যন্ত্ৰণাত ভুগিছে আৰু নিজৰ ব্যৰ্থতাৰ দায়িত্ব স্বীকাৰ কৰিছে। অৱশ্যে এই ঘটনাৰ সুবাদত কাশ্মীৰৰ পূৰ্ণ ৰাজ্যৰ মৰ্যাদাৰ বাবে তেওঁ হেঁচা প্ৰদান নকৰে বুলিও স্পষ্ট কৰি দিয়ে মুখ্যমন্ত্ৰীগৰাকীয়ে। ওমৰ আব্দুল্লাই কয়, "পেহেলগাম আক্ৰমণে সমগ্ৰ দেশক কঁপাই তুলিছে। বিগত ২১ বছৰে সীমান্ত অঞ্চলত এনে ভয়ানক ঘটনা সংঘটিত হোৱা নাই। মৃতকৰ পৰিয়ালক কেনেকৈ সান্ত্বনা দিম ভাবি পোৱা নাই।" নিজকে কাশ্মীৰৰ ৰখীয়া বুলি অভিহিত কৰি তেওঁ কয়, "পৰ্যটকসকলক নিৰাপদে ঘূৰাই অনাটো মোৰ দায়িত্ব আছিল। কিন্তু মই তেনে কৰাত ব্যৰ্থ হ'লোঁ। ক্ষমা খুজিবলৈও মোৰ ওচৰত শব্দ নাই।" উল্লেখ্য যে পেহেলগাম আক্ৰমণৰ পিছত ওমৰ চৰকাৰৰ বিৰুদ্ধে ক্ষোভ বাঢ়িছে। বিৰোধীয়ে কয় যে ১০ বছৰৰ পিছত কাশ্মীৰত নিৰ্বাচন অনুষ্ঠিত হৈছিল আৰু ইণ্ডিয়া মিত্ৰজোঁট জয়ী হৈছিল। তাৰ পিছতেই এনে বৃহৎ সন্ত্ৰাসবাদী আক্ৰমণ সংঘটিত হয়। অৱশ্যে জম্মু-কাশ্মীৰৰ সেনা বা আৰক্ষীৰ ওপৰত কাশ্মীৰ চৰকাৰৰ প্ৰত্যক্ষ নিয়ন্ত্ৰণ নাই। তথাপি মুখ্যমন্ত্ৰী হিচাপে নিজৰ টী মহানগৰী নৰক হৈ পৰে। পথ, উপপথ পানীৰে ভৰি পৰে। কদৰ্য ৰূপ ধাৰণ কৰে গুৱাহাটী। বাৰিষাৰ আৰম্ভণিৰ সময়তে ১৫ দিনৰ ভিতৰত দুবাৰকৈ গুৱাহাটী মহানগৰী পানীত ডুব যায়। ১৩ এপ্ৰিল আৰু ২২ এপ্ৰিলত গুৱাহাটী মহানগৰীৰ অৱস্থা অবৰ্ণনীয় হৈ পৰিছিল। বাট-পথ কৃত্ৰিম বানত ডুব যোৱাৰ লগতে বিদ্যুতৰ আহ-যাহে অতিষ্ঠ কৰিছিল নাগৰিকক। কেইবা ঘণ্টা বিদ্যুৎ সেৱা ব্যাহত হৈ পৰে। মুখ্য পথৰ লগতে উপপথসমূহ পানীত ডুব যোৱাত আহ-যাহত ভীষণ সমস্যাত পৰে। বাৰিষাৰ আগমনৰ সময়তে দুবাৰকৈ গুৱাহাটী ডুব যোৱাত হিমন্ত বিশ্ব চৰকাৰৰ মূৰৰ কামোৰণি হৈ পৰিছে। তাৰ পিছতে অসম চৰকাৰ কঠোৰ হৈছে। মিছন ফ্লাড ফ্ৰী-২০২৫ ৰ অধীনত কৃত্ৰিম বান নিয়ন্ত্ৰণৰ বাবে কামৰূপ সীমাবদ্ধতা স্বীকাৰ কৰিছে ওমৰ আব্দুল্লাই। এই প্ৰসংগত ওমৰে আৰু কয়, "পেহেলগাম আক্ৰমণৰ পিছত মই কাৰ ওচৰত পূৰ্ণ ৰাজ্যৰ মৰ্যাদা দাবী কৰিম? ই লজ্জাজনক হ'ব। আমি আগতেও দাবী কৰিছিলো, ভৱিষ্যতেও তেনেকুৱা কৰিম, কিন্তু এতিয়া এই মুহূৰ্তত আমি মৃতদেহৰ ওপৰত থিয় হৈ ৰাজনীতি নকৰো।" লগতে তেওঁ কয় যে তেওঁৰ ৰাজনীতি ইমান সস্তীয়া নহয় যে তেওঁ নিজৰ দাবীৰ বাবে সুবিধা লাভৰ বাবে নিৰীহ লোকৰ মৃত্যুৰ মঞ্চায়ন কৰিব। প্ৰসংগক্ৰমে ২০১৯ চনত ৩৭০ অনুচ্ছেদ বাতিল হোৱাৰ পিছত জম্মু-কাশ্মীৰৰ ৰাজ্যৰ মৰ্যাদা কাঢ়ি লোৱা হৈছিল। তেতিয়াৰ পৰাই বিভিন্ন মহলত সম্পূৰ্ণ ৰাজ্যৰ দাবী উত্থাপন হৈ আহিছে। ২০২৪ চনত নিৰ্বাচন অনুষ্ঠিত হ'লেও ভূস্বৰ্গই এতিয়াও লাভ কৰিব পৰা নাই সম্পূৰ্ণ ৰাজ্যৰ মৰ্যাদা। পেহেলগাম আক্ৰমণৰ পিছত এই দাবী পুনৰ আলোচনাৰ বিষয় হৈ পৰিছে যদিও মুখ্যমন্ত্ৰীৰ বক্তব্যত স্পষ্ট হৈ পৰিছে যে অন্ততঃ এই শোকৰ সময়ত তেওঁ এই বিষয়টো চৰ্চালৈ আনিবলৈ অনিচ্ছুক।

ইফালে, পেহেলগামৰ সন্ত্ৰাসবাদী আক্ৰমণক লৈ শোক প্ৰকাশ কৰি পাকিস্তানৰ বিৰুদ্ধে গৰজি উঠিল জম্মু-কাশ্মীৰৰ প্ৰাক্তন মুখ্যমন্ত্ৰী ফাৰুক আব্দুল্লায়ো। সোমবাৰে তেওঁ কয় যে ১৯৪৭ চনত কাশ্মীৰীয়ে 'টু নেচন থিয়ৰি' জলাঞ্জলি দি স্পষ্টকৈ কৈছিল যে তেওঁলোকৰ এই কাশ্মীৰ ভূমি  পাকিস্তানৰ সৈতে কেতিয়াও একত্ৰিত নহয়। ফাৰুক আব্দুল্লাই কয়, "আত্মঘাতী সন্ত্ৰাসবাদীসকলে ভাবিছে আমি পাকিস্তানৰ লগত যাম, কিন্তু সিহঁতৰ এটা ভুল ধাৰণা আছে। আমি ১৯৪৭ চনত পাকিস্তানৰ লগত যোৱা নাছিলো, আজি কিয় যাম?" আব্দুল্লাই আৰু কয়, "আমি পাকিস্তানৰ ভুল ধাৰণা দূৰ কৰিব বিচাৰো যে এনে কাৰ্যকলাপৰ জৰিয়তে আমি পাকিস্তানলৈ যাম। আমি ১৯৪৭ চনত তেওঁলোকৰ সৈতে যোৱা নাছিলো, গতিকে আজি কিয় যাম? আমি আজিও 'টু নেচন থিয়ৰি' মানি নলওঁ। ইয়াৰ দ্বাৰা আমি দুৰ্বল হৈ থকা নাই, বৰঞ্চ আমি শক্তিশালী হৈ আহিছো। মই সদায় আগতেই আলোচনা বিচাৰিছিলো, কিন্তু আমি সেই ভুক্তভোগী পৰিয়ালসমূহক এতিয়া কি কম? এতিয়া আলোচনা ন্যায়সংগত হ'ব জানো? আজি দেশে বালাকোট নিবিচাৰে, কিন্তু এনে আক্ৰমণ যাতে আৰু কেতিয়াও নহয়।" ফাৰুক আব্দুল্লাই কয়, "আমি দুঃখিত যে আমাৰ ওচৰ-চুবুৰীয়াই এতিয়াও বুজি পোৱা নাই যে তেওঁলোকে মানৱতাৰ বিৰুদ্ধে অপৰাধ সংঘটিত কৰিছে। আমি ১৯৪৭ চনত 'টু নেচন থিয়ৰি' জলাঞ্জলি দিছিলো। আজিও আমি 'টু নেচন থিয়ৰি' মানি ল'বলৈ সাজু নহয়। হিন্দু, মুছলমান, শিখ, খ্ৰীষ্টান- আমি সকলোৱে এক। আমি তেওঁলোকক এটা শক্তিশালী উত্তৰ দিম।"

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ৯ বছৰৰ পিছত জয়লাভ এবিভিপিৰ

জৱাহৰলাল নেহৰু বিশ্ববিদ্যালয়ৰ ছাত্ৰ সংগঠনলৈ উভতি আহিল অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদ চমুকৈ এবিভিপি। আজি ঘোষিত হোৱা জেএনইউৰ ছাত্ৰ সংগঠনৰ নিৰ্বাচনত যুটীয়া সম্পাদক পদত জয় লাভ কৰে এবিভিপিৰ প্ৰাৰ্থী বৈভৱ মীনাই। ইয়াৰ লগে লগে অন্ত পৰিছে বিজেপিৰ ছাত্ৰ সংগঠনটোৰ ৯ বছৰীয়া বনবাসৰ। উল্লেখ্য যে ইয়াৰ পূৰ্বে ২০১৫-১৬ চনৰ নিৰ্বাচনত যুটীয়া সম্পাদকৰ পদত জয়লাভ কৰিছিল এবিভিপিৰ সৌৰভ শৰ্মাই। ইফালে, অল ইণ্ডিয়া ষ্টুডেণ্ট এছ'চিয়েচনৰ প্ৰাৰ্থী নীতিশ কুমাৰে সভাপতি পদত জয়লাভ কৰিছে। নীতিশ কুমাৰে অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদৰ শিখা স্বৰাজক ৩০০ ভোটৰ ব্যৱধানত পৰাস্ত কৰে। বিগত দশক ধৰি এছএফআই, ডিএছএফ, আইচিএছএৰ দৰে বাঁওপন্থী ছাত্ৰ সংগঠনে ইজনে সিজনৰ লগত ঐক্যবদ্ধ হৈ নিৰ্বাচনত যুঁজ দি আহিছিল যদিও এইবাৰ নিৰ্বাচনত পৃথকে পৃথকে প্ৰতিদ্বন্দ্বিতা কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছিল বাঁওপন্থী ছাত্ৰ সংগঠনসমূহে। কিন্তু তাৰ পিছতো পুনৰ এবাৰ বাঁওপন্থীয়েই বিশ্ববিদ্যালয়ৰ নিৰ্বাচনত আধিপত্য বৰ্তাই ৰাখিবলৈ সক্ষম হয়। বাঁওপন্থী ছাত্ৰ সংগঠনৰ কেইবাজনো প্ৰাৰ্থী, যেনে- এছএফআইৰ টাইবা আহমেদ, ডিএছএফৰ সাধাৰণ সম্পাদক পদৰ প্ৰাৰ্থী মুন্টেহা ফাতিমা, উপ-সভাপতি পদৰ বাবে ডি এছ এফৰ মনীষাই এই নিৰ্বাচনত অংশগ্ৰহণ কৰে। ইফালে, বিশ্ববিদ্যালয়ৰ কেন্দ্ৰীয় পেনেলত এবিভিপিৰ বিজয় গেৰুৱা শিবিৰৰ বাবে এক বৃহৎ জয় বুলি বিবেচিত হৈছে। ৰাজনৈতিক বিশ্লেষকসকলৰ মতে এবিভিপিৰ এই বিজয়ে জৱাহৰলাল নেহৰু বিশ্ববিদ্যালয়ৰ ছাত্ৰ ৰাজনৈতিক পৰিৱেশত এক বৃহৎ পৰিৱৰ্তন আনিব পাৰে। বিশেষজ্ঞসকলৰ মতে ছাত্ৰ ৰাজনীতিত এবিভিপিৰ ক্ষমতা বৃদ্ধিয়ে বিশ্ববিদ্যালয়ৰ ৰাজনীতিৰ মতাদৰ্শ আৰু দিশ সলনি কৰিব পাৰে। যুটীয়া সম্পাদকৰ পদত জয়লাভ লাভ কৰা এবিভিপিৰ নেতা বৈভৱ মীনাই কয়, "ইমান দিনে এই বিশ্ববিদ্যালয়ত বাঁওপন্থী ছাত্ৰ সংগঠনসমূহে ক্ষমতাত আছিল, কিন্তু এবিভিপিয়ে নিজৰ ক্ষমতা ব্যৱহাৰ কৰি ছাত্ৰ ৰাজনীতিৰ ভৱিষ্যৎ নিৰ্ধাৰণ কৰিব।"

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# পশ্চিম বংগতো বাজিছে অসমৰ পঞ্চায়ত

নিৰ্বাচনৰ বাবে ভোট বিচাৰি বংগত উপস্থিত হয় নেতা-পালিনেতা ? অসমৰ বাসিন্দাই সোণকোষ নৈৰ খহনীয়াৰ ফলত মাটি-ভেটি হেৰুৱাই যুগ যুগ ধৰি বংগত বসবাস কৰি আহিছে। খহনীয়াৰ ফলত তামাৰহাটৰ জোংবান্ধা, বাঘডোকৰা গাঁও সম্পূৰ্ণৰূপে নদীত বিলীন হৈ যায়। অসমত সংস্থাপন নাপাই ৪০০ টা পৰিয়ালে বংগক আপোন কৰি লৈছে। অসমৰ ভোটাৰ হোৱাৰ  বাবে পশ্চিমবংগ চৰকাৰৰ কোনো ধৰণৰ সুবিধা নাপায় আৰু পশ্চিমবংগত বসবাস কৰাৰ বাবে অসমৰ ভোটাৰ হোৱা সত্ত্বেও অসম চৰকাৰৰ কোনো আঁচনি ৰূপায়ণ কৰিব নোৱাৰে পশ্চিমবংগত। মুঠৰ ওপৰত সকলো সুবিধাৰ পৰা বঞ্চিত হৈ জীৱন অতিবাহিত কৰিছে প্ৰায় পাঁচ শতাধিক ভোটাৰে। নিৰ্বাচন আহিলেই অসমত উপস্থিত হৈ তামাৰহাটৰ কামানডাংগা গাঁও পঞ্চায়তৰ জোংবান্ধা, বাঘডোকৰা ভোট কেন্দ্ৰত নিজৰ ভোটাধিকাৰ সাব্যস্ত কৰে। নিৰ্বাচন আহিলেই অসমৰ নেতা-পালিনেতাই পুনৰ সংস্থাপনৰ প্ৰতিশ্ৰুতি প্ৰদান কৰি ভোট লৈ আহিছে যদিও কোনো সুফল পোৱা নাই। শিক্ষা, স্বাস্থ্য, বিদ্যুৎ, খোৱাপানী, চৰকাৰী গৃহ, শৌচালয় আদি সুবিধাৰ পৰাই বঞ্চিত ভোটাৰে পুনৰ সংস্থাপনৰ দাবী জনাই আহিছে চৰকাৰক।

প্ৰথম পৃষ্ঠাৰ পৰা...

# খাৰ্গে-ৰাহুলৰ মন্তব্যই হ'ব দলৰ অন্তিম

আক্ৰমণে দেশজুৰি তুলিছে শোক আৰু ক্ষোভৰ জোৱাৰ। যোৱা ২২ এপ্ৰিলত কাশ্মীৰৰ পেহেলগামত সন্ত্ৰাসবাদীৰ আক্ৰমণত নিহত হৈছিল ২২ জনকৈ পৰ্যটক। পুলৱামা আক্ৰমণৰ পিছত এয়া আছিল উপত্যকাত সংঘটিত আটাইতকৈ ভয়াৱহ আক্ৰমণৰ ঘটনা। এই ঘটনাৰ পিছতে কাশ্মীৰৰ নিৰাপত্তাক লৈ পুনৰ এবাৰ উত্থাপন হৈছে বহু গুৰুতৰ প্ৰশ্নৰ। কিন্তু এই গুৰুত্বপূৰ্ণ বিষয়টোক লৈ একাংশ কংগ্ৰেছ নেতাৰ বিতৰ্কিত বক্তব্যই ৰাজনৈতিক মহলত সৃষ্টি কৰিছে এক নতুন উত্তেজনাৰ। একাংশ নেতাৰ মন্তব্যই প্ৰভাৱিত কৰিছে দেশৰ প্ৰধান বিৰোধী দলটোৰ ভাৱমূৰ্তিও। যাৰ বাবে এতিয়া দলৰ সৰু-বৰ নেতাক সতৰ্কবাণী দিবলৈ বাধ্য হৈছে শীৰ্ষ নেতৃত্ব। কংগ্ৰেছে বিৰোধী দলটোৰ নেতাসকলক পেহেলগাম আক্ৰমণ সন্দৰ্ভত অপ্ৰয়োজনীয় মন্তব্য প্ৰদান কৰাৰ পৰা পৰা আঁতৰি থাকিবলৈ কঠোৰ নিৰ্দেশ দিছে। একে সময়তে শেহতীয়াকৈ নেতাসকলে কৰা বিতৰ্কিত মন্তব্যৰ পৰাও দলটোৱে নিজকে আঁতৰাই ৰাখিছে। কংগ্ৰেছ নেতা জয়ৰাম ৰমেশে কয় যে ২৪ এপ্ৰিলত কংগ্ৰেছ ৱৰ্কিং কমিটীৰ বৈঠকত দুদিন পূৰ্বে পেহেলগামত পৰ্যটকৰ ওপৰত সংঘটিত হোৱা নৃশংস সন্ত্ৰাসবাদী আক্ৰমণ সন্দৰ্ভত এটা প্ৰস্তাৱ গৃহীত কৰা হয়। পিছত ২৫ এপ্ৰিলত কংগ্ৰেছৰ ৰাষ্ট্ৰীয় অধ্যক্ষ মল্লিকাৰ্জুন খাৰ্গে আৰু লোকসভাৰ বিৰোধী দলৰ নেতা ৰাহুল গান্ধীয়ে সৰ্বদলীয় বৈঠকত অংশগ্ৰহণ কৰি দলৰ স্থিতি স্পষ্ট কৰে। কংগ্ৰেছ নেতা জয়ৰাম ৰমেশে কয় যে চিডব্লিউচিৰ বৈঠকৰ পিছত পেহেলগামক লৈ শীৰ্ষ নেতৃত্বই দলৰ স্থিতি স্পষ্ট কৰাৰ পিছতো একাংশ নেতাই দলৰ স্থিতিৰ বিপৰীতে নিজৰ নিজৰ মতামত প্ৰকাশ কৰি আহিছে। তেনে ব্যক্তিগত মন্তব্যৰ দলৰ সৈতে কোনো সম্পৰ্ক নাই বুলি স্পষ্ট কৰি দি জয়ৰাম ৰমেশে লগতে কয় যে এই স্পৰ্শকাতৰ সময়ত কেৱল চিডব্লিউচিৰ প্ৰস্তাৱ, অধ্যক্ষ মল্লিকাৰ্জুন খাৰ্গে আৰু বিৰোধী দলৰ নেতা ৰাহুল গান্ধীৰ বক্তব্য আৰু কৰ্তৃত্বপ্ৰাপ্ত এআইচিচি কৰ্তৃপক্ষৰ মতামতকহে দলৰ আনুষ্ঠানিক স্থিতি হিচাপে গণ্য কৰা হ'ব। উল্লেখ্য যে শেহতীয়া পেহেলগাম কাণ্ডৰ পৰিপ্ৰেক্ষিতত কংগ্ৰেছ নেতাসকলে কৰা আপত্তিজনক মন্তব্যত দলটোৰ শীৰ্ষ নেতৃত্বই গভীৰ ক্ষোভ প্ৰকাশ কৰে। নেতাসকলক কঠোৰ সতৰ্কবাণী দিয়া হৈছে আৰু এনে অপ্ৰয়োজনীয় বক্তব্যৰ পৰা আঁতৰি থাকিবলৈ কোৱা হৈছে। সৰ্বদলীয় বৈঠকৰ অন্তত ৰাহুল গান্ধী আৰু মল্লিকাৰ্জুন খাৰ্গেয়ে কয় যে চৰকাৰৰ প্ৰতিটো পদক্ষেপতে কংগ্ৰেছে সমৰ্থন আগবঢ়াইছে। কিন্তু দলৰ এই স্পষ্ট স্থিতিৰ পিছতো বিগত কেইদিনমানত কংগ্ৰেছ নেতা মণিশংকৰ আয়াৰ আৰু কৰ্ণাটকৰ মুখ্যমন্ত্ৰী সিদ্ধাৰামাইয়াকে ধৰি কেইবাজনো নেতা-পালিনেতাৰ মন্তব্যই দলটোৰ বিৰুদ্ধে সমাজত ভুল বাৰ্তা বিয়পাৱাৰ লগতে কংগ্ৰেছৰ ঐক্য আৰু দায়িত্ববোধক লৈ কংগ্ৰেছ দলত গভীৰ প্ৰশ্নচিহ্ন উত্থাপন কৰিছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# লোকচক্ষুৰ অজ্ঞাতে ভাড়াঘৰত নিৰ্বাহ

সন্ত্ৰাসবাদীয়ে ২৮ জনকৈ পৰ্যটকক নিৰ্মমভাৱে হত্যা কৰা ঘটনাৰ পিছতে কেন্দ্ৰীয় চৰকাৰে প্ৰতিখন ৰাজ্যত থকা পাকিস্তানী নাগৰিকক চিনাক্ত কৰিবলৈ কঠোৰ নিৰ্দেশ প্ৰদান কৰাৰ পিছৰে পৰা তৎপৰ হৈ পৰিছে অসম চৰকাৰ। উক্ত নাৰকীয় হত্যাকাণ্ডক লৈ দেশজুৰি অব্যাহত আছে ব্যাপক প্ৰতিক্ৰিয়াৰ। ইতিমধ্যে কেন্দ্ৰীয় চৰকাৰে ৪৮ ঘণ্টাৰ ভিতৰত সকলো পাকিস্তানী নাগৰিকক ভাৰত এৰিবলৈ কঠোৰ নিৰ্দেশ দিছে। কেন্দ্ৰীয় চৰকাৰৰ উক্ত কঠোৰ নিৰ্দেশৰ পিছতে তৎপৰ হৈ পৰিছে ৰাজ্য চৰকাৰসমূহ। গ্ৰহণ কৰিছে কেতবোৰ কঠোৰ পদক্ষেপ। অসমো এইক্ষেত্ৰত ব্যতিক্ৰম নহয়। দেওবাৰে ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই মন্তব্য কৰিছিল এনেদৰে- " তিনিচুকীয়া জিলাত আছে এগৰাকী পাকিস্তানী মহিলা। তেওঁ তিনিচুকীয়াৰ এটি স্থানীয় পৰিয়াললৈ বিবাহ হৈ আহিছে। কিন্তু তেওঁ অৰিজিনেলী পাকিস্তানৰ। তেওঁ লং টাইম ভিছাৰ বাবে আবেদন কৰিছে। এই সম্পৰ্কত কেন্দ্ৰীয় চৰকাৰে বিবেচনা কৰিব। ইয়াৰ বাহিৰে অসমত কোনো পাকিস্তানী নাগৰিক নাই।" মুখ্যমন্ত্ৰী ড° শৰ্মাই লগতে কয়, " আমি ভাৰত চৰকাৰক অনুৰোধ জনাইছোঁ, তেওঁক ওভতাই পঠিয়াব লাগিব নে নালাগে, সেয়া স্পষ্ট কৰক।" মুখ্যমন্ত্ৰী ডও হিমন্ত বিশ্ব শৰ্মাই ডিব্ৰুগড়ত এক অনুষ্ঠানত উপস্থিত হৈ তিনিচুকীয়াত এগৰাকী পাকিস্তানী মহিলাই বসবাস কৰি আছে বুলি কৰা মন্তব্য শুদ্ধ বুলি আজি প্ৰমাণিত হয়। বাণিজ্যিক চহৰ তিনিচুকীয়াৰ বৰপথাৰস্থিত হিৰুপণ দাস নামৰ ব্যক্তি এজনৰ ভাৰাঘৰত যোৱা প্ৰায় দুবছৰৰ পৰা ভাৰাতীয়া হিচাপে আছিল ৰাবিয়া আইৰিজ (Rabiya Aiwiz) নামৰ পাকিস্তানী মহিলাগৰাকী। প্ৰাপ্ত তথ্য অনুসৰি, প্ৰায় ৪৫ বছৰীয়া এই মহিলাগৰাকী ২০১৩ চনত বিবাহপাশত আবদ্ধ হৈছিল তেজপুৰৰ মহম্মদ আৱেশ (Mohammed Awyes) ৰ সৈতে। ২০১৩ চনত তেওঁলোকৰ বিবাহ হোৱাৰ পিছত ২০১৬ চনত তিনিচুকীয়াত ব্যৱসায় সূত্ৰে স্বামী মহম্মদ আৱেশৰ সৈতে দুয়ো তিনিচুকীয়ালৈ আহে। প্ৰথম অৱস্থাত স্বামী আৱেশৰ তিনিচুকীয়া চহৰৰ ৰঙাগড়া পথত থকা এখন ব্যৱসায়িক প্ৰতিষ্ঠানৰ এটা অংশতেই স্বামীৰ সৈতে থাকিবলৈ লৈছিল মহিলাগৰাকী। কিন্তু যোৱা প্ৰায় দুবছৰৰ পৰা উক্ত ভাৰাঘৰত পৰিয়ালৰ সৈতে বসবাস কৰি আছে সম্প্ৰতি দুটি সন্তানৰ মাতৃ ৰাবিয়া আইৰিজে। স্বামীয়ে চলাই আহিছে দোকানখন। মহিলাগৰাকী যে পাকিস্তানৰ, সেই সন্দৰ্ভত বৰপথাৰ অঞ্চলটোৰ স্থানীয় ৰাইজ তথা প্ৰতিবেশীসকলো সম্পূৰ্ণ অজ্ঞাত। এক বিশেষ সূত্ৰৰ পৰা জানিব পৰা মতে মহিলাগৰাকীৰ স্বামী মহম্মদ আৱেশৰ মৃত মাতৃয়ো পাকিস্তানৰ আছিল। ৰাবিয়া আইৰিজ যে পাকিস্তানৰ এই সম্পৰ্কত কেইবাগৰাকীও স্থানীয় লোকক এই সম্পৰ্কত সোধাত কোনেও কথাটো আগতে গম পাই নাছিল বুলি জানিবলৈ দিয়ে। আনকি ভাৰাঘৰৰ গৰাকী দাসো এই সম্পৰ্কত সম্পূৰ্ণ অজ্ঞাত। এগৰাকী প্ৰতিৱেশীয়ে জনোৱা অনুসৰি তেওঁ মহিলাগৰাকীৰ স্বামী মহম্মদ আৱেশক বহু দিনৰ পৰাই চিনি পায় যদিও পত্নী ৰাবিয়া আইৰিজক চিনি নাপায়। পাকিস্তানী মহিলাগৰাকীৰ বিষয়টোক লৈ অসম চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ সৈতে আলোচনাত মিলিত হৈছে আৰু কেন্দ্ৰীয় চৰকাৰে মহিলাগৰাকীৰ সন্দৰ্ভত পৰৱৰ্তী সিদ্ধান্ত গ্ৰহণ কৰিব বুলি জানিব পৰা গৈছে। মহম্মদ আৱেশৰ পৰিয়াল মহিলাগৰাকী সন্দৰ্ভত কোনো মন্তব্য প্ৰকাশৰ পৰা সম্পূৰ্ণ বিৰত আছে। পাকিস্তানী মহিলা ৰাবিয়া আইৰিজ সন্দৰ্ভত চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰে, সেয়া নিশ্চয় লক্ষণীয় হ'ব।

# টিহুৰ চাপ্লেকুছিত বিজেপিৰ বাইক ৰেলী, ৱাৰ্ডে ৱাৰ্ডে অভিযান

**ই-সংবাদ, বৰমা, ২৮ এপ্ৰিলঃ** ৰাজ্যত বলিছে পঞ্চায়ত নিৰ্বাচনৰ বতাহ। উজনি কি নামনি সকলোতে চলিছে ব্যাপক নিৰ্বাচনী প্ৰচাৰ। নলবাৰী জিলাৰ টিহু বিধানসভা সমষ্টিৰ মধুপুৰ জিলা পৰিষদৰ ৪০ নং কঁঠালবাৰী বৰজাৰ গাঁও পঞ্চায়তৰ চাপ্লেকুছিৰ পৰা বিজেপিৰ বাইক ৰেলীৰে নিৰ্বাচনী প্ৰচাৰ চলালে ভাৰতীয় জনতা পাৰ্টিয়ে। মধুপুৰ জিলা পৰিষদৰ বিজেপি প্ৰাৰ্থী দিলীপ বৰ্মন আৰু কঁঠালবাৰী বৰজাৰ গাঁও পঞ্চায়তৰ আঞ্চলিক পঞ্চায়তৰ সদস্যা বন্দনা ৰাজবংশীৰ হৈ বাইক ৰেলীৰে নিৰ্বাচনী প্ৰচাৰ চলায় ভাৰতীয় জনতা পাৰ্টিয়ে। চাপ্লেকুছিৰ পৰা আৰম্ভ হোৱা বাইক ৰেলী কঁঠালবাৰী বাঙনাবাৰী হৈ বৰজাৰ ডিপ্লাত শেষ হয় এই ৰেলী। এইবাৰ ভাৰতীয় জনতা পাৰ্টিয়ে ৰাজ্যত পঞ্চায়ত দখল কৰিব এই লক্ষ্যৰে নিৰ্বাচনত প্ৰচাৰ চলাইয়ে শাসকীয় দলটোৱে। উক্ত বাইক ৰেলীত উপস্থিত থাকে নলবাৰী পৌৰসভাৰ সভানেত্ৰী জয়শ্ৰী তালুকদাৰ, অ'বিচি বোৰ্ডৰ অধ্যক্ষ হৰিদাস ৰাজবংশী, সংখ্যালঘু মৰ্চাৰ নেতা নজৰুল ইছলাম, মধুপুৰ জিলা পৰিষদৰ প্ৰাৰ্থী দিলীপ বৰ্মন আঞ্চলিক সদস্যা বন্দনা ৰাজবংশীৰ লগতে বিজেপিৰ দলীয় কৰ্মকৰ্তা আৰু ৰাইজ। এনেদৰে নিৰ্বাচনী বতাহ দেখা গৈছে অঞ্চলটোত।

Nucleomed- পেটচিটি স্কেন / PETCT Scan- 970701223

## জাগীৰোডৰ নিৰ্বাচনী প্ৰচাৰ সভাত মন্ত্ৰী পীযুষ হাজৰিকা

# আঁহতগুৰিৰ পৰা জাগীৰোডলৈ ইণ্ডাষ্ট্ৰীয়েল কৰিডৰ, মন্ত্ৰীৰ ঘোষণা

**ই-সংবাদ, ২৮ এপ্ৰিলঃ** পঞ্চায়ত নিৰ্বাচনলৈ মাজত মাত্ৰ আৰু কেইটামান দিন বাকী থকা অৱস্থাত জাগীৰোড বিধানসভা সমষ্টিত শাসকীয় দল ভাৰতীয় জনতা পাৰ্টিয়ে নিৰ্বাচনী প্ৰচাৰ তুংগত কৰি তোলা পৰিলক্ষিত হৈছে। মন্ত্ৰী পীযুষ হাজৰীকাই নিজ গৃহ সমষ্টি জাগীৰোডত ইখনৰ পিছত সিখন নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰি প্ৰচাৰ অভিযান তীব্ৰতৰ কৰি তোলা পৰিলক্ষিত শেষাংশ ৮ পৃষ্ঠাত



অৰুণাচলত আৰক্ষীৰে সংঘৰ্ষত নিহত ৩ উগ্ৰপন্থী, সোমবাৰে

# অসম-বংগ সীমান্তত বৃদ্ধি পাইছে গো-মাংসৰ সৰবৰাহ

**ই-সংবাদ, গোলকগঞ্জ, ২৮ এপ্ৰিলঃ** ধুবুৰী জিলাৰ আগমনি থানাৰ অসম-পশ্চিমবংগ সীমান্তৰে পুনৰ অসমত নিষিদ্ধ গো-মাংসৰ আমদানি বৃদ্ধি হোৱা ঘটনাই অঞ্চলটোত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। অসমত গো সুৰক্ষা আইন বলৱৎ হোৱাৰ শেষাংশ ৮ পৃষ্ঠাত

# যোৰহাটত কংগ্ৰেছৰ নিৰ্বাচনী প্ৰচাৰ তুংগত

**ই-সংবাদ, পশ্চিম যোৰহাট, ২৮ এপ্ৰিলঃ** 'এয়া জনতাৰ হাত, হাতেৰেই গঢ়িম আমাৰ বুনিয়াদ' শ্লগান লৈ যোৰহাট জিলাৰ ১ নং সৰুচৰাই-পৰ্বতীয়াত ক্ষীৰদা কুটুম দাৰ, ২ নং খঙীয়াত শ্যামলী বৰা, ৩ নং চাৰিগাঁৱত প্ৰসন্ন দাস, ৪ নং টীয়কত শেষাংশ ১৬ পৃষ্ঠাত

# অসমীয়াত লিখিব লাগিব নামফলকঃ মহানগৰ সাহিত্য সভাৰ প্ৰস্তাৱ

**ই-সংবাদ, ২৮ এপ্ৰিলঃ** অসমীয়া ভাষা এতিয়া দেশৰ ধ্ৰুপদী ভাষাৰ অন্যতম। এই শক্তিশালী ভাষাৰ চৰ্চা আৰু প্ৰয়োগত আপোচহীন হ'ব লাগিব ৰাজ্যবাসী।দোকান-পোহাৰ, উদ্যোগ-বাণিজ্যিক প্ৰতিষ্ঠান, চৰকাৰী-বেচৰকাৰী, বহুজাতিক প্ৰতিষ্ঠানৰ শেষাংশ ৯ পৃষ্ঠাত

# কামপুৰত বিহু উদযাপনক লৈ বিতৰ্ক, পৌৰসভাৰ সংবাদমেল

**ই-সংবাদ, কামপুৰ, ২৮ এপ্ৰিলঃ** কামপুৰত মেজাংকৰী বিহু উদযাপনক লৈ তীব্ৰ বিতৰ্কৰ সূত্ৰপাত হৈছে। উল্লেখ্য যে শনিবাৰে কামপুৰৰ নিউ ৰে'ল কলনিত মেজাংকৰী নামৰে এক বিহু অনুষ্ঠানৰ আয়োজন কৰিছিল কামপুৰৰ কিছু সাংস্কৃতিক লোকে। কিন্তু কামপুৰ পৌৰসভা আৰু কামপুৰ বজাৰ সমিতিয়ে জনোৱা আবেদনৰ ভিত্তিত শেষাংশ ১৬ পৃষ্ঠাত

# জৰাজীৰ্ণ ধোদৰ আলি, নামতিত পথ অৱৰোধেৰে আছুৰ প্ৰতিবাদ

**ই-সংবাদ, আমগুৰি, ২৮ এপ্ৰিলঃ** শিৱসাগৰ জিলাৰ ঐতিহাসিক ধোদৰ আলিৰ নিৰ্মাণত দাবীত আজি নামতিৰ ধোদৰ আলি আৰু নামতিপুলত আছুৰ উদ্যোগত পথ অৱৰোধ কাৰ্যসূচী ৰূপায়ণ কৰে। যাৰ ফলত উক্ত পথটোৰেদি প্ৰায় দুঘণ্টা শেষাংশ ১৭ পৃষ্ঠাত

# চাবুৱাত অতুল বৰা-কেশৱ মহন্তৰ মাৰাথন প্ৰচাৰ

**ই-সংবাদ, চাবুৱা-লাহোৱাল, ২৮ এপ্ৰিলঃ** পঞ্চায়ত নিৰ্বাচনত কংগ্ৰেছ দলে শূন্যৰ পৰা মহাশূন্যলৈ গতি কৰিব। আজি কংগ্ৰেছক এনেদৰে কটাক্ষ কৰে অসম গণ পৰিষদৰ সভাপতি তথা মন্ত্ৰী অতুল শেষাংশ ৯ পৃষ্ঠাত



চাবুৱাত মন্ত্ৰী অতুল বৰাৰ নিৰ্বাচনী প্ৰচাৰ, সোমবাৰে

# ভৱানীপুৰ-সৰুপেটাত বিজেপিৰ প্ৰচাৰ

**ই-সংবাদ, ভৱানীপুৰ, ২৮ এপ্ৰিলঃ** "নৰেন্দ্ৰ মোদীৰ নেতৃত্বত সমগ্ৰ ভাৰতবৰ্ষত আৰু মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত সমগ্ৰ অসমত সৰ্বস্তৰতেই হোৱা উন্নয়নৰ সপক্ষে এইবাৰো অসমৰ শেষাংশ ১৭ পৃষ্ঠাত

# 'অনুমতি অবিহনে শত্ৰুৰাষ্ট্ৰলৈ যোৱাতো গৌৰৱৰ অপৰাধ'

## অনুমোদন নোলোৱাকৈ গোপনে এখন শত্ৰু ৰাষ্ট্ৰলৈ যোৱাটো অপৰাধঃ মন্ত্ৰী জয়ন্ত মল্লবৰুৱা

**ই-সংবাদ, ২৭ এপ্ৰিলঃ** অখিল গগৈয়ে ইমান সোনকালে কাৰোবাক মাফ খোজা বা ক্ষমা খোজাটো মই দেখা নাছিলো। অখিল গগৈয়ে নিশ্চিতভাৱে বিজেপিৰ ব্যক্তিসকলক 'কাফেৰ' বুলি কৈছিল। বিজেপিৰ ব্যক্তিসকল আমাৰ কাৰণে আপোন। কিন্তু তথাপিতো কৈছো অখিল গগৈয়ে ইমান সোনকালে ক্ষমা খোজাৰ ৰেকৰ্ড আগতে নাছিল।- এই মন্তব্য মন্ত্ৰী পীযুষ হাজৰীকাৰ। যিসকল মুছলমান লোকে বিজেপিক ভোট দিয়ে তেওঁলোক 'কাফেৰ' বুলি বিতৰ্কিত মন্তব্য কৰি মাজনিশা ক্ষমা খোজা সন্দৰ্ভত মন্ত্ৰীগৰাকীয়ে আজি সংবাদ মাধ্যমৰ আগত এইদৰে নিজৰ প্ৰতিক্ৰিয়া ব্যক্ত কৰে। উল্লেখ্য যে অখিল গগৈয়ে পবিত্ৰ শক্তিপীঠ শেষাংশ ৯ পৃষ্ঠাত

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# আকৌ বৰষুণত বুৰিল 'স্মাৰ্ট চিটী'

মহানগৰী। চৌদিশে কদৰ্য ৰূপ ধাৰণ কৰাত জনজীৱন স্তব্ধ হৈ পৰে। ব'হাগ বিহুৰ মাজতে তৃতীয়বাৰৰ বাবে ডুব গ'ল গুৱাহাটী মহানগৰী। কালি পুৱতি নিশাৰ এজাক বৰষুণত পানীৰে ভৰি পৰে গুৱাহাটীৰ কেইবাটাও এলেকা। পুৱতি নিশাৰ এজাক বৰষুণতে মহাসাগৰত পৰিণত হয় সমগ্ৰ গুৱাহাটী মহানগৰী। গুৱাহাটীবাসীৰ দুৰ্দশাৰ ছবিখন দেখি চৰকাৰক ৰাইজে প্ৰশ্ন কৰিছে কেতিয়া বানমুক্ত হ'ব গুৱাহাটী? ব'হাগৰ বৰষুণত তৃতীয়বাৰৰ বাবে ডুবিল গুৱাহাটী মহানগৰী। ঠায়ে পথত একাঁঠু পৰ্যন্ত পানী। পানী ফালি কাৰ্যালয়লৈ গৈছে মানুহ। ইখনৰ পিছত সিখন বাহন বানত বাগৰি পৰিছে। কৃত্ৰিম বানত ডুব গৈ এজাক বৰষুণতে গুৱাহাটী মহানগৰখনে কদৰ্য ৰূপ ধাৰণ কৰে। ভৰ-বাৰিষাৰ সময় আহি পৰা নাই। বাৰিষালৈ বহুদিন বাকী থকা অৱস্থাতে গুৱাহাটী বাৰে বাৰে ডুবি হাহাকাৰ লগাইছে ৰাইজৰ মাজত। এজন বৰষুণতে গুৱাহাটী মহানগৰী নৰক হৈ পৰে। পথ, উপপথ পানীৰে ভৰি পৰে। বাৰিষাৰ আৰম্ভণিৰ সময়তে ইতিমধ্যে ১৩ এপ্ৰিল আৰু ২২ এপ্ৰিলত গুৱাহাটী মহানগৰীৰ অৱস্থা অবৰ্ণনীয় হৈ পৰিছিল। তাৰ লগতে আজি তৃতীয়বাৰ গুৱাহাটী মহানগৰী পানীত ডুব যায়। নিশাৰ বৰষুণৰ পিছতে চৌদিশে কেৱল পানী আৰু পানী। বৰষুণে চৰকাৰৰ উন্নয়ন উন্নয়ন বুলি চিঞৰি থকা দম্ভ-অহংকাৰ উটুৱাই লৈ যায়। পুৱতি নিশাৰ এজাক বৰষুণৰ পিছতে গুৱাহাটীৰ বহু এলেকাত জনজীৱন স্তব্ধ হৈ পৰে। ঘণ্টাৰ পিছত ঘণ্টা ধৰি বিদ্যুৎ সেৱা ব্যাহত হৈ থকাত বহু এলেকাত পানী অবিহনে আবদ্ধ হৈ থকাৰ লগতে বিশুদ্ধ খোৱাপানীৰ অভাৱত ককবকাবলৈ বাধ্য হয় মহানগৰীৰ বাসিন্দা। মহানগৰীৰ অনিল নগৰৰ ৰাস্তাত এবুকু পৰ্যন্ত পানী হয়। বানৰ পিছতে অনিল নগৰৰ বাসিন্দা বানত আবদ্ধ হৈ পৰে। অনিল নগৰ মহাসাগৰ হৈ পৰে। চানমাৰিৰ মণিৰাম দেৱান পথত মহাসাগৰ সদৃশ পৰিৱেশ দেখা যায়। কেৱল অনিল নগৰ বা চানমাৰিৰ মণিৰাম দেৱান পথেই নহয় সিজুবাৰী, ডাউন-টাউন, ছয়মাইল, যোৰাবাট, গীতানগৰ, পাঞ্জাবাৰী, সাতগাঁও, চানমাৰি, ৰুক্মিণীগাঁও, সিজুবাৰী, আমবাৰী ভয়ংকৰ কৃত্ৰিম বানৰ কবলত পৰে। আজি আবেলি পৰ্যন্ত গুৱাহাটী মহানগৰীৰ অৱস্থা অবৰ্ণনীয় হৈয়ে থাকে। ঠায়ে ঠায়ে নলা নিৰ্মাণৰ বাবে গাঁত খান্দি থোৱাত মৰণফান্দত পৰিণত হৈছে। শিল-বালি পথৰ দাঁতিত দ'মাই থকাৰ লগতে ঠায়ে ঠায়ে ৰড ওলাই থকাত ভয়াৱহ হৈ আছে। চানমাৰিৰ উৰণীয়া সেতুৰ পৰা জলসিঞ্চন কাৰ্যালয় আৰু লোকনিৰ্মাণ বিভাগৰ কাৰ্যালয়ৰ সন্মুখ ভাগৰ পথত পানী উপচি পৰাত পথচাৰী ঘণ্টাৰ পিছত ঘণ্টা ধৰি পথতে ৰৈ থাকিবলগীয়া হয়। নিৰ্মাণৰত উৰণীয়া সেতুৰ বাবে পথটোৰ ঠায়ে ঠায়ে বোকা-পানী জমা হোৱাত পথচাৰীয়ে বিকল্প পথ হিচাপে বাছি লৈছে পদপথ। চৰকাৰে নলা-নৰ্দমা নিৰ্মাণ কৰিছে কৃত্ৰিম বান ৰোধ কৰিব নোৱাৰিলে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বিজেপিৰে নহয়, বিৰোধীৰ মাজতে যুঁজ-

অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন কুমাৰ বৰাই। দেওবাৰে নিশা সাংবাদিকৰ প্ৰশ্নৰ উত্তৰত কংগ্ৰেছ নেতা ভূপেন কুমাৰ বৰাই কয় যে অখিল গগৈয়ে বাহিৰত বিজেপিৰ বিৰোধিতা কৰে যদিও ভিতৰুৱাকৈ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা আৰু মন্ত্ৰী পীযুষ হাজৰিকাৰ লগত মধুৰ সম্পৰ্ক ৰক্ষা কৰি আহিছে। কংগ্ৰেছ দলক বদনামী কৰিবৰ বাবে আৰু সাংগঠনিকভাৱে দুৰ্বল কৰিবৰ বাবে অখিল গগৈয়ে চৰকাৰী ষড়যন্ত্ৰৰ বলি হৈছে। বৰাই কয় যে বিধানসভাৰ ভিতৰত মুখ্যমন্ত্ৰীক তীব্ৰ ভাষাৰে ককৰ্থনা কৰি ৰাইজৰ আগত এনেকুৱা এক মনোভাৱ দেখুৱাব বিচাৰে যে বিজেপিৰ অপশাসনৰ বিৰোধিতা কৰা বিধায়ক ইয়াতকৈ আৰু কোনো নাই। কিন্তু বিধানসভাৰ বাহিৰলৈ আহিয়েই তেওঁ মুখ্যমন্ত্ৰী আৰু আন মন্ত্ৰীসকলৰ হাঁহি-মাতি ল'ৰা-ধেমালি কৰে। এইবোৰ কথা সংবাদ মাধ্যমত মুকলিকৈ প্ৰকাশ হৈছে। কাজিৰঙাৰ অৰ্কিড পাৰ্কত মন্ত্ৰী পীযুষ হাজৰিকাক নিমন্ত্ৰণ কৰি ভাত খাই গোপন আলোচনা কৰা অখিল গগৈয়ে সময়-সুবিধা পালে শিৱসাগৰলৈ মাতি নি মন্ত্ৰীজনক গামোচা পিন্ধাই আৰু ৰাইজৰ দেখুৱাই বিধানসভাত বাকযুদ্ধত লিপ্ত হয়। এনে এজন আদৰ্শহীন নেতাৰ লগত কংগ্ৰেছ দলে মিত্ৰতা কৰিলে ৰাইজে কংগ্ৰেছ দলকো সন্দেহৰ চকুৰে চাব বুলি বৰাই উল্লেখ কৰে। ইফালে, দেওবাৰৰ নিশাৰ এই প্ৰতিক্ৰিয়াৰ পিছত ৰাইজৰ দলৰ সভাপতি অখিল গগৈয়ে সোমবাৰে দিনৰ ভাগত অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাক কটাক্ষ কৰি বাক্যবাণ এৰিছে। কথাৰ সুৰ নৰম যদিও অখিল গগৈয়ে কংগ্ৰেছৰ বিধায়কে ৰাষ্ট্ৰপতি নিৰ্বাচন আৰু ৰাজ্যসভাৰ নিৰ্বাচনত বিজেপিৰ সমৰ্থনত ভোট দিয়াৰ প্ৰসংগ উল্লেখ কৰি এইক্ষেত্ৰত ভূপেন বৰাৰ স্থিতিত কিয় দুৰ্বল বুলি প্ৰশ্ন কৰে। গগৈয়ে আওপকীয়াকৈ কংগ্ৰেছ নেতৃত্বৰ বিজেপিৰ সম্পৰ্ক আছে বুলি বুজাবলৈ বিচাৰে। গগৈয়ে লগতে কয় যে মুখ্যমন্ত্ৰীৰ লগত মই কেনে আচৰণ কৰিম সেই সন্দৰ্ভত প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাৰ পৰা এখন চাৰ্টিফিকেত ল'ব লাগিব নেকি? একেদৰে কাজিৰঙাৰ অৰ্কিড উদ্যানত কোন যাব, কোন যাব নোৱাৰিব সেই কথা লিখি ছাইনবৰ্ড লগাই থব লাগিব নেকি বুলি কয়। গগৈয়ে কয়, কংগ্ৰেছ দলে বছৰৰ বাকীখিনি সময় বিৰোধী দলসমূহৰ ঐক্যমঞ্চ কৰিব আৰু নিৰ্বাচনৰ সময়ত অকলে নিৰ্বাচন খেলা নীতি আমি মানি ল'ব নোৱাৰো। তৎসত্বেও ২০২৬ চনৰ বিধানসভা নিৰ্বাচনত বিজেপিৰ বিৰুদ্ধে বিৰোধীয়ে ঐক্যবদ্ধভাৱে যুঁজ দিব লাগিব। অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ সভাপতি ভূপেন বৰাই লখিমপুৰ জিলাৰ ৰঙানদীত নিৰ্বাচনী প্ৰচাৰ চলাই থকাৰ সময়তে তাৎপৰ্যপূৰ্ণভাৱে অখিল গগৈৰ বিৰুদ্ধে সৰৱ হৈ পৰে। ৰঙানদী বিধানসভা সমষ্টিত কংগ্ৰেছ দলৰ প্ৰাৰ্থীৰ সমান্তৰালকৈ ৰাইজৰ দলৰ পৰাও প্ৰাৰ্থী আগবঢ়োৱা হৈছে। এই সমষ্টিটোত ভূপেন বৰাই ২৬ৰ বিধানসভা নিৰ্বাচনত প্ৰতিদ্বন্দিতা কৰাৰ পৰিকল্পনা কৰিছে। ইয়াৰ বিপৰীতে বিজেপি দলৰ পৰা প্ৰাৰ্থিত্ব লাভ কৰাৰ আশাত ইতিমধ্যে ধন বিনিয়োগ কৰিছে ঋষিৰাজ হাজৰিকাই। মন্ত্ৰী পীযুষ হাজৰিকাৰ একান্ত বন্ধু ঋষিৰাজ হাজৰিকাৰ লগত অখিল গগৈৰ মধুৰ সম্পৰ্ক আছে বুলি অভিযোগ উঠিছে আৰু ৰাইজৰ দলৰ তৰফৰ পৰাও সমষ্টিটোত সংখ্যালঘু ৰাইজৰ মাজত ব্যাপক সাংগঠনিক কাম-কাজ চলোৱা হৈছে। একেদৰে নামনি অসমৰ কংগ্ৰেছ দলৰ দখলত থকা সংখ্যালঘু অধ্যুষিত বিধানসভা সমষ্টিসমূহতো অখিল গগৈয়ে সভা অনুষ্ঠিত কৰি সাংগঠনিক ভেটি শক্তিশালী কৰাৰ চেষ্টা চলাইছে। সংখ্যালঘু ভোটাৰক এইবাৰ অখিল গগৈয়ে শিখণ্ডী হিচাপে ব্যৱহাৰ কৰি কংগ্ৰেছৰ লগত টিকটৰ দৰ-দাম কৰিব বুলিও একাংশ ৰাজনৈতিক বিশ্লেষকে মত প্ৰকাশ কৰিছে।

# পেহেলগামৰ আক্ৰমণক গৰিহণা ডিব্ৰুগড় জিলা হজ কমিটীৰ

ই-সংবাদ, ডিব্ৰুগড়, ২৮ এপ্ৰিলঃ ডিব্ৰুগড় জিলা হজ কমিটীৰ এখন জৰুৰী সভাত আজি কাশ্মীৰৰ পেহেলগামত সন্ত্ৰাসবাদীয়ে অলপতে সংঘটিত কৰি মানৱতাক লজ্জানত কৰা পাকিস্তান সমৰ্থিত উগ্ৰপন্থীৰ বৰ্বৰ আক্ৰমণ আৰু হত্যাকাণ্ডত ডিব্ৰুগড় জিলা হজ কমিটীয়ে গভীৰ দুখ প্ৰকাশ কৰাৰ লগতে নিৰীহ ভাৰতীয়ৰ ওপৰত কৰা আক্ৰমনক তীব্ৰ ভাষাৰে গৰিহণা দিয়ে। সভাত এক মিনিট মৌন প্ৰাৰ্থনা কৰি সন্ত্ৰাসবাদীৰ আক্ৰমণত প্ৰাণ বলিদান দিয়া প্ৰতিজন শ্বহীদ ভাৰতীয়ৰ আত্মাৰ সদ্গতিৰ বাবে প্ৰাৰ্থনা জনোৱাৰ লগতে শ্বহীদৰ পৰিয়ালৰ সকলো সদস্যলৈ আন্তৰিক সমবেদনা জ্ঞাপন কৰে। উগ্ৰপন্থীৰ এনেধৰণৰ কুটাঘাত ভাৰতৰ বুকুত সমূলঞ্চে নিঃশেষ কৰাৰ বাবে তাৎক্ষণিকভাৱে বিহিত ব্যৱস্থা গ্ৰহণ কৰিবলৈ কমিটীয়ে চৰকাৰক আহ্বান জনায়। ভাৰতৰ প্ৰতিজন নাগৰিকক উগ্ৰপন্থীৰ কাৰ্যকলাপৰ বিৰুদ্ধে মাৰবান্ধি থিয় দিবলৈও আহ্বান জনায় ডিব্ৰুগড় জিলা হজ কমিটীৰ হৈ যুটীয়া সম্পাদক চৌকত লতিফে।

ষষ্ঠ পৃষ্ঠাৰ পৰা...

# আঁহতগুৰিৰ পৰা জাগীৰোডলৈ

হৈছে। মন্ত্ৰী পীযুষ হাজৰীকাই নিজ গৃহ সমষ্টি জাগীৰোডত ইখনৰ পিছত সিখন নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰি প্ৰচাৰ অভিযান তীব্ৰতৰ কৰি তোলা পৰিলক্ষিত হৈছে। মন্ত্ৰীগৰাকীয়ে আজিও সমষ্টিটোত কেবাখনো নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে। মন্ত্ৰীগৰাকীয়ে আজি জাগীৰোড বিধানসভা সমষ্টিৰ অন্তৰ্গত শান্তিপুৰ ৰংগমঞ্চত আগন্তুক পঞ্চায়ত নিৰ্বাচনৰ ধৰমতুল জিলা পৰিষদ সমষ্টিৰ ভাৰতীয় জনতা পাৰ্টিৰ এখন নিৰ্বাচনী প্ৰচাৰ সভাত অংশ লয়। প্ৰতিকুল বতৰকো নেওচি সভাত উপস্থিত থকা ৰাইজক সম্বোধন কৰি মন্ত্ৰীগৰাকীয়ে বিজেপি দলৰ নেতৃত্বত ৰাজ্যৰ লগতে সমষ্টিটোত চলা উন্নয়নমূলক কাম আৰু সুশাসনৰ বিষয়ে ব্যাখ্যা দাঙি ধৰে। শক্তিশালী পঞ্চায়ত গঠনৰ বাবে আগন্তুক পঞ্চায়ত নিৰ্বাচনত বিজেপি মিত্ৰজোঁট সমৰ্থিত প্ৰাৰ্থীসকলক বিপুল ভোটত জয়ী কৰিবলৈ মন্ত্ৰীগৰাকীয়ে ৰাইজক আহ্বান জনায়। ভাষণত মন্ত্ৰীগৰাকীয়ে ধৰমতুল-নেলী আদি অঞ্চলৰ বানপানী একেবাৰে নাইকিয়া কৰাৰ কথা উল্লেখ কৰে। এই অঞ্চলৰ ৰাস্তা-ঘাটৰ অৱস্থা আগতকৈ বহুত ভাল হোৱা বুলি উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কয় যে যেতিয়া মই জাগীৰোড সমষ্টিত প্ৰথম নিৰ্বাচন খেলিবলৈ আহিছিলো তেতিয়া এই অঞ্চলৰ ৰাস্তা-ঘাটৰ অৱস্থা অত্যন্ত বেয়া আছিল। আজি ৰাস্তা-ঘাটৰ অৱস্থা যথেষ্ট ভাল হ'ল বুলি উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে আগন্তুক দিনত এই অঞ্চলৰ ৰাস্তা-ঘাট আৰু ভাল কৰাৰ প্ৰতিশ্ৰুতি দিয়ে। মন্ত্ৰীগৰাকীয়ে জাগীৰোডৰ পেপাৰ মিলত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু মুখ্যমন্ত্ৰীয়ে ছেমিকণ্ডাক্টৰ উপহাৰ দিয়াৰ কথা উল্লেখ কৰে। এই ছেমিকণ্ডাক্টৰ উদ্যোগত ২৯ হাজাৰ যুৱক-যুৱতীয়ে চাকৰি লাভ কৰিব আৰু ইয়াৰ ভিতৰত প্ৰায় ১০ হাজাৰ জাগীৰোডৰ ল'ৰা-ছোৱালীয়ে সংস্থাপন পাব বুলি মন্ত্ৰীগৰাকীয়ে কয়। এই ছেমিকণ্ডাক্টৰ উদ্যোগ হোৱাৰ বাবে ধৰমতুলৰ পৰা আঁহতগুৰিলৈকে যথেষ্ট উদ্যোগীৰ আগমন হোৱা বুলি তেওঁ উল্লেখ কৰি ইয়াৰ জৰিয়তে জাগীৰোডৰ যুৱক-যুৱতীয়ে সংস্থাপন লাভ কৰিব আৰু অঞ্চলটোৰ অৰ্থনৈতিক অৱস্থা ভাল হ'ব বুলি উল্লেখ কৰে। আনহাতে, নতুনকৈ উদ্যোগ স্থাপনৰ বাবে অসম চৰকাৰে ১০০০ বিঘা মাটি লোৱাৰ কথাও তেওঁ উল্লেখ কৰে। এই অঞ্চলত নতুন নতুন উদ্যোগ স্থাপন হোৱাৰ লগতে আঁহতগুৰিৰ পৰা জাগীৰোডলৈকে ইণ্ডাষ্ট্ৰীয়েল কৰিডৰ হ'ব বুলি উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কয় যে উদ্যোগ স্থাপন হ'লে এই অঞ্চলৰ ল'ৰা-ছোৱালীয়ে চাকৰি বিচাৰি আৰু বাহিৰলৈ যাবলগীয়া নহ'ব। এই অঞ্চলৰ ল'ৰা-ছোৱালীয়ে ইয়াতেই সংস্থাপন লাভ কৰিব আৰু অঞ্চলটো আগবাঢ়ি যাব বুলি তেওঁ ভাষণত কয়। এনেদৰে মন্ত্ৰীগৰাকীয়ে ভাষণত বিজেপি নেতৃত্বাধীন চৰকাৰখনে দুখীয়া ৰাইজৰ বাবে হাতত লোৱা বিভিন্ন আঁচনি, কৃষক ৰাইজৰ বাবে গ্ৰহণ কৰা পদক্ষেপ আদিৰ বিষয়ে উল্লেখ কৰি জাগীৰোড সমষ্টিক অসমৰ শ্ৰেষ্ঠ পাঁচটা সমষ্টিৰ ভিতৰত এটা সমষ্টি কৰিবলৈ মন্ত্ৰীগৰাকী বদ্ধপৰিকৰ বুলি ভাষণত উল্লেখ কৰে। ইয়াৰ পিছত মন্ত্ৰীগৰাকীয়ে সমষ্টিটোৰ ডোঙাবৰী ৰাস মন্দিৰ প্ৰাংগণত অনুষ্ঠিত আন এখন নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে। সভাত ভাষণ দি মন্ত্ৰীগৰাকীয়ে অঞ্চলটোত ৰূপায়ণ কৰা চৰকাৰী বিভিন্ন উন্নয়নমূলক আঁচনিৰ খতিয়ান দাঙি ধৰাৰ লগতে বিশেষকৈ অঞ্চলটোত বানপানী প্ৰতিৰোধ কৰাৰ বাবে মন্ত্ৰীগৰাকীয়ে গ্ৰহণ কৰা পদক্ষেপসমূহৰ বিষয়ে ৰাইজক অৱগত কৰে। নিৰ্বাচনৰ পূৰ্বে দিয়া প্ৰতিশ্ৰুতিসমূহ আখৰে আখৰে পালন কৰা বুলিও মন্ত্ৰীগৰাকীয়ে উপস্থিত ৰাইজক ভাষণৰ মাজেৰে অৱগত কৰে। আনকি তেওঁ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই অসমৰ নহয়, উত্তৰ পূৰ্বাঞ্চলৰ নহয়, উত্তৰ ভাৰতৰ সকলোতকৈ ডাঙৰ উদ্যোগ টাটা ছেমিকণ্ডাক্টৰটোক জাগীৰোডক দিয়া বুলি উল্লেখ কৰে। এই উদ্যোগটোৰ জৰিয়তে জাগীৰোডৰ পৰিৱৰ্তন লেখতল'বলগীয়া হ'ব বুলি তেওঁ দাবী কৰে। সভাত ভাৰতীয় জনতা পাৰ্টি, অসম প্ৰদেশৰ প্ৰভাৰী হৰিশ দ্বিবেদীয়েও ভাষণ দাঙি ধৰে। ইয়াৰ পিছত মন্ত্ৰীগৰাকীয়ে জাগীৰোড বহুমুখী প্ৰেক্ষাগৃহত অনুষ্ঠিত বিজেপিৰ আন এখন পঞ্চায়ত নিৰ্বাচনী সভাত উপস্থিত থাকি ৰাইজক সম্বোধন কৰে। মন্ত্ৰীগৰাকীয়ে ভাষণ প্ৰসংগত জাগীৰোড কাগজ কল কংগ্ৰেছৰ দিনত বন্ধ হোৱা বুলি উল্লেখ কৰে। তেওঁ যেতিয়া বিধায়ক নিৰ্বাচিত হৈছিল সেই সময়ত তেওঁ জাগীৰোডলৈ আহিবলৈ ভয় কৰিছিল বুলি আজি সভাত উল্লেখ কৰে। কিয়নো পেপাৰ মিলটো বন্ধ হোৱাৰ পিছত ইয়াৰ পৰিৱেশটো তেওঁৰ বাবে অত্যন্ত বেদনাদায়ক আছিল বুলি উল্লেখ কৰে। অসম প্ৰদেশৰ প্ৰভাৰী হৰিশ দ্বিবেদীৰ সন্মুখত মন্ত্ৰীগৰাকীয়ে সেই সময়ৰ পেপাৰ মিলটোৰ কৰ্মচাৰীসকলৰ দুখ-দুৰ্দশাৰ কাহিনী দাঙি ধৰে। তেওঁ কয় যে মিলটোত প্ৰায় ২ হাজাৰ কৰ্মচাৰী আছিল, মিলটো বন্ধ হোৱাত কৰ্মচাৰীসকলৰ দৰমহা বন্ধ হৈছিল, কৰ্মচাৰীসকলৰ মাজত হাহাকাৰ লাগিছিল। সেই সময়ত মিলটোৰ কৰ্মচাৰীসকলে প্ৰায়ে তেওঁ লগ কৰিবলৈ আহিছিল বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। পিছত ৰাজ্য চৰকাৰে ৮০০ কোটি টকা সেইসকল লোকক দি জাগীৰোড কাগজ কলটোৰ ভূমি চৰকাৰে লৈ লয় আৰু তাৰেই ফল আজিৰ ছেমিকণ্ডাক্টৰ বুলি মন্ত্ৰীগৰাকীয়ে অৱগত কৰে। জাগীৰোডত ছেমিকণ্ডাক্ট স্থাপন কৰাত বাধা প্ৰদান কৰা কংগ্ৰেছক তীব্ৰ সমালোচনা কৰি মন্ত্ৰীগৰাকীয়ে ৰাইজক কংগ্ৰেছক ভোট নিদিবলৈ আহ্বান জনায়। সভাত মন্ত্ৰীগৰাকীয়ে ভাৰতীয় জনতা পাৰ্টি আৰু মিত্ৰজোঁটৰ নেতৃত্বত তৃণমূল পৰ্যায়ত ৰাজ্যৰ উন্নয়নী যাত্ৰাত সকলোকে সহযোগ কৰিবলৈ তেওঁলোকৰ প্ৰাৰ্থীসকলক ভোট দি জয়যুক্ত কৰাবলৈ আহ্বান জনায়। এই সভাতো বিজেপিৰ অসম প্ৰদেশৰ প্ৰভাৰী হৰিশ দ্বিবেদীয়ে ভাষণ দাঙি ধৰে। ইপিনে, মন্ত্ৰীগৰাকীয়ে আজি সংবাদ মাধ্যমৰ আগত কংগ্ৰেছৰ ভিতৰচৰাত হোৱা বিশেষ লেনদেন সম্পৰ্কীয় সংঘৰ্ষৰ বাবে বিজেপি দলক দোষাৰোপ কৰাটো অতিকৈ হাস্যকৰ বিষয় বুলি মন্তব্য কৰে। এই ক্ষেত্ৰত উচিত তদন্তই সকলো কথা স্পষ্ট কৰিব বুলি তেওঁ মন্তব্য কৰে। তেওঁ কয় যে টকা দি যিসকলে টিকট নাপালে, তেওঁলোকে আক্ৰমণ কৰা বুলি খবৰ ওলাই আছে। পুলিচে তদন্ত কৰিলে গোটেই কথাখিনি স্পষ্ট হ'ব। তেওঁ পুনৰ কয় যে এইক্ষেত্ৰত বিজেপিলৈ বোকা চটিওৱাটো কংগ্ৰেছৰ নিয়ম। কিন্তু তদন্তত ওলাইছে যে যিসকলে টকা দি টিকট নাপালে, তেওঁলোকেহে আক্ৰমণ কৰিছে।

ষষ্ঠ পৃষ্ঠাৰ পৰা...

# অসম-বংগ সীমান্তত বৃদ্ধি পাইছে গো

পিছত পশ্চিমবংগৰ পৰা অবৈধভাৱে গো মাংসৰ আমদানি আৰম্ভ হয়। শেহতীয়াকৈ নিষিদ্ধ গো-মাংসৰ সৰবৰাহ আগমনি থানা এলেকাত বৃদ্ধি পোৱাৰ অভিযোগ পোৱা গৈছে। নিতৌ পুৱা পশ্চিমবংগৰ পৰা গো-মাংস মোনাত ভৰাই বাইক আৰু স্কুটীৰে গৌৰীপুৰৰ ধুবুৰী অভিমুখে সৰবৰাহ কৰা হয়। গো-মাংস কঢ়িওৱা বাইক, স্কুটীসমূহ খেৰবাৰী, গোপালেৰকুঠী, ৰামৰাইকুঠী আদি অঞ্চলেৰে অসমত প্ৰৱেশ কৰে। ভিতৰুৱা বিভিন্ন পথেৰে আহি সকলো বাহন ৰতিয়াদহত ১৭ নং ৰাষ্ট্ৰীয় ঘাইপথত উঠে। তাৰ পৰা ৰাষ্ট্ৰীয় ঘাইপথেৰে নিৰ্বিঘ্নে গৌৰীপুৰ অভিমুখে ৰাওনা হয়। সকলো দেখি-শুনিও নেদেখা হৈ বহি থাকে আগমনি আৰক্ষী। মাজে-সময়ে যি-দুই এখন আটক হয় তাকো ৰাইজে ধৰি দিয়াৰ বাবে সম্ভৱ হয়। এই ক্ষেত্ৰত আৰক্ষীৰ ভূমিকাৰ ওপৰত দীৰ্ঘদিনৰ পৰাই চৰ্চা লাভ কৰিছে। আগন্তুক পঞ্চায়ত নিৰ্বাচনৰ আগমুহূৰ্তত হিন্দু এলেকাৰে দৌৰি থকা গো-মাংস কঢ়িওৱা বাহনসমূহৰ দৌৰাত্ম্যক লৈ যিকোনো সময়ত অনাকাংক্ষিত ঘটনাৰ আশংকা কৰিছে সচেতন মহলে। অঞ্চলটোৰ শান্তি সম্প্ৰীতি অটুট ৰখাৰ স্বাৰ্থত শীঘ্ৰে নিষিদ্ধ গো-মাংস কঢ়িওৱা বাহনসমূহৰ ওপৰত কঠোৰ ব্যৱস্থা গ্ৰহণৰ দাবী জনাইছে।


• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# 'অনুমতি অবিহনে শত্ৰুৰাষ্ট্ৰলৈ যোৱাটো

হাইলাকান্দিত উপস্থিত হৈ সংবাদ মাধ্যমৰ আগত সাংসদ গৌৰৱ গগৈৰ নাম উল্লেখ নকৰাকৈ সাংসদগৰাকীক তীব্ৰ সমালোচনা কৰে মন্ত্ৰীগৰাকীয়ে। তেওঁ কয় যে সাংসদগৰাকীয়ে অন্ততঃ ৰাইজৰ সন্মুখত স্বীকাৰ কৰক যে হয় মই গৈছিলো, নতুবা যোৱা নাই। কিন্তু এই বিষয়ে তেওঁ এবাৰো কোৱা নাই। মৌনতা সন্মতি লক্ষ্মণ, তাৰ মানে তেওঁ গৈছে। আৰু তেওঁৰ ধৰ্মপত্নীয়ে ভাৰতবৰ্ষত চাকৰি কৰে এটা এনজিঅ'ত আৰু পাকিস্তানৰ পৰা দৰমহা লয়। অৰ্থাৎ পাকিস্তানৰ এনজিঅ'ৰ পৰা তেওঁ দৰমহা লয়, গতিকে তেওঁ পাকিস্তানৰ হৈ কাম কৰিব। এই কথাবিলাক এতিয়া আইনী ব্যৱস্থাৰ মাজেৰে আহিব বুলি মন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে।
তেওঁ পুনৰ কয় যে অসমৰ এজন প্ৰাক্তন মুখ্যমন্ত্ৰীৰ নাতি-নাতিনীয়েক যদি ভাৰতীয় নহয়, ভাৰতীয় নাগৰিকত্ব নলয়, তাতকৈ আৰু দুখৰ কথা কি থাকিব? এগৰাকী সাংসদ হৈ যি নিজৰ ল'ৰা-ছোৱালীক ভাৰতীয় নাগৰিকত্ব নিদিয়ে, তেন্তে ভাৰতৰ প্ৰতি তেওঁৰ প্ৰেম ক'ত আছে? মৰম ক'ত আছে? তাৰমানে তেওঁ ভাৰতত থাকিও পাকিস্তানৰ এজেণ্ট বা ভাৰতবিৰোধী কাৰ্যত আছে, সেইটো মোটামুটি ধৰা পৰিছে। এই কথাবিলাক ৰাইজে বিচাৰ কৰিব। যদি নহয় ইয়াৰ প্ৰত্যুত্তৰো তেওঁ দিয়ক।
অখিল গগৈয়ে কোনো ভাৰতীয় মানুহ পাকিস্তানলৈ যোৱাটো কোনো অপৰাধ নহয় বুলি কৰা মন্তব্য সন্দৰ্ভতো মন্ত্ৰীগৰাকীয়ে প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয় যে পাকিস্তানলৈ যোৱাটো অপৰাধ নহয়, কিন্তু পাকিস্তানলৈ গৈছে কিয় সেইটো ৰাইজক নজনোৱাকৈ যোৱাটো অপৰাধ। তাতকৈ এটা ডাঙৰ কথা হ'ল যে ভাৰতৰ সাংসদৰ দৰে এটা পদত থাকি বিদেশ মন্ত্ৰালয়ক নোজনোৱাকৈ তেওঁ যোৱাটো অপৰাধ বুলি কয়। গোপনে এখন শত্ৰু ৰাষ্ট্ৰত যোৱাটো নিশ্চিতভাৱে অপৰাধ বুলি মন্তব্য কৰে মন্ত্ৰী জয়ন্তমল্ল বৰুৱাই। তেওঁ কয় যে অসমৰ মানুহে কোনোদিন ভবা নাছিল যে অসমত এজন এনেকুৱা ভাৰতবিৰোধী সাংসদ ওলাব। অসমৰ মানুহৰ বাবে এয়া দুৰ্ভাগ্যজনক কথা।
আনহাতে, পঞ্চায়ত নিৰ্বাচনত কংগ্ৰেছৰ প্ৰাৰ্থী দিয়াক লৈ সাংবাদিকে প্ৰশ্ন কৰাত মন্ত্ৰীগৰাকীয়ে কংগ্ৰেছক কটাক্ষ কৰি কয় যে সঁচা কথা ক'বলৈ গ'লে কংগ্ৰেছৰ প্ৰাৰ্থী দিবলৈও মানুহ নাছিল। প্ৰাৰ্থী দিবলৈ যিহেতু মানুহ নাছিল, য'ত মহিলা প্ৰাৰ্থী তাত কাৰোবাৰ ঘৈণীয়েকক দিছে, তেওঁলোকৰ দলৰ কোনো মানুহ নাই, এতিয়া ঘৈণীয়েকেও ওলাই নাহে। কেনেকৈ ওলাই আহিব ঘৈণীয়েক হয়তো অৰুণোদয়ৰ শুভাকাংক্ষী, ঘৈণীয়েকগৰাকীয়ে হয়তো বিচাৰে যে ত্ৰিপুল তালাক হ'ব নালাগে, ঘৈণীয়েকগৰাকী হয়তো আমাৰ দলৰে সমৰ্থক, সেয়ে তেওঁ ওলাই আহিব নোখোজে, গতিকে গিৰিয়েকজনকে লৈ আহি গামোচা পিন্ধাইছে। তেওঁ কয় যে আজি প্ৰত্যেকগৰাকী মহিলাই বুজি পায় ডঃ হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত কেনেদৰে উন্নয়ন হৈছে। আনহাতে, বিজেয়ে কেতিয়াও ধৰ্মীয় গোড়ামীক স্থান নিদিয়ে বুলি চামগুৰিৰ প্ৰসংগ উল্লেখ কৰে। তেওঁ কয় যে ধৰ্মীয় গোড়ামী হ'লে আমি চামগুৰি কেতিয়াও নিজিকিলোহেঁতেন। আমি চামগুৰি জিকিছো। এইবাৰ আমি ইমানেই সংখ্যালঘু অঞ্চল জিকিম যে সকলো আচৰিত হ'ব। ইয়াত ধৰ্মীয় গোড়ামীৰ কথা নাই। কংগ্ৰেছক সমালোচনা কৰি তেওঁ কয় যে কিছুমান মানুহক তেওঁলোকে বিভিন্ন ধৰণে বিপথে পৰিচালনা কৰে। সেই বিপথে পৰিচালনা কৰা মানুহবিলাকক লৈ ঠিকে যায়, যেতিয়া বুজি পায় তেওঁলোক আঁতৰি দিয়ে। সেই কাৰণে আজি এতিয়া তেওঁলোকৰ প্ৰাৰ্থী নোহোৱা হৈছে। প্ৰাৰ্থীৰ স্বামী আহিছে, কোনোবা ভায়েক আহিছে, তেওঁলোকে গামোচা লৈছে। প্ৰাৰ্থীগৰাকীও নিৰ্বাচনৰ সভালৈ নহা হৈছে। প্ৰাৰ্থীৰ হৈ গিৰিয়েকে গামোচা লয়, প্ৰাৰ্থীৰ হৈ ভায়েকে গামোচা লয় এইটো পৰিৱেশ হৈছে। কংগ্ৰেছত এতিয়া এই অৱস্থা।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# অসমীয়াত লিখিব লাগিব নামফলকঃ

নামফলক অসমীয়া লিপিত লিখিব লাগিব। ইংৰাজী বা হিন্দীত লিখা থাকিলেও নামফলক অসমীয়াতো থাকিব লাগিব। এই সিদ্ধান্ত লৈছে কামৰূপ মহানগৰ জিলা সাহিত্য সভাই।
দেওবাৰে বাঘৰবৰী দুৰ্গামন্দিৰ প্ৰাংগণত নতুন সমিতিৰ এখন কাৰ্যনিৰ্বাহক সমিতিৰ সভা অনুষ্ঠিত হৈছিল। এই সভাত নতুন সভাপতি তথা বিশিষ্ট লেখক-গল্পকাৰ প্ৰফুল্ল বৰ্মন আৰু নতুন সম্পাদক অৰুণ কুমাৰ মহন্তই আগন্তুক ২০২৫-২৭ বৰ্ষৰ বাবে বিভিন্ন শাখাৰ আহ্বায়ক, কাৰ্যকৰী সভাপতি, কৰ্ণধাৰ সমিতি, কাৰ্যকৰী সমিতি আদিৰ বাবে নতুনকৈ মনোনীতসকলক দায়িত্ব অৰ্পণ কৰে। সভাই তথ্য-প্ৰযুক্তি শাখা এটাও প্ৰথমবাৰলৈ সংযোগ কৰিছে।
গাম্ভীৰ্যপূৰ্ণভাৱে আয়োজিত এই সভাত জেষ্ঠ-কনিষ্ঠ বহুকেইজন সাহিত্যানুৰাগীয়ে আগন্তুক সময়ত কৰিব লগা কাম-কাজ সন্দৰ্ভত আলোকপাত কৰে। ৰাজ্যৰ সকলো জিলাৰ তুলনাত যাতে কামৰূপ মহানগৰ জিলাখন আগৰণুৱা হিচাপে স্বীকৃত হয়, তাৰবাবে নতুনকৈ দায়িত্ব লোৱা সকলোৰে আন্তৰিকতাৰে সভাৰ কামত মনোনিবেশ কৰিবলৈ সভাপতি প্ৰফুল্ল বৰ্মনে আহ্বান জনায়। লগতে আগন্তুক এবছৰত যাতে কমেও দহখন নতুন শাখা গঠন কৰা হয় তাৰ ওপৰতো দৃষ্টিপাত কৰে। মহানগৰ জিলা সাহিত্য সভাৰ এটা সঁজাতী দলে নাগালেণ্ডৰ কহিমাত অৱস্থিত প্ৰথমটো শাখা পৰ্যবেক্ষণ কৰিবলৈ যোৱাৰ প্ৰস্তাৱো লোৱা হৈছে। সকলো শাখাই নিজ অঞ্চলত থকা দোকান-পোহাৰ আদিত অসমীয়া লিপিত নামফলক লিখিবলৈ সংশ্লিষ্টসকলৰ সৈতে যোগাযোগ কৰাৰ দায়িত্ব দিয়া হৈছে প্ৰতিজনকে।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# চাবুৱাত অতুল বৰা-কেশৱ মহন্তৰ

বৰাই আজি ডিব্ৰুগড় জিলাৰ চাবুৱাত নিৰ্বাচনী প্ৰচাৰ চলাই বিৰোধী কংগ্ৰেছক তীব্ৰ আক্ৰমণ কৰি কয় যে পঞ্চায়ত নিৰ্বাচন লোকসভা বা বিধানসভা নিৰ্বাচনতকৈ কোনোগুণে কম নহয়। পঞ্চায়ত নিৰ্বাচনত শাসকীয় বিজেপি আৰু অগপই পতাকা উৰুৱাইছে। পঞ্চায়ত নিৰ্বাচনৰ পিছতে কংগ্ৰেছৰ শ্মশান যাত্ৰা আৰম্ভ হ'ব। কংগ্ৰেছৰ যিটো গতিত বিপৰ্যয় হৈছে সেই কথা আৰু ক'ব নালাগে। কংগ্ৰেছ দলে শূন্যৰ পৰা মহাশূন্যলৈ গতি কৰিব। অসম জাতীয় পৰিষদ, ৰাইজৰ দল বৃহৎ মাইনাছত যাব। অসম জাতীয় পৰিষদৰ নেতাই অসম গণ পৰিষদত যোগ দিছে বুলি বৰাই উল্লেখ কৰিছে। পঞ্চায়ত নিৰ্বাচনৰ দিন চমু চাপি অহাৰ সময়তে অসম গণ পৰিষদ দলৰ সভাপতি তথা মন্ত্ৰী অতুল বৰাই অগপৰ দখলত থকা চাবুৱা-লাহোৱাল সমষ্টিত আজি প্ৰচাৰ চলায়। চাবুৱাৰ বালিজান নৰ্থ চাহ বাগিচাৰ মালতী ওৰাং ৰাজহুৱা প্ৰেক্ষাগৃহত অনুষ্ঠিত নিৰ্বাচনী প্ৰচাৰ সভাত কংগ্ৰেছ সভাপতি ভূপেন বৰাক তীব্ৰ সমালোচনা কৰাৰ লগতে পঞ্চায়ত নিৰ্বাচনৰ পিছতেই কংগ্ৰেছৰ শ্মশান যাত্ৰা হ'ব বুলি কয় অগপৰ সভাপতিগৰাকীয়ে। অগপ সভাপতি অতুল বৰাই মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত বিকাশৰ গতি লৈছে বুলি সভাত উল্লেখ কৰে। বিশাল নিৰ্বাচনী সভাত পানীতোলা ব্লক কংগ্ৰেছৰ সংখ্যালঘু মৰ্চাৰ সভাপতি ৰফিক শ্বাহে আনুষ্ঠানিকভাৱে অগপত যোগদান কৰে। সমষ্টি সমিতিৰ কাৰ্যকৰী সভাপতি নিপুল কোঁৱৰে আঁত ধৰা সভাত আদৰণী ভাষণ প্ৰদান কৰে চাবুৱা সমষ্টিৰ বিধায়ক পোনাকণ বৰুৱাই। কাৰ্যকৰী সভাপতি কেশৱ মহন্তই অগপ-বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থীক ভোট দি জয়যুক্ত কৰিবলৈ আহ্বান জনায়। ২ মে'ত অনুষ্ঠিত হ'বলগীয়া পঞ্চায়ত নিৰ্বাচনত হাতী আৰু পদুম ফুলৰ চিহ্নত ভোট দিবলৈ ৰাইজক আহ্বান জনায় মন্ত্ৰী মহন্তই। প্ৰায় ৫ সহস্ৰাধিক অগপ-বিজেপিৰ কাৰ্যকৰ্তা উপস্থিত থকা নিৰ্বাচনী প্ৰচাৰ সভাত জ্যোতি চিত্ৰবনৰ উপাধ্যক্ষ সুনীল ৰাজকোঁৱৰ, অগপ উপ-সভাপতি পুতুল সোণোৱাল, অসম চাহ পৰিষদৰ সভাপতি প্ৰমোদ ভেংৰা, ডিব্ৰুগড় জিলা সমিতিৰ সভাপতি আদিত্য গোস্বামী, অগপৰ চাবুৱা-লাহোৱাল সমষ্টি সমিতিৰ সভাপতি কৃষ্ণানন্দ দুৱৰা, ডিকম জিলা পৰিষদৰ প্ৰাৰ্থী ব্ৰজেন গগৈ,আদি উপস্থিত থাকে।

### হাই এলাৰ্টত পাকিস্তান, বিচাৰিলে চুবুৰীয়া চীনৰো বিশেষ সহায়

# যুদ্ধৰ বাবে সম্পূৰ্ণৰূপে সাজু কৰি ৰাখিছে সৈন্যবাহিনীক

**ইছলামাবাদ, ২৮ এপ্ৰিল:** পেহেলগামৰ আক্ৰমণৰ পাছত ভাৰত-পাকিস্তানৰ সম্পৰ্ক দিনক দিনে শোচনীয় হৈ গৈছে। দুয়োখন দেশৰ মাজত উত্তেজনা অব্যাহত আছে। ভাৰত সন্ত্ৰাসবাদী আক্ৰমণটোৰ জড়িতসকলৰ সন্ধানত সম্পূৰ্ণ শক্তিৰে আগবাঢ়িছে। আনফালে পাকিস্তানে এই আক্ৰমণত কোনো ভূমিকা নাই বুলি দাবী কৰিছে। ভাৰতে চলাই থকা সন্ত্ৰাসবাদী বিৰোধী কাৰ্যকলাপৰ বাবে পাকিস্তানো উদ্বিগ্নতা আৰম্ভ হৈছে। ইয়াৰ মাজতে সোমবাৰে পাকিস্তানৰ প্ৰতিৰক্ষা মন্ত্ৰী খোৱাজা মহাম্মদ আছিফে কয় যে, ভাৰতে যিকোনো মূহুৰ্তত আক্ৰমণ কৰিব পাৰে। সেয়েহে দেশখনে সৈন্যবাহিনীক সম্পূৰ্ণভাৱে সাজু কৰি ৰাখিছে। প্ৰতিৰক্ষা মন্ত্ৰী খোৱাজা মহম্মদ আছিফে ইছলামাবাদস্থিত তেওঁৰ কাৰ্যালয়ত সংবাদমাধ্যমক দিয়া এটা সাক্ষাৎকাৰত কৈছিল, "আমি আমাৰ সেনাক শক্তিশালী কৰিছোঁ, কাৰণ বৰ্তমান সময়ত ইয়াৰ প্ৰয়োজন হৈছে। এনেধৰণৰ পৰিস্থিতিত কিছুমান ৰণনৈতিক সিদ্ধান্ত গ্ৰহণ কৰিব লাগিব, সেই বাবে সেই সিদ্ধান্তবোৰ গ্ৰহণ কৰা হৈছে।" পাকিস্তানৰ প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে লগতে কয় যে পাকিস্তান সম্পূৰ্ণৰূপে সতৰ্ক হৈ আছে আৰু তেওঁলোকৰ পাৰমাণৱিক অস্ত্ৰসমূহৰ ব্যৱহাৰ তেতিয়াহে কৰিব যেতিয়া তেওঁলোকৰ অস্তিত্ব পোনপটীয়াকৈ সংকটৰ সন্মুখীন হ'ব"। উল্লেখ্য যে, ইয়াৰ পূৰ্বে পাকিস্তানে পেহলগাম আক্ৰমণৰ তদন্তত চীন আৰু ৰাছিয়াক অন্তৰ্ভুক্ত কৰিবলৈ দাবী কৰিছিল য'ত চীনে ইতিমধ্যে সঁহাৰি জনাইছে। ২২ এপ্ৰিলৰ সন্ত্ৰাসবাদী আক্ৰমণত পাকিস্তানৰ ভূমিকা থকা সম্পৰ্কে ভাৰতে কৰা অভিযোগৰ "নিৰপেক্ষ তদন্ত"ৰ বাবে ইছলামাবাদৰ আহ্বানক সমৰ্থন জনাইছে চীনে। চীনৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে জাৰি কৰা এক বিবৃতিত কোৱা হৈছে, "চীনে যিমান সম্ভৱ সোনকালে নিৰপেক্ষ তদন্ত সমৰ্থন কৰিছে" পাকিস্তানৰ উপ-প্ৰধানমন্ত্ৰী আৰু বৈদেশিক মন্ত্ৰী ইছাক দাৰে চীনৰ বৈদেশিক মন্ত্ৰী ৱাং য়িক ফোন কৰাৰ পাছত বিবৃতিটো প্ৰকাশ কৰা হয়।




দ্ৰুততম অৰ্ধশতকেৰে আইপিএলত ইতিহাস ৰচিলে ১৪ বছৰীয়া বৈভৱ সূৰ্যবংশীয়ে, ফটো সোমবাৰ

# মুম্বাইৰ সন্ত্ৰাসবাদী আক্ৰমণৰ মাষ্টাৰমাইণ্ডৰ জিম্মা বৃদ্ধি নিয়াৰ

**নতুন দিল্লী, ২৮ এপ্ৰিল:** মুম্বাইৰ সন্ত্ৰাসবাদী আক্ৰমণৰ মাষ্টাৰমাইণ্ড তাহাবুৰ হুছেইন ৰাণাৰ জিম্মা দিল্লীৰ এখন আদালতে আৰু ১২ দিনৰ বাবে বৃদ্ধি কৰিছে। এনআইএৰ বিশেষ ন্যায়াধীশ চন্দ্ৰ জিত সিঙে সোমবাৰে এনআইএৰ অনুৰোধত তাহাবুৰৰ জিম্মা বৃদ্ধি কৰিছিল। তেওঁৰ পূৰ্বৰ ১৮ দিনৰ ৰিমাণ্ড শেষ হোৱাৰ পাছত কঠোৰ নিৰাপত্তাৰ মাজত মুখ ঢাকি আদালতত হাজিৰ কৰোৱা হৈছিল। বৰ্তমান দিল্লী চিজিঅ' কমপ্লেক্সৰ এনআইএ মুখ্য কাৰ্যালয়ৰ এটা উচ্চ-সুৰক্ষা কোষত তাহাবুৰক ৰখা হৈছে। সংস্থাটোৱে ৰাণা আৰু তেওঁৰ বন্ধু হেডলীৰ মাজৰ বহু ফোন কল তদন্তত ব্যৱহাৰ কৰিছে।

# ৰণবীৰ আল্লাহবাদিয়ালৈ সকাহ উচ্চতম ন্যায়ালয়ৰ

**নতুন দিল্লী, ২৮ এপ্ৰিল:** উচ্চতম ন্যায়ালয়ে আজি মহাৰাষ্ট্ৰ চাইবাৰ অপৰাধ ব্যুৰোক ইউটিউবাৰ ৰণবীৰ আল্লাবাদিয়াৰ পাছপোৰ্ট মুকলি কৰিবলৈ নিৰ্দেশ দিয়ে, যাৰ ফলত তেওঁ বিদেশ ভ্ৰমণ কৰিব পাৰিব। মহাৰাষ্ট্ৰ আৰু অসম চৰকাৰৰ বিচাৰপীঠক আল্লাবাদিয়াৰ বিৰুদ্ধে দাখিল কৰা এজাহাৰৰ তদন্ত সম্পূৰ্ণ হোৱা বুলি প্ৰকাশ কৰাৰ পাছতে এই নিৰ্দেশ জাৰি কৰিছে।



# প্ৰায় অন্ধকাৰত ডুব গ'ল ইউৰোপৰ এক বৃহৎ অংশ

**মাদ্ৰিদ, ২৮ এপ্ৰিল:** আন্ধাৰত ডুব গ'ল স্পেইন, পৰ্তুগাল আৰু দক্ষিণ ফ্ৰান্সৰ বহু অংশ। দীঘলীয়া বিদ্যুৎ কৰ্তনৰ ফলত লাখ লাখ লোকৰ জীৱন সম্প্ৰতি স্তব্ধ হৈ পৰিছে ইউৰোপৰ এই বিশাল অংশটোত। বিদ্যুৎ কৰ্তনৰ কাৰণ এতিয়ালৈকে জানিব পৰা হোৱা নাই। স্পেইনৰ গ্ৰিড অপাৰেটৰ ৰে'ড ইলেক্ট্ৰিকা ডি এস্পেনাৰ অপাৰেচনৰ মুৰব্বী এডুয়াৰ্ডো প্ৰিয়েটোৱে এক সংবাদ সন্মিলনত কয় যে স্পেইনৰ বৈদ্যুতিক গ্ৰিডলৈ শক্তি পুনৰ ঘূৰাই আনিবলৈ ছয়ৰ পৰা দহ ঘণ্টা সময় লাগিব পাৰে। বিদ্যুৎ কৰ্তনৰ ফলত ট্ৰেফিক লাইট, বিমানবন্দৰ আৰু মাদ্ৰিদৰ ভূগৰ্ভস্থ পথ ব্যাহত হৈ পৰে। ৰাজহুৱা পৰিবহণ, ট্ৰেফিক লাইট আৰু ফোন সেৱা মাদ্ৰিদ, বাৰ্চিলোনা আৰু লিছবনৰ কিছু অংশত বন্ধ হৈ পৰে আৰু ৰে'ল চলাচল বহুপৰিমাণে বন্ধ হৈ পৰে।

# এনে ঘটনা ২১ বছৰত এবাৰো দেখা নাছিলোঁঃ ওমৰ

**শ্ৰীনগৰ, ২৮ এপ্ৰিল:** জম্মু কাশ্মীৰ ঘটনাৰ দায়িত্ব নিজেই স্বীকাৰ কৰিছে ওমৰ আব্দুল্লাই। নিজৰ অধীনত আৰক্ষী অথবা সেনা বাহিনীৰ কৰ্তৃত্ব নাথাকিলেও এই দুঃসময়ত জনতাৰ স্বাৰ্থত সকলো দায়িত্ব তেওঁ মূৰ পাতি লয়। কাশ্মীৰৰ পেহেলগামৰ সন্ত্ৰাসবাদী আক্ৰমণৰ ঘটনাৰ পাছতে বহুতেই জম্মু কাশ্মীৰক পূৰ্ণ ৰাজ্যৰ মৰ্যাদা ঘূৰাই দিয়াৰ দাবী উত্থাপন কৰিছে যদিও ওমৰ আব্দুল্লাই কোনো কাৰণতে পেহেলগামৰ ঘটনাৰ আলম লৈ পূৰ্ণ ৰাজ্যৰ দাবী উত্থাপন নকৰে বুলিও স্পষ্ট কৰিছে। আজি জম্মু কাশ্মীৰ বিধানসভাৰ বিশেষ অধিবেশনত পেহেলগাম আক্ৰমণৰ ঘটনাক লৈ আলোচনা হয়। এই আলোচনাত জম্মু কাশ্মীৰৰ মুখ্যমন্ত্ৰী ওমৰ আব্দুল্লাই কোৱা কথাবোৰে বিশেষ চৰ্চা লাভ কৰিছে। আব্দুল্লাই কয়, যোৱা ২১ বছৰত এনে আক্ৰমণ আমি দেখা নাছিলোঁ। আমি আজি নাজানো মৃতকৰ পৰিয়ালক কেনেকৈ সান্ত্বনা দিব লাগে।

# সংগীতশিল্পী অৰিজিতকে ধৰি কেইবাজনলৈ পদ্ম বঁটা

**নতুন দিল্লী, ২৮:** কলা-সংস্কৃতিৰ সৈতে জৰিত কেইবাজনো বিশিষ্ট লোকক আজি ৰাষ্ট্ৰপতি ভৱনত পদ্ম বঁটাৰে সন্মানিত কৰা হয়। অভিনেতা অজিত কুমাৰ, নন্দমুৰি বালাকৃষ্ণ, অনন্ত নাগ আৰু চলচ্চিত্ৰ নিৰ্মাতা শেখৰ কাপুৰলৈ পদ্মভূষণ আৰু সংগীতশিল্পী অৰিজিত সিং, অভিনেতা অশোক লক্ষ্মণ চৰফ, অভিনয় প্ৰশিক্ষক বেৰী গড্ৰী জন,



গায়িকা জশপ্ৰীত নেৰুলা, কণ্ঠশিল্পী অশ্বিনী ভিড়ে, সংগীত ব্যৱস্থাপক ৰিকি জ্ঞান কেজ, লোকগীতৰ শিল্পী ভেৰু সিং চৌহান, ভক্তিমূলক গায়ক হৰিন্দৰ সিং শ্ৰীনগৰৱালেকে আদিকে ধৰি কেইবাজনো শিল্পীক পদ্মশ্ৰী বঁটা প্ৰদান কৰা হয়। ৰাষ্ট্ৰপতি ভৱনত এক আড়ম্বৰপূৰ্ণ অনুষ্ঠানত ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে বঁটাসমূহ প্ৰদান কৰে।

# ভেৰুৱা স্বৰ্ণজ্যোতি দেওমৰনৈ-টেঙাবাৰী জিলা পৰিসদীয় সমষ্টিত কংগ্ৰেছৰ প্ৰচাৰ তুংগত

**ই-সংবাদ, দুনী, ২৮ এপ্ৰিলঃ** সমাগত পঞ্চায়ত নিৰ্বাচন। পশ্চিম দৰঙত পঞ্চায়ত নিৰ্বাচনৰ প্ৰচাৰ তুংগত উঠিছে। শাসক-বিৰোধী উঠি পৰি লাগিছে ভোটাৰৰ দৃষ্টি আকৰ্ষণ কৰাত। বিভিন্ন দলৰ আৰম্ভ হৈছে নিৰ্বাচনী প্ৰচাৰৰ কুচ-কাৱাজ। নিৰ্বাচনী যুঁজ ক্ৰমাগতভাৱে বৃদ্ধি পাইছে সমষ্টিটোত। ছিপাঝাৰ সমষ্টিৰ দেওমৰনৈ-টেঙাবাৰী জিলা পৰিসদীয় সমষ্টিত ভাৰতীয় জাতীয় কংগ্ৰেছৰ প্ৰাৰ্থীৰ নিৰ্বাচনী প্ৰচাৰ তুংগত উঠিছে। নিৰ্বাচনী যুঁজত পিছ পৰি থকা নাই ছিপাঝাৰ সমষ্টিৰ দেওমৰনৈ-টেঙাবাৰী জিলা পৰিষদৰ ভাৰতীয় জাতীয় কংগ্ৰেছৰ মনোনীত প্ৰাৰ্থী সুৰেন্দ্ৰ চহৰীয়া। ৰাইজৰ ভোটেৰে ক্ষমতাৰ প্ৰতিনিধি হৈ শাসনৰ গাদি দখলৰ বাবে আৰম্ভ হৈছে বোকা চটিটোৰা ৰাজনীতি। আকৰ্যণীয় হৈ পৰিছে নিৰ্বাচনী প্ৰচাৰৰ যুঁজ। দৰং জিলাৰ ছিপাঝাৰ সমষ্টিৰ দেওমৰনৈ-টেঙাবাৰী পৰিসদীয় সমষ্টিত ভাৰতীয় জাতীয় কংগ্ৰেছ দলৰ মনোনীত প্ৰাৰ্থী সুৰেন্দ্ৰ চহৰীয়াৰ বিপৰীতে এজিপি আৰু বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী হেমন্ত কুমাৰ ডেকাই নিৰ্বাচনী যুঁজত অৱতীৰ্ণ হোৱা পৰিলক্ষিত হৈছে। দেওমৰনৈ-টেঙাবাৰী অঞ্চলৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ নিৰ্বাচনী সভাৰ ভাষণত বিৰোধী শূন্য বুলি দেওমৰনৈ-টেঙাবাৰী পৰিসদীয় সমষ্টিৰ অৱতীৰ্ণ প্ৰাৰ্থী হেমন্ত কুমাৰ ডেকাৰ প্ৰত্যুত্তৰত ভাৰতীয় জাতীয় কংগ্ৰেছৰ ১নং দেওমৰনৈ-টেঙাবাৰী সমষ্টিৰ জিলা পৰিষদৰ প্ৰাৰ্থী সুৰেন্দ্ৰ চহৰীয়াই কয় যে বিৰোধী বৰ্তমান যথেষ্ট শক্তিশালী। বিজেপি চৰকাৰে ভীতিগ্ৰস্থ হৈ আবোল-তাবোল বকিবলৈ লৈছে। যদি বিৰোধী শূন্য হয় মুখ্যমন্ত্ৰী, কেবিনেট মন্ত্ৰী আৰু বিধায়কসকলে বিভিন্ন স্থানত সভা-সমিতিত বিৰোধীৰ বিৰুদ্ধে যুঁজ দিয়াৰ কোনো প্ৰয়োজন নাই। আৰু লগতে বেনাৰ পোষ্টাৰ মাৰি দিনে ৰাতি একাকাৰ কৰি নিৰ্বাচনৰ কৰাণে সময়, টকা-পইচাৰ লগতে মন্ত্ৰী-বিধায়কসকলে দিছপুৰত জনসাধাৰণৰ উন্নয়নৰ পৰিকল্পনা নকৰি নিৰ্বাচনী প্ৰচাৰত ভাগ লোৱাৰ কোনো প্ৰয়োজন নাই বুলি ভাৰতীয় জাতীয় কংগ্ৰেছৰ সমৰ্থীত প্ৰাৰ্থীগৰাকীয়ে মন্তব্য কৰে। তেওঁ কংগ্ৰেছ দলৰ প্ৰাৰ্থীগৰাকী ৯৯ শতাংশ জিকিব বুলি দাবী কৰে।



অসম ছাত্ৰ পৰিষদৰ সভাপতি ত্ৰিনয়ন বৰুৱাৰ সৈতে কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল

## উন্নয়নৰ প্ৰতিশ্ৰুতিৰে উজ্জ্বল ভৱিষ্যতৰ আহ্বান

# বৰছলাৰ বিহুগুৰিত মুখ্যমন্ত্ৰীৰ নিৰ্বাচনী প্ৰচাৰ সভা

**ই-সংবাদ, ঢেকীয়াজুলি, ২৮ এপ্ৰিলঃ** বৰছলা সমষ্টিৰ বিহুগুৰিত আজি পঞ্চায়ত নিৰ্বাচনৰ প্ৰচাৰৰ জনসভাত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই ভাৰতীয় জনতা পাৰ্টি(বিজেপি)ৰ প্ৰাৰ্থীসকলৰ সমৰ্থনত প্ৰচাৰ চলাই অসমৰ উন্নয়নৰ এক নতুন দিশৰ প্ৰতিশ্ৰুতি দিয়ে। এই সভাত কেন্দ্ৰীয় মন্ত্ৰী তথা ঢেকিয়াজুলিৰ বিধায়ক অশোক সিংঘাল, শোণিতপুৰ লোকসভাৰ সাংসদ ৰঞ্জিত দত্ত, বিধায়ক কৃষ্ণ কমল তাঁতী, পদ্ম হাজৰিকা, পৃথিৰাজ ৰাভা, প্ৰাক্তন সাংসদ তথা ৰাজ্যিক সাধাৰণ সম্পাদক পল্লৱ লোচন দাসৰ লগতে শোণিতপুৰ জিলা বিজেপিৰ সভানেত্ৰী, বিভিন্ন প্ৰশাসনিক বিষয়া, ৰাজ্যিক, জিলা, মণ্ডল আৰু বুথ পৰ্যায়ৰ কাৰ্যকৰ্তা তথা বৰছলাৰ সাধাৰণ ৰাইজে অংশগ্ৰহণ কৰি সভাখনক এক জনজাগৰণৰ ৰূপ দিয়ে। মুখ্যমন্ত্ৰী শৰ্মাই তেওঁৰ ভাষণত ৰাজ্যত বিজেপি চৰকাৰৰ অধীনত হোৱা উন্নয়নৰ এক বিস্তৃত চিত্ৰ তুলি ধৰি কয় যে কংগ্ৰেছৰ শাসনকালৰ তুলনাত বিজেপিৰ উন্নয়নৰ প্ৰচেষ্টা বহুগুণে উৎকৃষ্ট, কংগ্ৰেছে অসমৰ ৰাইজক লুণ্ডি আৰু সূতাৰ বাহিৰে একো দিব পৰা নাছিল। কিন্তু আমাৰ চৰকাৰে বিভিন্ন আঁচনিৰ জৰিয়তে ৰাজ্যৰ সৰ্বতোপ্ৰকাৰে উন্নয়নৰ বাবে কাম কৰিছে। তেওঁ অৰুণোদয় আঁচনি, শিক্ষাৰ্থীসকলৰ বাবে চাইকেল প্ৰদান, প্ৰজ্ঞান ভাৰতীৰ মাচুল ৰেহাই আদিৰ দৰে জনকল্যাণমূলক পদক্ষেপৰ কথা উল্লেখ কৰি এই আঁচনিসমূহৰ জৰিয়তে গ্ৰামাঞ্চলৰ জনজীৱনৰ উন্নতিৰ কথা উল্লেখ কৰে। মুখ্মন্ত্ৰীয়ে পঞ্চায়ত নিৰ্বাচনৰ গুৰুত্বৰ ওপৰত জোৰ দি কয় যে কেন্দ্ৰ, ৰাজ্য আৰু পঞ্চায়তত বিজেপিৰ চৰকাৰ গঠন হ'লে উন্নয়নৰ গতি আৰু তীব্ৰতৰ হ'ব। আমি যদি তিনিওটা স্তৰতে শাসনৰ দায়িত্ব ল'ব পাৰো, তেন্তে অসমৰ উন্নয়নৰ ধাৰা অধিক দ্ৰুত গতিত আগবাঢ়িব। গ্ৰাম্য পৰ্যায়ত সুশাসনৰ জৰিয়তে আমি প্ৰতিজন ৰাইজৰ জীৱন স্তৰ উন্নত কৰিব পাৰিম। তেওঁ বিশেষকৈ শোণিতপুৰ জিলাৰ উন্নয়নৰ ক্ষেত্ৰত চৰকাৰৰ প্ৰতিশ্ৰুতিৰ কথা পুনৰ স্মৰণ কৰাই, অঞ্চলটোৰ অৱকাঠামোগত উন্নয়ন, শিক্ষা, স্বাস্থ্য আৰু কৃষিৰ ক্ষেত্ৰত কৰা কামৰ বিষয়েও ৰাইজক অৱগত কৰে। সভাত উপস্থিত কেন্দ্ৰীয় মন্ত্ৰী অশোক সিংঘালে মুখ্যমন্ত্ৰীৰ বক্তব্যৰ সমৰ্থন কৰি কয় যে বিজেপি চৰকাৰৰ নেতৃত্বত অসমে উন্নয়নৰ এক নতুন পথত আগবাঢ়িছে। তেওঁ শোণিতপুৰৰ ৰাইজক পঞ্চায়ত নিৰ্বাচনত বিজেপিৰ প্ৰাৰ্থীসকলক সমৰ্থন জনাই গ্ৰাম্য পৰ্যায়ত সুশাসনৰ ধাৰা অব্যাহত ৰখাৰ আহ্বান জনায়। একেদৰে, সাংসদ ৰঞ্জিত দত্তই অঞ্চলটোৰ উন্নয়নৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ বিভিন্ন আঁচনিৰ কথা উল্লেখ কৰি ৰাইজক বিজেপিৰ প্ৰতি আস্থা ৰাখিবলৈ আহ্বান জনায়। মুখ্যমন্ত্ৰীয়ে তেওঁৰ ভাষণত ৰাজ্য চৰকাৰৰ অৰুণোদয় আঁচনিৰ কথা বিশেষভাৱে উল্লেখ কৰে, যি আঁচনিৰ জৰিয়তে ২৭ লাখ হিতাধিকাৰীলৈ আৰ্থিক সাহায্য প্ৰদান কৰা হৈছে। তেওঁ ঘোষণা কৰে যে পঞ্চায়ত নিৰ্বাচনৰ পূৰ্বে এই আঁচনিৰ হিতাধিকাৰীৰ সংখ্যা ৩৯ লাখলৈ বৃদ্ধি কৰাৰ লক্ষ্য লোৱা হৈছে। তেওঁ কয় যে আমাৰ লক্ষ্য হৈছে প্ৰতিজন অসমবাসী ৰাইজৰ হাতত উন্নয়নৰ সুফল পোৱা। অৰুণোদয় আঁচনি আমাৰ এই প্ৰতিশ্ৰুতিৰ এক জীৱন্ত প্ৰমাণ। ইয়াৰ উপৰি, তেওঁ শিক্ষাৰ্থীসকলৰ বাবে প্ৰজ্ঞান ভাৰতীৰ মাচুল ৰেহাইৰ জৰিয়তে ৯৪,৮৩৮ গৰাকী ছাত্ৰ-ছাত্ৰীৰ মাজত ৬৮.৪৪ কোটি টকা বিতৰণৰ কথা উল্লেখ কৰি এই পদক্ষেপৰ জৰিয়তে শিক্ষাৰ ক্ষেত্ৰত বিজেপিৰ অৱিহণাৰ কথাও জনায়। সভাত মুখ্যমন্ত্ৰীয়ে বৰছলাৰ ৰাইজৰ সৈতে প্ৰত্যক্ষভাৱে সংযোগ স্থাপন কৰি তেওঁলোকৰ সমস্যা আৰু প্ৰত্যাশাৰ বিষয়ে শুনাৰ সুযোগ লাভ কৰে। তেওঁ স্থানীয় অৱকাঠামো, পানী যোগান, বিদ্যুৎ আৰু স্বাস্থ্যসেৱাৰ ক্ষেত্ৰত চৰকাৰৰ প্ৰচেষ্টাৰ কথা উল্লেখ কৰি এই সকলোবোৰ ক্ষেত্ৰত আৰু অধিক উন্নতিৰ প্ৰতিশ্ৰুতি দিয়ে। তেওঁ বক্তব্যত স্পষ্টকৈ কয় যে বিজেপিৰ লক্ষ্য হৈছে গ্ৰাম্য পৰ্যায়ত সুশাসনৰ জৰিয়তে ৰাইজৰ জীৱন স্তৰ উন্নত কৰা। বিজেপিৰ প্ৰচাৰৰ এই সভাই বৰছলাৰ ৰাজনৈতিক পৰিৱেশত এক নতুন গতি সঞ্চাৰ কৰিব।

# পাকাবেতবাৰীত ৩সন্তানৰ পিতৃ নামিল পঞ্চায়ত নিৰ্বাচনত

**ই-সংবাদ বিশেষ, কলগাছিয়া, ২৮ এপ্ৰিলঃ** বৰপেটা জিলাৰ পাকাবেতবাৰী বিধানসভা সমষ্টিৰ অন্তৰ্গত ৩৪ নং হালধীয়া-টেঙাগাও পঞ্চায়তত ঘুগুবাৰী গাঁৱৰ ৰফিকুল ইছলাম(কাঠু) নামৰ যুৱকজনে আঞ্চলিক সদস্য পদত নিৰ্দলীয় প্ৰাৰ্থী হিচাপে প্ৰতিদ্বন্দ্বিতা কৰিছে। নিৰ্বাচনী আয়োগৰ গাইড লাইন অনুসৰি ৩ সন্তান থকা কোনো ব্যক্তিয়ে পঞ্চায়ত নিৰ্বাচনত অংশ গ্ৰহণ কৰিব নোৱাৰে যদিও ৰফিকুল ইছলামে ৩ সন্তনৰ পিতৃ হৈও কেনেকৈ মনোনয়ন পত্ৰ দাখিল কৰিলে, তাকেলৈ ভোটাৰ ৰাইজৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। এইক্ষেত্ৰত তদন্তৰ জৰিয়তে বিহিত ব্যৱস্থা গ্ৰহণ কৰিবলৈ হালধীয়া টেঙাগাঁও পঞ্চায়তৰ অন্তৰ্গত ৰাইজে বৰপেটা জিলা আয়ুক্তক এখন অভিযোগ নামা দাখিল কৰিছে। এতিয়া জিলা নিৰ্বাচন আয়োগে কি ব্যৱস্থা গ্ৰহণ কৰে সেয়া হ'ব লক্ষণীয়।

Nucleomed- পেটচিটি স্কেন / PETCT Scan- 970701223

## মণিপুৰৰ উগ্ৰপন্থী পশ্চিম যোৰহাটত আটক

**ই-সংবাদ, পশ্চিম যোৰহাট, ২৮ এপ্ৰিলঃ** যোৰহাট পুলিবৰ থানাৰ আৰক্ষীয়ে পৰহি নিশা তিলিকিআম বেজগাঁৱৰ জয়ন্ত বৰাৰ ঘৰৰ পৰা মণিপুৰৰ উগ্ৰপন্থী এজনক আটক কৰে। ঘটনাৰ বিৱৰণী মতে, জয়ন্ত বৰাৰ সৈতে উক্ত উগ্ৰপন্থীজনৰ ২০০৯ চনৰ পৰা চিনা-পৰিচয় আছিল। সেই সূত্ৰে তেওঁ জয়ন্ত বৰাৰ ঘৰত আশ্ৰয় লৈ থাকোঁতে গোপন খবৰৰ ভিত্তিত পুলিবৰ থানাৰ আৰক্ষীয়ে উগ্ৰপন্থীজনক আটক কৰিবলৈ সক্ষম হয়। আজি আদালতত হাজিৰ কৰাই পুলিবৰ থানাৰ আৰক্ষীয়ে উগ্ৰপন্থীজনক নিজৰ জিম্মাত লৈছে আৰু সোধা-পোছাৰ বাবে আশ্ৰয়দাতা জয়ন্ত বৰাকো পুলিবৰ থানাৰ আৰক্ষীয়ে আটক কৰিছে।

## চাবুৱাত খাৰুৱা তেলৰ বৃহৎ চোৰাং বেহা উৎখাত

**ই-সংবাদ, চাবুৱা-লাহোৱাল, ২৮ এপ্ৰিলঃ** বৃহত্তৰ চাবুৱা অঞ্চলত অব্যাহত আছে খাৰুৱা তেলৰ ৰমৰমীয়া চোৰাং ব্যৱসায়। চাবুৱাত তেনে চোৰাং ব্যৱসায়ৰ তথ্য পোহৰলৈ আহিছে। কিছু অসাধু ব্যৱসায়ীয়ে এনে অপৰাধজনিত কামত জড়িত হোৱা ঘটনাই অঞ্চলটোত চাঞ্চল্যই বিৰাজ কৰিছে। আজি পুৱতি নিশা বিন্ধাকটা আৰক্ষী চকীৰ অন্তৰ্গত বালিজান পুখুৰীজান চাহ বাগিচাৰ অন্তঃভাগত শ শ লিটাৰৰ খাৰুৱা তেল অবৈধভাৱে উলিয়াই থকা অৱস্থাত ধৰা পেলাবলৈ সক্ষম হৈছে আৰক্ষী আৰু অইল নিৰাপত্তাৰক্ষী। চাবুৱাৰ পুখুৰীজানত বৃহৎ পৰিমাণৰ খাৰুৱা তেল পাইপৰ পৰা চুৰি কৰা তথ্যৰ ভিত্তিত অভিযান চলাই চোৰে বিশেষ পদ্ধতিৰে অইলৰ পাইপৰ পৰা ফুটা কৰি তেল চুৰি কাৰ্যত ব্যৱহাৰ কৰা প্ৰায় ২০০০ মিটাৰ পাইপ উদ্ধাৰ কৰিছে আৰক্ষী আৰু অইল নিৰাপত্তাৰক্ষীয়ে। তদুপৰি প্ৰায় ১৫০০ লিটাৰ কনডেনছেট অইল জব্দ কৰিবলৈ সক্ষম হয় আৰক্ষী আৰু অইল নিৰাপত্তৰক্ষী। আৰক্ষী আৰু নিৰাপত্তাৰক্ষীয়ে এজন ব্যক্তিক আটক কৰাৰ লগতে আন দুজন ব্যক্তি পলাতক হৈ আছে। আটক কৰা ব্যক্তিজনৰ নাম পানীতোলাৰ ৰণজিৎ বৰা। আন দুজন ব্যক্তি ক্ৰমে বুবু আৰু জান্টুক আটক কৰিবলৈ আৰক্ষীয়ে অনুসন্ধান অব্যাহত ৰাখিছে। ইতিমধ্যে বিন্ধাকটা আৰক্ষী চকীত ৩২/২৫ Under Section ৩০৫(e) BNS ২০২৩RW ধাৰাত অপৰাধীৰ বিৰুদ্ধে গোচৰ ৰুজু কৰা হৈছে।

আল্ফা বিষ্ট্ নিউট্ৰিচন
ALPHA BEAST NUTRITION
(TRUSTED SOURCE FOR NUTRITION)
Your One-Stop Supplement Store
All Genuine Supplement, Fitness Clothing & GYM Accessories
+91 99540 31090 Alpha Beast Nutrition nutrition.alphabeast
Kabita Mansion, 1st floor, Opp. Gauhati Commerce College, Rajgarh Link Road, No.1 Ghy-03, Assam

# কলগাছিয়াৰ তিতাপানীত ট্ৰেক্টৰ দুৰ্ঘটনাত পাঁচ বছৰীয়া শিশুৰ কৰুণ মৃত্যু

**ই-সংবাদ, কলগাছিয়া, ২৮ এপ্ৰিলঃ** কলগাছিয়া থানাৰ অন্তৰ্গত তিতাপানী গাঁৱত দেওবাৰে সন্ধিয়াত মাকে কঢ়িয়াই নিয়া ট্ৰেক্টৰৰ খুন্দাত এটি কণমানি পাঁচ বছৰীয়া শিশুৰ করুণ মৃত্যু হোৱাত অঞ্চলব্যাপী শোকৰ ছাঁ বিৰাজ কৰিছে। জানিব পৰা মতে, গাঁওখনৰ আব্দুৰ ৰছিদৰ মাকে কঢ়িয়াই নিয়া AS 15AC 5383 নম্বৰ ট্ৰেক্টৰৰ চালক বাছেদ আলীয়ে ট্ৰেক্টৰখন চলোৱা সময়ত তিতাপানী গাঁৱৰ ৰবিয়াল ইছলামৰ কণমানি পুত্ৰ ৰাকিবুল ইছলাম (৫) দুৰ্ঘটনাগ্ৰস্ত হয়। ফলত শিশুটি গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হয় আৰু স্থানীয় ৰাইজে তৎক্ষণাৎ চেনিমাৰী ক্ষুদ্ৰ প্ৰাথমিক চিকিৎসালয়ত ভৰ্তি কৰে যদিও চিকিৎসকে মৃত ঘোষণা কৰে। শিশুটিৰ অকাল মৃত্যুত অঞ্চলটোত শোকৰ ছাঁ বিৰাজ কৰাৰ লগতে পৰিয়ালৰ লোক কান্দোনত ভাগি পৰিছে। ঘটনা সংঘটিত হোৱাৰ পিছত কলগাছিয়া আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে যদিও ট্ৰেক্টৰ চালক বাছেদ আলীয়ে পলায়ন কৰিছে বুলি জানিব পৰা গৈছে।

# বৰপেটাৰোডত নিৰ্বাচনী সংঘাত

**ই-সংবাদ, বৰপেটাৰোড, ২৮এপ্ৰিলঃ** পঞ্চায়ত নিৰ্বাচন যিমানেই কাষ চাপি আহিছে সিমানেই গৰম হৈ পৰিছে নিৰ্বাচনী বতাহ, লগে লগে ঠায়ে ঠায়ে নিৰ্বাচনকেন্দ্ৰিক সংঘাতৰ সৃষ্টি হোৱা দেখা গৈছে। তেনে এক ঘটনা দেওবাৰে নিশা সংঘটিত হয় বৰপেটাৰোডৰ সমীপৰ নিজ দমকাত। বৰপেটাৰোডৰ বগৰিগুৰিত অনুষ্ঠিত জিলা পৰিষদৰ নিৰ্বাচনী প্ৰচাৰৰ পৰা ওভতাৰ সময়তে নিশা বৰপেটাৰোডৰ সমীপৰ নিজ দমকাত অচিনাক্ত দুৰ্বৃত্তই আক্ৰমণ কৰে বৰপেটা জিলা বিজেপিৰৰ এছ চি মৰ্চাৰ বৰপেটা জিলাৰ উপ-সভাপতি পিন্টু ৰয়ক। বাইকেৰে আহি থকা পিন্টু ৰয়ক প্ৰথম অৱস্থাত চাৰিচকীয়া বাহনেৰে অহা ১০-১২ জনীয়া দল এটাই পৰিচয় সোধে আৰু পিছত বিয়েৰৰ বটল, চোকা অস্ত্ৰৰে আক্ৰমণ কৰে। কালি বগৰিগুৰিত মন্ত্ৰী জয়ন্তমল্ল বৰুৱাৰ নিৰ্বাচনী প্ৰচাৰত অংশগ্ৰহণ কৰি নিশা উভতি অহাৰ সময়তেই পিন্টু ৰয় আৰু গোবিন্দ ক্ষত্ৰিয়ক উপৰ্যুপৰি আক্ৰমণ কৰে। এই আক্ৰমণত গুৰুতৰভাৱে আহত হয় বৰপেটা জিলা বিজেপিৰ এছ চি মৰ্চাৰ বৰপেটা জিলাৰ উপ-সভাপতি পিন্টু ৰয়। ইতিমধ্যে বৰপেটাৰোড আৰক্ষী আৰু সৰভোগ থানাত এজাহাৰ দাখিল কৰে ভুক্তভোগী পৰিয়ালে।

# ছেৰাগুৰিত ডায়েৰীয়া সদৃশ ৰোগৰ প্ৰাদুৰ্ভাৱ, দুগৰাকীৰ মৃত্যু

**ই-সংবাদ, সৰুপথাৰ, ২৮ এপ্ৰিলঃ** সৰুপথাৰ সমজিলাৰ অন্তৰ্গত ছেৰাগুৰিৰ ঔটেঙা তল চুবুৰিত ডায়েৰীয়াসদৃশ ৰোগত বহু লোক আক্ৰান্ত হোৱাৰ লগতে দুগৰাকী মহিলা মৃত্যুমুখত পৰাৰ বাতৰি পোৱা গৈছে। জানিব পৰা মতে চাৰিদিন মান পূৰ্বে গাঁওখনৰ একাংশ লোক তেনে ৰোগত আক্ৰান্ত হৈ সৰুপথাৰ আৰু গোলাঘাটত চিকিৎসাধীন হয়। চাৰিদিন পূৰ্বে ৰুফিনা কৰ্মকাৰ নামৰ মহিলাগৰাকীৰ উক্ত ৰোগত মৃত্যু হোৱাৰ পিছত কালি পুনৰ চিকিৎসাধীন অৱস্থাত পূৰ্ণিমা কেৰ্কেটা (৪২) নামৰ ৰোগীগৰাকীৰ মৃত্যু হয়। তদুপৰি চিকিৎসাধীন অৱস্থাত থকা গাঁওখনৰ আন ব্যক্তিসকল হৈছে ক্ৰমে কৃষ্টিনা কেৰ্কেটা, কিলিমান কেৰ্কেটা, মেথিউ কৰ্মকাৰ, চয়নিকা মালাৰ, পল কেৰ্কেটা, সংগীতা মালাৰ, সীমন মালাৰ আৰু পিত্ৰোচ কেৰ্কেটা। উল্লেখ্য যে বিগত প্ৰায় চাৰিদিন ধৰি গাঁওখনত উক্ত ৰোগবিধে দেখা দিছে যদিও তাৰ অন্তৰালত থকা কাৰণ বৰ্তমান পৰ্যন্ত স্থিৰ কৰিব পৰা হোৱা নাই। ইতিমধ্যে গাঁওখনত স্বাস্থ্য বিভাগে স্বাস্থ্য পৰীক্ষা শিবিৰ অনুষ্ঠিত কৰিছে। স্থানীয় বিধায়ক বিশ্বজিৎ ফুকনেও শেহতীয়া ঘটনাৰ বুজ লৈছে।

# অৰৰা ছাত্ৰ সমাজৰ বিক্ষোভ কাৰ্যসূচী

**ই-সংবাদ, বাঁহজানী, ২৮ এপ্ৰিলঃ** অৰৰা ছাত্ৰ সমাজৰ উদ্যোগত যোৱা ২২ এপ্ৰিলত জম্মু কাশ্মীৰৰ পেহেলগামত সংঘটিত হোৱা সন্ত্ৰাসবাদীৰ নিষ্ঠুৰ আক্ৰমণৰ ফলত প্ৰাণ হেৰুওৱা নিৰীহ লোকসকলৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জনোৱাৰ লগতে আহতসকলৰ আশু আৰোগ্য কামনা কৰি আজি অৰৰা জয়পালথান হৰিমন্দিৰ প্ৰাংগণত হাতে হাতে সন্ত্ৰাসবাদী নিপাত যাওক, মৌলবাদী হুচিয়াৰ আদি প্লে-কাৰ্ড হাতত লৈ এক বিক্ষোভ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। অৰৰা ছাত্ৰ সমাজৰ বিষয়ববীয়া সঞ্জু বৰ্মনে আঁত ধৰা অনুষ্ঠানটোত এনে ঘটনাৰ যাতে পুনৰাবৃত্তি নহয় তাৰ বাবে চৰকাৰক দাবী জনোৱাৰ লগতে দোষীক কঠোৰতকৈ কঠোৰ শাস্তি প্ৰদানৰ দাবী জনায়। সন্ধিয়াৰ ভাগত অৰৰা জয়পালথান প্ৰাংগণত বন্তি প্ৰজ্বলন কৰি ১ মিনিট মৌন প্ৰাৰ্থনা কৰা হয়। আজিৰ অনুষ্ঠানটোত অৰৰা ছাত্ৰ সমাজৰ বিষয়ববীয়া জিণ্টু কলিতা আৰু কৃষাণু কলিতাই বক্তব্য আগবঢ়ায়। আজিৰ অনুষ্ঠানটোত অৰৰা ছাত্ৰ সমাজৰ বিষয়ববীয়া সূৰজ মহন্ত, পল্লৱ বৰ্মনৰ লগতে স্থানীয় ৰাইজ উপস্থিত থাকি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে।

# সমন্বয় পুথিভঁৰালৰ ষষ্ঠদশ বৰ্ষপূৰ্তি পালন 'কলৰৱ' উন্মোচন, নাটক মঞ্চস্থ

**ই-সংবাদ, চামতা, ২৮ এপ্ৰিলঃ** অধ্যয়ন, সংস্কৃতি আৰু সমন্বয়ে ৰূপান্তৰৰ পাতনি মেলে- এই মূলমন্ত্ৰৰে ২০০৮ চনত প্ৰতিষ্ঠিত পশ্চিম নলবাৰীৰ অন্যতম বৌদ্ধিক, সাংস্কৃতিক অনুষ্ঠান, বিহামপুৰস্থিত সমন্বয় পুথিভঁৰালৰ ষষ্ঠদশ বৰ্ষপূৰ্তি কালি দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হয়। পুৱাৰ ভাগত পতাকা উত্তোলন কৰে পুথিভঁৰালৰ মুখ্য উপদেষ্টা শিল্পী উমেশ দত্তই। গছপুলি ৰোপণ কৰে জনতা হাইস্কুলৰ প্ৰধান শিক্ষক লতিফুৰ ৰহমান, অসমী হাইস্কুলৰ প্ৰধান শিক্ষক ৰঞ্জিত বৰ্মন আৰু প্ৰধান শিক্ষক তথা নাট্য শিল্পী ফাইজুৰ ৰহমানে। ১০.৩০ বজাত ষষ্ঠ শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণী পৰ্যন্ত অধ্যয়নৰত ছাত্ৰ-ছাত্ৰীৰ মাজত ধ্ৰুৱজ্যোতি ডেকাৰ পৰিচালনাত কুইজ প্ৰতিযোগিতা অনুষ্ঠিত হয়। ইয়াৰ পিছতে অনুষ্ঠিত হয় পুথিভঁৰালৰ শ্ৰেষ্ঠ পঢ়ুৱৈ বাছনি প্ৰতিযোগিতা। এই প্ৰতিযোগিতাত বিচাৰকৰ ভূমিকা পালন কৰে শিক্ষক ভূমিধৰ তালুকদাৰ, শিক্ষয়িত্ৰী চন্দামিতা গোস্বামী আৰু সাগৰিকা কলিতাই। বিয়লিৰ ভাগত অনুষ্ঠিত হয় পুথিভঁৰাললৈ গ্ৰন্থ আৰু অন্যান্য সামগ্ৰীৰ দাতা আৰু শুভাকাংক্ষীৰ সৈতে অন্তৰংগ আলাপ। অনুষ্ঠানটি সঞ্চালনা কৰে পুথিভঁৰালৰ সভাপতি, বিশিষ্ট কথাশিল্পী ড০ জয়ন্ত কুমাৰ চক্ৰৱৰ্তীয়ে। অনুষ্ঠানত অংশগ্ৰহণ কৰে কামৰূপ মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ কবিতা চৌধুৰী, অৱসৰপ্ৰাপ্ত শিক্ষক তথা সাহিত্যসেৱী দামোদৰ কলিতা, অৱসৰপ্ৰাপ্ত খণ্ড উন্নয়ন বিষয়া ইছলামুদ্দিন আহমেদ আৰু অৱসৰপ্ৰাপ্ত অধ্যক্ষ তথা সাহিত্যসেৱী মঞ্জু মজুমদাৰ বৰ্মন আৰু অৱসৰপ্ৰাপ্ত শিক্ষক তথা সাহিত্যসেৱী নুৰবক্স আলীয়ে। সন্ধিয়া ৬ বজাত তাজিমুদ্দিন আহমেদ সোঁৱৰণী সমন্বয় সন্ধিয়া উদ্বোধন কৰে কামৰূপ মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপিকা ড০ ছাইকী তালুকদাৰে। ৰাষ্ট্ৰীয় বঁটা প্ৰাপক শিক্ষক তাজিমুদ্দিন আহমেদৰ স্মৃতিচাৰণ কৰি বক্তব্য আগবঢ়ায় বিশিষ্ট সমাজকৰ্মী কনক পাঠকে। পুথিভঁৰালৰ শিশু আলোচনী 'কলৰৱ' উন্মোচন কৰে টংলা মহাবিদ্যালয়ৰ অৱসৰী উপাধ্যক্ষা অঞ্জলী চক্ৰৱৰ্তীয়ে। অনুষ্ঠানত নিমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকে চি.এফ.এম.এলৰ ক্ষেত্ৰ প্ৰবন্ধক কন্দৰ্প কলিতা আৰু বিশিষ্ট ছাত্ৰ নেতা নিৰুজ উদ্দিন আহমেদ, অধ্যাপক ড০ ভবেন কাকতি। সন্ধিয়া ৭ বজাত অনুষ্ঠিত স্থানীয় উদীয়মান শিল্পীৰ সৈতে চা-চিনাকি, আলাপ তথা সাংস্কৃতিক অনুষ্ঠানত ৰাষ্ট্ৰীয় পুৰস্কাৰপ্ৰাপ্ত তথ্যচিত্ৰ নিৰ্মাতা গুঞ্জন শৰ্মা, ৰাষ্ট্ৰীয় জলপানি প্ৰাপ্ত বাঁহীবাদক নিবিড় দেৱশৰ্মা আৰু হৃদয়জিত শৰ্মাই অংশগ্ৰহণ কৰে। নিশা ৮ বজাত অনুষ্ঠিত হয় সমন্বয় সুৰ সমদলৰ শিল্পীসকলৰ দ্বাৰা গীত আৰু নৃত্যৰ বৰ্ণাঢ্য অনুষ্ঠান। অনুষ্ঠানটি পৰিচালনা কৰে অসম চৰকাৰৰ শিল্পী পেঞ্চনপ্ৰাপ্ত বিশিষ্ট সংগীত শিল্পী উমেশ দত্তই। আঁত ধৰে পুথিভঁৰালৰ মুখ্য সম্পাদক আবেদুৰ ৰহমান আৰু কাৰ্যকৰী সভাপতি নুৰুল ইছলামে। অংশগ্ৰহণ কৰে সন্তোষ চক্ৰৱৰ্তী, প্ৰদীপ ডেকা, সংগীতা তালুকদাৰ ৰহমানে। 'আবেলিৰ চোতালৰ ধেমালি' আৰু 'নিংনা' শীৰ্ষক দুখন চুটি নাট মঞ্চস্থ কৰে সমন্বয় পুথিভঁৰালৰ শিশু শিল্পীসকলে। বৰ্ষপূৰ্তি অনুষ্ঠানটি সাফল্যমণ্ডিত কৰি তোলাৰ বাবে সমন্বয় পুথিভঁৰাল কতৃপক্ষই উপস্থিত ৰাইজক ধন্যবাদ তথা কৃতজ্ঞতা জ্ঞাপন কৰিছে।

# নলবাৰীত কংগ্ৰেছৰ বিজয় তালুকদাৰ, অনিতা দাসৰ প্ৰচাৰ

**ই-সংবাদ ব্যুৰ', নলবাৰী, ২৮ এপ্ৰিলঃ** নলবাৰী সমষ্টিৰ ঘগ্ৰাপাৰ জিলা পৰিষদ সমষ্টিত পঞ্চায়ত নিৰ্বাচনক লৈ বলিছে গৰম বতাহ। নিৰ্বাচনী প্ৰচাৰত পিছ পৰি থকা নাই নলবাৰী সমষ্টিৰ ঘগ্ৰাপাৰ জিলা পৰিষদৰ কংগ্ৰেছ প্ৰাৰ্থী বিজয় কুমাৰ তালুকদাৰ, ঘগ্ৰাপাৰ গাঁও পঞ্চায়তৰ আঞ্চলিক পঞ্চায়তৰ সদস্যা পদৰ কংগ্ৰেছৰ প্ৰাৰ্থী অনিতা তালুকদাৰ আৰু নাৰিকুছি ৱাৰ্ডৰ কংগ্ৰেছৰ প্ৰাৰ্থী বিউটি নাজমিন। বৃহৎ সংখ্যক কৰ্মী-সমৰ্থকক লগত লৈ আজি কংগ্ৰেছ দলৰ প্ৰাৰ্থী তিনিগৰাকীয়ে নাৰিকুছি গাঁৱৰ নোনাপাৰ চুবুৰীৰ সংখ্যালঘু ভোটাৰ ৰাইজৰ ঘৰে ঘৰে গৈ নিৰ্বাচনী প্ৰচাৰ চলোৱাৰ লগতে ভোট ভিক্ষা বিচাৰে। লগতে উক্ত চুবুৰীত এখন নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰি জিলা পৰিষদৰ প্ৰাৰ্থী বিজয় কুমাৰ তালুকদাৰে নিজৰ ভাষণত কয় যে বিজেপি চৰকাৰে জনতাক চামুচেৰে দি বেলচা মাৰি ৰাইজৰ পৰা লৈ গৈ আছে। প্ৰাৰ্থীগৰাকীয়ে বিজেপি চৰকাৰে এফালে আঁচনি দিছে, আনফালে মূল্যবৃদ্ধিৰে ৰাইজক জুৰুলা কৰিছে বুলি উল্লেখ কৰি সংখ্যালঘু ৰাইজক বিজেপি চৰকাৰে বিভিন্ন প্ৰতাৰণা আৰু বঞ্চিত কৰি আহিছে বুলি অভিযোগ কৰে। তেওঁ লগতে ভাষণ কয় যে বিজেপি চৰকাৰৰ দিনত প্ৰতিদিনে নিত্য ব্যৱহাৰ্য সামগ্ৰীৰ মূল্যবৃদ্ধি, ৰন্ধন গেচৰ মূল্যবৃদ্ধিয়ে জুৰুলা কৰিছে সৰ্বসাধাৰণ জনতাক। ইফালে, তেওঁ মোৰ প্ৰতিদ্বন্দ্বি বুলি কোনো নাই, মোৰ জয় নিশ্চিত, বিজেপিৰ মিছা প্ৰলোভন, ভয়-ভাবুকি ৰাইজে বুজি পাইছে বুলিও সদৰি কৰে। নিৰ্বাচনী সভাখনত সংখ্যালঘু বসতিপ্ৰাধন চুবুৰীটোৰ পাঁচ শতাধিক লোকে অংশগ্ৰহণ কৰে।

## অভয়াপুৰীত পৰ্যবেক্ষকৰ সৈতে সমজিলা আয়ুক্তৰ নিৰ্বাচনৰ কাম-কাজ পৰ্যবেক্ষণ

**ই-সংবাদ, অভয়াপুৰী, ২৮ এপ্ৰিলঃ** অভয়াপুৰী সমজিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত আজি নিৰ্বাচনী পৰ্যবেক্ষক তেজ প্ৰসাদ ভূষালে পঞ্চায়ত নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত পৰিবহন কোষৰ বিষয়া-কৰ্মচাৰীৰ লগত এখন আলোচনা সভাত মিলিত হয়। উক্ত আলোচনা কালত তেওঁ নিৰ্বাচনী প্ৰক্ৰিয়া যাতে সুচাৰুৰূপে পৰিচালিত হয় তাৰ ওপৰত বিশদভাৱে আলোচনা কৰে। কালি নিৰ্বিচনী পৰ্যবেক্ষকগৰাকীয়ে কেবাটাও ভোটগ্ৰহণ কেন্দ্ৰ পৰিদৰ্শন কৰি প্ৰত্যক্ষ কৰা পৰিস্থিতিৰ ক্ষেত্ৰত কয় যে ভোটগ্ৰহণ কেন্দ্ৰসমূহলৈ ভোটগ্ৰহণৰ দায়িত্বত যোৱা বিষয়া-কৰ্মচাৰীসকলে অহা- যোৱা কৰোঁতে যাতে অলপো অসুবিধা নাপায় তাৰ ওপৰত নজৰ দিবৰ বাবে প্ৰশাসনক পৰামৰ্শ দিয়ে। তেওঁ ভোটগ্ৰহণ কেন্দ্ৰসমূহত গৈ বিষয়া-কৰ্মচাৰীসকলে যাতে বিজুলী-বাতি আৰু শৌচালয়ৰ সুবিধা লাভ কৰাৰ লগতে নিশা থকাৰ ক্ষেত্ৰত যাতে অসুবিধাৰ সন্মুখীন নহয় তাৰ প্ৰতি চোকা নজৰ দিবলৈ প্ৰশাসনক পৰামৰ্শ আগবঢ়ায়। ইপিনে, আজি অভয়াপুৰী সমজিলা আয়ুক্তৰ সভাকক্ষত অভয়াপুৰী সমজিলাৰ পৰ্যবেক্ষক তেজ প্ৰসাদ ভূষালৰ সভাপতিত্বত জিলা পৰিষদ আৰু আঞ্চলিক পঞ্চায়তৰ প্ৰাৰ্থীসকলৰ মাজতো এখন সভা অনুষ্ঠিত হয়। উক্ত সভাত পৰ্যবেক্ষকগৰাকীয়ে নিৰ্বাচনী আচৰণ বিধিসমূহৰ ওপৰত বিতংভাৱে আলোচনা কৰে আৰু প্ৰাৰ্থীসকলক নিৰ্বাচনী আচৰণ বিধি উলংঘা নকৰিবলৈ আহ্বান জনায়। পৰ্যবেক্ষকগৰাকীয়ে জিলা পৰিষদ আৰু আঞ্চলিক পঞ্চায়তৰ প্ৰাৰ্থীসকলৰ ব্যয় হিচাপ সম্পৰ্কেও আলোচনা কৰে। পৰ্যবেক্ষকগৰাকীয়ে প্ৰাৰ্থীসকলক নিৰ্বাচন আয়োগে নিৰ্ধাৰণ কৰি দিয়া হিচাপ মতে ব্যয় কৰিবলৈ আহ্বান জনায়। উক্ত সভাত সমজিলা আয়ুক্তৰ লগতে সহকাৰী আয়ুক্তসকল উপস্থিত থাকে। আনহাতে, পৰ্যবেক্ষকগৰাকীয়ে কালি আবৰ্ত ভৱনত সমজিলা আয়ুক্ত, সহকাৰী আয়ুক্তসকল, নিৰ্বাচনৰ লগত জড়িত বিষয়া, জোনেল আৰু ছেক্টৰ বিষয়াৰ সৈতে এক সভাত মিলিত হৈ অভয়াপুৰী সমজিলাৰ আগন্তুক পঞ্চায়ত নিৰ্বাচনৰ কাম-কাজৰ পৰ্যালোচনা কৰে।



জাগীৰোডৰ নিৰ্বাচনী প্ৰচাৰ সভাত মন্ত্ৰী পীযুষ হাজৰিকা

Nucleomed- পেটচিটি স্কেন / PETCT Scan- 970701223

# মেহেবুব মুক্তাৰৰ নেতৃত্বত মৈৰাবাৰীৰ চুকে কোণে ৰাইজৰ দলৰ নিৰ্বাচনী প্ৰচাৰ

**ই-সংবাদ, মৈৰাবাৰী, ২৮ এপ্ৰিলঃ** ৰাজ্যজুৰি বলিছে পঞ্চায়ত নিৰ্বাচনৰ বতাহ। কংগ্ৰেছ, মিত্ৰজোঁট এজিপি-বিজেপি, এআইইউডিএফ, তৃণমূল কংগ্ৰেছ, সকলো দলেই জিলা পৰিষদ আৰু আঞ্চলিক পঞ্চায়তত প্ৰক্ষেপ কৰিছে নিজৰ নিজৰ দলীয় প্ৰাৰ্থী। পিছপৰি থকা নাই পঞ্চায়ত নিৰ্বাচনত প্ৰথমবাৰ প্ৰতিদ্বন্দ্বিতা কৰা ৰাইজৰ দলো। ৰাইজৰ দলে প্ৰাৰ্থিত্ব আগবঢ়োৱা মৰিগাঁও জিলাৰ ৫০ নং মৈৰাবাৰী গাঁও পঞ্চায়তৰ আঞ্চলিক আৰু জিলা পৰিষদ ৰাইজৰ মাজত বিশেষভাৱে চৰ্চিত হোৱা পৰিলক্ষিত হৈছে। কিয়নো ৰাইজৰ দলৰ মুৰব্বী অখিল গগৈৰ প্ৰতি মোহিত হৈ দলটোৰ মুখপাত্ৰ নেতা মেহেবুব মুক্তাৰৰ নেতৃত্বত দলে বলে ৰাইজৰ দলত যোগদানৰ সোঁত বৈছে ভোটাৰসকলৰ লগতে অন্যান্য নেতা-কৰ্মীসকলৰ। বৃহত্তৰ মৈৰাবাৰী অঞ্চলত বিশেষকৈ চৰ্চা লাভ কৰিছে মৈৰাবাৰী আঞ্চলিক পঞ্চায়তৰ সদস্যা পদৰ প্ৰাৰ্থী তছলিমা নাছৰিন আৰু জিলা পৰিষদৰ প্ৰাৰ্থী মাছুকা আহমেদে। পূৰ্বৰ ধিং তথা বৰ্তমানৰ লাহৰিঘাট সমষ্টিত অন্তৰ্ভুক্ত হোৱা মৈৰাবাৰী আঞ্চলিক পঞ্চায়তৰ সদস্যা পদৰ প্ৰাৰ্থীগৰাকী ভোটাৰ ৰাইজৰ মাজত বিপুল জনপ্ৰিয় হোৱা পৰিলক্ষিত হৈছে। পশ্চিম মৈৰাবাৰীৰ বাসিন্দা আনিছ আহমেদৰ পত্নী তছলিমা নাছৰিনক দলটোৰ পৰা প্ৰাৰ্থিত্ব আগবঢ়োৱাত উৎফুল্লিত হৈ পৰিছে অঞ্চলটোৰ ভোটাৰ ৰাইজ। আনহাতে, জিলা পৰিষদৰ প্ৰাৰ্থী মাছুকা আহমেদৰ স্বামী ইক্ৰামুল হকে মাত্ৰ কেইদিনমান আগলৈকে সক্ৰিয় কংগ্ৰেছ নেতা হিচাপে দলীয় কাম-কাজ চলাই গৈ প্ৰাৰ্থী ঘোষণা হোৱাৰ কেইঘণ্টামান পূৰ্বে কংগ্ৰেছ ত্যাগ কৰি তেওঁৰ পত্নীৰ বাবে ৰাইজৰ দলৰ পৰা জিলা পৰিষদৰ প্ৰাৰ্থিত্ব লৈ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা আগবঢ়ায়। প্ৰাৰ্থী দুগৰাকীৰ অভিভাৱক হিচাপে অঞ্চলটোৰ ৰাইজৰ দলৰ জনপ্ৰিয় নেতা মেহেবুব মুক্তাৰে প্ৰাৰ্থী দুগৰাকীক কাষত লৈ মৈৰাবাৰীৰ বিভিন্ন ৱাৰ্ডে ৱাৰ্ডে গৈ নিৰ্বাচনী প্ৰচাৰ চলোৱাত ব্যস্ত হোৱা পৰিলক্ষিত হৈছে। ৰাইজৰ দলৰ প্ৰতি আকৃষ্ট হৈ ভোটাৰ ৰাইজে মৈৰাবাৰী জিলা পৰিষদ আৰু আঞ্চলিক পঞ্চায়তৰ প্ৰাৰ্থী দুগৰাকীক জয়ী কৰাই দলটোৰ ভেটি আৰু অধিক মজবুত কৰিব বুলি আশা ব্যক্ত কৰিছে মেহেবুব মুক্তাৰে।

# তামাৰহাটত ধুমুহাৰ তাণ্ডৱ, প্ৰাণৰক্ষা এটা পৰিয়ালৰ

**ই-সংবাদ, তামাৰহাট, ২৮ এপ্ৰিলঃ** ধুবুৰীৰ তামাৰহাটত বৰদৈচিলাৰ তাণ্ডৱ। কথমপি প্ৰাণৰক্ষা পৰে এটা পৰিয়াল। তামাৰহাটৰ নাটাবাৰীত বৰদৈচিলাৰ তাণ্ডৱত এটা পৰিয়ালৰ বিস্তৰ ক্ষতিসাধন হয়। জানিব পৰা মতে, তামাৰহাট থানাৰ অন্তৰ্গত নাটাবাৰী দ্বিতীয় খণ্ড গাঁৱৰ বাসিন্দা আশ্ৰাফুল ইছলাম গুৱাহাটীৰ পৰা আগন্তুক পঞ্চায়ত নিৰ্বাচন উপলক্ষে ভোট দিবলৈ আহে নিজ গৃহলৈ। শোৱাপাটিত কণ কণ ল'ৰা-ছোৱালীক লৈ শুই থকা অৱস্থাতেই ঘৰৰ ওপৰত এডাল প্ৰকাণ্ড গছ উভালি পৰে। ততাতৈয়াকৈ খিৰিকীৰে ওলাই কোনোমতে প্ৰাণৰক্ষা কৰে আশ্ৰাফুল ইছলাম(৩৫), আকলিমা খাতুন(৩০), আছিফুল ইছলাম(১১) আৰু আছিয়া খাতুনে(৬)। এতিয়া কণ কণ ল'ৰা-ছোৱালী লৈ থাকিবলৈ কোনো গৃহ নথকাত কান্দোনত ভাগি পৰিছে দুখীয়া পৰিয়ালটো। পুৱতি নিশা অহা এই ধুমুহাই তামাৰহাটৰ বিভিন্ন অঞ্চলত তাণ্ডৱ চলায়। কেইবাটাও গৃহৰ ক্ষতিসাধন কৰে। উৰুৱাই নিয়ে টিনপাত, ব্যাহত হয় বিদ্যুৎ সেৱা।

# সত্ৰশালত পেহেলগামৰ নিহতৰ স্মৃতিত বন্তি প্ৰজ্বলন

**ই-সংবাদ, গোলকগঞ্জ, ২৮ এপ্ৰিলঃ** ধুবুৰী জিলাৰ ভাৰত-বাংলাদেশ সীমান্তৰ সত্ৰশালত কালি সন্ধিয়া সীমান্ত চেতনা মঞ্চ পূৰ্বোত্তৰৰ সত্ৰশাল ছেক্টৰৰ উদ্যোগত পেহেলগামত ইছলামিক সন্ত্ৰাসবাদীয়ে নৃশংসভাৱে হত্যা কৰা লোকসকলৰ পবিত্ৰ স্মৃতিত ৰাজহুৱা শ্ৰদ্ধাঞ্জলিৰ আয়োজন কৰে। সন্ধিয়া শ্বহীদ বেদীত পুষ্পাঞ্জলি প্ৰদান কৰাৰ লগতে বন্তি প্ৰজ্বলন কৰা হয়। অনুষ্ঠানত সীমান্ত চেতনা মঞ্চৰ ৰাজ্যিক সাবলম্বন প্ৰমুখ ৰমেন্দ্ৰ নাথ দাস, জিলা উপদেষ্টা নিখিল সৰকাৰ, ৰাজ্যিক কাৰ্যনিৰ্বাহক বাবলু কুমাৰ ৰায়, সত্ৰশাল ছেক্টৰৰ সভাপতি দীজেন্দ্ৰ নাথ দাস, উপ-সভাপতি কমল প্ৰিয়া দাস, সত্ৰশাল ৰাজহুৱা ৰঙালী বিহু উদযাপন সমিতিৰ সভাপতি-সম্পাদক সমন্বিতে কৰ্মকৰ্তাসকল উপস্থিত থাকে।

# আপকু কাৰ্বি আংলং জিলা সমিতিৰ ৩২ সংখ্যক প্ৰতিষ্ঠা দিৱসৰ প্ৰস্তুতি

**ই-সংবাদ, হাওৰাঘাট, ২৮ এপ্ৰিলঃ** আসাম প্ৰেছ ক'ৰেছপণ্ডেন্টছ ইউনিয়ন'(Assam Press Correspondents Union) চমুকৈ আপকুৰ কাৰ্বি আংলং জিলা সমিতিৰ ৩২ সংখ্যক প্ৰতিষ্ঠা দিৱস উদযাপনৰ প্ৰস্তুতি চলাইছে জিলা সমিতিয়ে। এদিনীয়া বিস্তৃত কাৰ্যসূচীৰে অহা ৩০ এপ্ৰিলত অনুষ্ঠিত হ'ব ৩২ সংখ্যক প্ৰতিষ্ঠা দিৱস। আপকুৰ কাৰ্বি আংলং জিলা সমিতিৰ সভাপতি ছামছিং ক্ৰ' আৰু সম্পাদক ধৰ্মেন্দ্ৰ খাখলাৰীয়ে সংবাদ মাধ্যমক এই বিষয়ে জানিবলৈ দিয়ে। ৩০ এপ্ৰিলৰ কাৰ্যসূচী অনুসৰি পতাকা উত্তোলন, শ্বহীদ তৰ্পণ, মুকলি সভা আদি অনুষ্ঠিত হ'ব। মুকলি সভাত মুখ্য অতিথি হিচাপে ১০৯ নং হাওৰাঘাট বিধানসভা সমষ্টিৰ বিধায়ক দৰছিং ৰংহাং, বিশিষ্ট অতিথি হিচাপে কাৰ্যবাহী সদস্য ৰিতেশ ইংহি, প্ৰাক্তন আই এ এছ বিষয়া লংকি ফাংচ'ৰ লগতে নিৰ্দিষ্ট বক্তা হিচাপে আমন্ত্ৰিত আপকুৰ কেন্দ্ৰীয় সমিতিৰ সাঃ সম্পাদক প্ৰধান শৰৎ শেনছোৱা উপস্থিত থাকিব। ইফালে, কাৰ্বি আংলং জিলা আপকুৰ ফালৰ পৰা তিনিটাকৈ বঁটা প্ৰদানৰ কথা ঘোষণা কৰাৰ লগতে বঁটা প্ৰদানৰ বাবেও জুৰি বৰ্ড সদস্যৰ নাম ঘোষণা কৰা হ'ব। আনহাতে, কাৰ্বি আংলং জিলাৰ পৰা সদ্য ঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ স্থান প্ৰাপ্ত ৪ গৰাকী ছাত্ৰ-ছাত্ৰীক কাৰ্বি আংলং জিলা আপকু'ৰ ফালৰ পৰা সম্বৰ্ধনা জনোৱাৰ বাবে এক পদক্ষেপ গ্ৰহণ কৰা হয়।

Nucleomed- পেটচিটি স্কেন / PETCT Scan- 970701223

# বাক্সাৰ কনমণি নাথৰ কাব্যগ্ৰন্থ 'জখলা' উন্মোচন

**ই-সংবাদ, মুছলপুৰ, ২৮ এপ্ৰিলঃ** বাক্সা জিলাৰ ভৱানীপুৰ বি-ব্লক গাঁৱৰ প্ৰতিশ্ৰুতি সম্পন্ন কবি-সাহিত্যিক তথা পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ কৰ সংগ্ৰাহক হিচাপে কৰ্মৰত কনমণি নাথৰ ষষ্ঠখন গ্ৰন্থ তথা দ্বিতীয়খন কাব্যগ্ৰন্থ 'জখলা' আজি বাস্কা আঞ্চলিক শাখা সাহিত্য সভাৰ নৱম দ্বি-বাৰ্ষিক গাৰামদেউ অধিৱেশনত উন্মোচন কৰা হয়। গ্ৰন্থখনি উন্মোচন কৰে বিশিষ্ট সাহিত্যিক মাধৱ চন্দ্ৰ কলিতাই। উল্লেখ্য যে অসম সাহিত্য সভাৰ সক্ৰিয় শাখা বাস্কা আঞ্চলিক শাখা সাহিত্য সভাৰ অধিৱেশন এইবেলি দুদিনীয়া কাৰ্যসূচীৰে বাক্সাৰ মুছলপুৰৰ সমীপৱৰ্তী গাৰামদেউত অনুষ্ঠিত হয়। দ্বিতীয় দিনা মুকলি সভাত কনমণি নাথৰ 'জখলা' উন্মোচন কৰা হয়। পাঠক সমাজে গ্ৰন্থখনি আঁকোৱালি ল'ব বুলি আশা কৰে কনমণি নাথে।



গুৱাহাটীত কৃত্ৰিম বান, সোমবাৰে

## ধুমূহাত ঐতিহাসিক মা মহামায়া স্নান ঘাট মন্দিৰৰ কৃত্ৰিম দীৰ্ঘেশ্বৰী মন্দিৰৰ বিস্তৰ ক্ষতি

**ই-সংবাদ, পৰ্বতঝোৰা, ২৮ এপ্ৰিলঃ** যোৱা নিশা প্ৰচণ্ড ধুমুহাত পৰ্বতঝোৰা মহকুমাৰ ঐতিহাসিক ইতিহাস প্ৰসিদ্ধ মা মহামায়া স্নানঘাট মন্দিৰৰ কৃত্ৰিম বটগছ ৰূপী দীৰ্ঘেশ্বৰী মন্দিৰটোৰ বিস্তৰ ক্ষতিসাধন হয়। উল্লেখ্য যে ইতিহাস প্ৰসিদ্ধ মা মহামায়া স্নানঘাট মন্দিৰৰ অন্যতম আচাৰ্যৰ চানেকি বহনকাৰী কৃত্ৰিম বটগছ ৰূপী মা দীৰ্ঘেশ্বৰী মন্দিৰটো ২০০৬ চনত স্থাপিত হৈছিল যদিও আদি অৱস্থাতেই নানা ধৰণৰ আঁসোৱাহৰে নিৰ্মাণ কৰাৰ পৰিণতিত আজি এনে ধৰণৰ ঘটনা সংঘটিত হ'বলৈ পালে বুলি মন্দিৰ পৰিচালনা সমিতিয়ে জানিবলৈ দিয়ে। অসম চৰকাৰৰ লগতে বিটিআৰ চীফ প্ৰমোদ বড়ো চৰকাৰক ধুমুহাত ক্ষতি সাধন হোৱা বাঘেশ্বৰী মন্দিৰটো পুনৰ নিৰ্মাণৰ বাবে মন্দিৰ পৰিচালনা সমিতিয়ে দাবী জনাইছে।

## ৭ মে'ত মৰিগাঁও জিলাৰ গাঁও পঞ্চায়ত এলেকাত স্থানীয় বন্ধ ঘোষণা

ই-সংবাদ, লাহৰীঘাট, ২৮ এপ্ৰিলঃ **ৰাজ্যৰ সাধাৰণ প্ৰশাসন বিভাগে আসন্ন পঞ্চায়ত নিৰ্বাচনৰ দ্বিতীয় পৰ্যায়ৰ ভোটগ্ৰহণৰ প্ৰতি লক্ষ্য ৰাখি মৰিগাঁও জিলাৰ আটাইকেইটা বিধানসভা সমষ্টিৰ অধীনৰ গাঁও পঞ্চায়ত এলেকাসমূহত অহা ৭ মে'ৰ দিনটো ৰাজহুৱা বন্ধৰ দিন হিচাপে ঘোষণা কৰিছে সেই অনুসৰি এন আই এক্ট ১৮৮১ৰ ২৫ নং ধাৰা অনুসৰি ৭ মে'ৰ দিনা মৰিগাঁও জিলাৰ ৫২ নং জাগীৰোড বিধানসভা সমষ্টি, ৫৩ নং লাহৰীঘাট আৰু ৫৪ নং মৰিগাঁও বিধানসভা সমষ্টিৰ ভোটগ্ৰহণ হ'বলগীয়া গাঁও পঞ্চায়ত এলেকাৰ সকলো চৰকাৰী-বেচৰকাৰী কাৰ্যালয়, পঞ্চায়ত আৰু স্থানীয় নগৰ নিকায়, শিক্ষানুষ্ঠান, বেংককে ধৰি সকলো ব্যৱসায় আৰু বাণিজ্যিক প্ৰতিষ্ঠান, চাহ বাগিচা আদি বন্ধ থাকিব**

# পঞ্চায়ত নিৰ্বাচন কংগ্ৰেছৰ বাবে ছেমি ফাইনেলঃ জাকিৰ হুছেইন শিকদাৰ

**ই-সংবাদ, কলগাছিয়া, ২৮ এপ্ৰিলঃ** বৰপেটা জিলাৰ পাকাবেতবাৰী সমষ্টিৰ অন্তৰ্গত বেকী নদীৰ পশ্চিমাংশত থকা লাচাংগা, হালধীয়া-টেঙাগাঁও আৰু গুইলেজা পঞ্চায়তত নিৰ্বাচনী প্ৰচাৰ চলাবলৈ শনিবাৰে সন্ধিয়াত গুইলেজা চক বজাৰত প্ৰদেশ কংগ্ৰেছৰ কাৰ্যকৰী সভাপতি তথা সৰুক্ষেত্ৰী সমষ্টিৰ বিধায়ক জাকিৰ হুছেইন শিকদাৰে কংগ্ৰেছৰ প্ৰচাৰ কাৰ্যালয় উদ্বোধন কৰি নিৰ্বাচনী প্ৰচাৰ চলায়। সমষ্টিটোৰ ৭ নং বেকী জিলা পৰিষদৰ কংগ্ৰেছ দলৰ প্ৰাৰ্থী মুঞ্জুৱাৰা খাতুন আৰু ৩৭ নং গুইলেজা জিলা পৰিষদৰ প্ৰাৰ্থী আনোৱাৰা খাতুনৰ হৈ প্ৰচাৰ চলাই ভোটাৰ ৰাইজৰ দৃষ্টি আকৰ্ষণ কৰে। ঘিলাজাৰী-ৰূপসী ব্লক কংগ্ৰেছৰ সভাপতি ৰফিকুল ইছলাম তালুকদাৰৰ সভাপতিত্বত অনুষ্ঠিত হোৱা উদ্বোধনী সভাত ভাষণ প্ৰসংগত বিধায়ক শিকদাৰে কয় যে কংগ্ৰেছৰ মুখ্য উদ্দেশ্য হ'ল আৰ এছ এছ আৰু বিজেপি দলক চিৰদিনৰ বাবে বিদায় দিয়া। সেয়ে ৰাইজে ভ্ৰষ্টাচাৰী বিজেপিৰ বিৰুদ্ধে কংগ্ৰেছ দলক ভোট দিব লাগে বুলি ভাষণ দিয়ে। লগতে তেওঁ ভাষণত কয় যে এইবাৰৰ পঞ্চায়ত নিৰ্বাচন কংগ্ৰেছ দলৰ বাবে আগন্তুক ২৬ ৰ বিধানসভা নিৰ্বাচনৰ ছেমিফাইনেল। জাকিৰ হুছেইন শিকদাৰে এইদৰে ভাষণ প্ৰদান কৰি ভোটাৰ ৰাইজক আকৰ্ষিত কৰাৰ উদ্দেশ্যে কয় যে মই গুইলেজা-জয়ান বজাৰ সংযোগী বেকী নদীৰ ওপৰত তৃতীয়খন দলং নিৰ্মাণৰ কাৰণে যুঁজি আছো। ২০২৬ ত অসমত কংগ্ৰেছৰ চৰকাৰ হ'লে বেকী নদীৰ ওপৰত দলং নিৰ্মাণৰ কাৰণে আপ্ৰাণ চেষ্টা কৰিম। আনহাতে, তেওঁ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক তীব্ৰ ভাষাৰে সমালোচনা কৰি কয় যে আমাৰ পূৰ্ব পুৰুষে ব্যৱহাৰ কৰা লুঙিক লৈ হিমন্তই তুচ্ছ তাচ্ছিল্য কৰে, কিন্তু আমি হিমন্তৰ কথা নুশুনো, আমাৰ চৈধ্য গোষ্ঠীয়ে লুঙি পিন্ধিব। এইদৰে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাক এক প্ৰকাৰ প্ৰত্যাহ্বান জনায় শিকদাৰে। তেওঁ ভোটাৰ ৰাইজক উদ্দেশ্য কৰি আৰু কয় যে এ আই ইউ ডি এফৰ সভাপতি মৌলানা বদৰুদ্দিন আজমলক ধুবুৰীৰ ৰাইজে বিদায় দিছে। আপোনালোকেও এইবাৰ এ আই ইউ ডি এফক এটা ভোটো নিদিব। এইবাৰ কংগ্ৰেছৰ প্ৰাৰ্থী জিকিব এয়া এশ শতাংশ নিশ্চিত বুলি তেওঁ দাবী কৰে। উদ্বোধনী অনুষ্ঠানত বৰপেটা জিলা কংগ্ৰেছৰ উপ-সভাপতি তথা প্ৰাক্তন জিলা পৰিষদ সদস্য ছামচুল হক, ৰূপসী আঞ্চলিক পঞ্চায়তৰ প্ৰাক্তন সভাপতি জাকিৰ হুছেইন, সংখ্যালঘু সংগ্ৰাম পৰিষদৰ সম্পাদক মোৱাজ্জেম হুছাইন আদি নেতাসকলে ভাষণ প্ৰদান কৰে। কংগ্ৰেছ নেতাসকলে ৭ নং বেকী জিলা পৰিষদৰ সদস্য পদৰ কংগ্ৰেছৰ প্ৰাৰ্থী মুঞ্জুৱাৰা খাতুন আৰু ৩৭ নং গুইলেজা গাঁও পঞ্চায়তৰ আঞ্চলিক সদস্য পদৰ কংগ্ৰেছ প্ৰাৰ্থী আনোৱাৰা খাতুনক হাতৰ ছবিত ভোট দিবলৈ ৰাইজক আহ্বান জনায়।

# পঞ্চায়ত নিৰ্বাচন, ৩০ এপ্ৰিলৰ পৰা তিনিচুকীয়া জিলাত ড্ৰাই ডে' ঘোষণা

**ই-সংবাদ ব্যুৰ', তিনিচুকীয়া, ২৮ এপ্ৰিলঃ** পঞ্চায়ত নিৰ্বাচনৰ প্ৰথম পৰ্যায়ৰ শান্তিপূৰ্ণ ভোটগ্ৰহণৰ বাবে তিনিচুকীয়া জিলাত ৩০ এপ্ৰিলৰ বিয়লি ৪.৩০ বজাৰ পৰা ২ মে'ৰ বিয়লি ৪.৩০ বজালৈ ভোটগ্ৰহণ সম্পূৰ্ণ হোৱা পৰ্যন্ত ড্ৰাই ডে' অৰ্থাৎ সুৰা নিষিদ্ধ দিন ঘোষণা কৰা হৈছে। অসম চৰকাৰৰ সিদ্ধান্তৰ আধাৰত তিনিচুকীয়া জিলাৰ আয়ুক্ত আই এ এছ স্বপ্নীল পালে আজি জাৰি কৰা এটা নিৰ্দেশত কয় যে যদিহে পুনৰ ভোটদান হয়, তেন্তে ৪ মে'ৰ দিনাও সুৰা নিষিদ্ধ দিন হিচাপে অন্তৰ্ভুক্ত কৰা হ'ব। লগতে ১১ মে'ৰ ভোট গণনাৰ দিনৰ পৰা গণনা শেষ নোহোৱা পৰ্যন্ত ড্ৰাই ডে' চলি থাকিব। এই সময়ছোৱাত ক্লাব 'অন', হোটেল অন', আই. এম. এফ. এল, খুচুৰা 'OFF' & 'ON', সকলো পাইকাৰী গুদাম আৰু দেশীয় সুৰাৰ দোকান বন্ধ থাকিব। বিষয়টোক নিৰ্বাচনী জৰুৰী হিচাপে গণ্য কৰাৰ লগতে আদেশ উলংঘা কৰিলে অসম আবকাৰী আইন আৰু নিয়মৰ অধীনত কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# কামপুৰত বিহু উদযাপনক লৈ বিতৰ্ক,

প্ৰশাসনে বিহু অনুষ্ঠিত কৰাত বাধা আৰোপ কৰে। বিহুৰ কাৰ্যসূচী বাতিল কৰিব লগা হোৱাত আয়োজক সমিতিখনে তীব্ৰ ক্ষোভ উজাৰে। ইফালে দেওবাৰে বিহু উদযাপন কৰিবলৈ উত্তোলন কৰা পতাকাৰ তলত অংজাঃ যুৱ-ছাত্ৰ পৰিষদৰ নগাঁও, লাচিত সেনা, ভাৰতীয় গণনাট্য সংঘ অসম, যুৱ পৰিষদ, যুৱক সংঘ, কামপুৰৰ সকলো দল-সংগঠন তথা স্থানীয় ৰাইজ একগোট হৈ স্থানীয় উন্নতি সাধিনী প্ৰেক্ষাগৃহত ৰাজহুৱা সভা অনুষ্ঠিত কৰি জাতীয় বিহু বন্ধকাৰীক বদন আখ্যা দিয়ে। কোনো শক্তিয়ে বিহু অনুষ্ঠান বন্ধ কৰিব নোৱাৰে বুলি হুংকাৰ প্ৰদান কৰি বন্ধকাৰী কামপুৰ টাউন কমিটিৰ ৮ জন ৱাৰ্ড কাউঞ্চিলৰ আৰু স্থানীয় তথা বঢ়মপুৰ সমষ্টিৰ বিধায়কক এঘৰীয়া ঘোষণা কৰে। সভা শেষ কৰি বিহু পতাকাৰ তলত উপস্থিত হৈ প্ৰতিবাদত মুখৰ হৈ পৰে সমূহ দল-সংগঠন। সেই একে স্থানতে পুনৰ বিহু অনুষ্ঠিত কৰিবলৈ কামপুৰৰ ৰাইজ তথা দল-সংগঠনে ঐকমত্য পোষণ কৰি সকলোৱে বিহু পতাকাৰ তলত একত্ৰিত হৈ শপত গ্ৰহণ কৰে। বিহু আয়োজক সমিতিৰ এই সিদ্ধান্তৰ পিছত আজি কামপুৰ পৌৰসভাই বিতৰ্কিত ৰে'লৱে ভূমিত মেজাংকৰি বিহু অনুষ্ঠান বাতিল কৰা সন্দৰ্ভত কামপুৰ পৌৰসভাৰ এখন সংবাদমেলৰ আয়োজন কৰে। সংবাদমেল সম্বোধন কৰি কামপুৰ পৌৰসভাই জানিবলৈ দিয়ে যে আমি বিহু পাতিবলৈ বাধা কৰা নাই কেৱল বিহু অনুষ্ঠিত কৰা স্থান সলনি কৰিবলৈহে অনুৰোধ জনাইছো। সংবাদমেলত পৌৰসভাই জানিবলৈ দিয়ে বিহু অনুষ্ঠিত কৰিবলৈ লোৱা এলেকাটোত কিছুদিনৰ আগতে ৰে'ল বিভাগৰ এক উচ্ছেদ অভিযান চলিছিল যাৰ কাৰণে সেই অঞ্চলৰ বাসিন্দা সকলে গৃহহাৰা হোৱাৰ লগতে বহুজনে জীৱিকাৰ পথ হেৰুৱাইছিল। যাৰ বাবে এই লোকসকল মানসিকভাৱে ভাগি পৰা বুলি উল্লেখ কৰে। আনফালে বিহু উদযাপন সমিতি আৰু বিধায়ক জিতু গোস্বামীৰ মাজত হোৱা আলোচনাত বিহুখন সেই ঠাইত অনুষ্ঠিত নকৰি কামপুৰ কেন্দ্ৰীয় ৰাস পথাৰ অথবা কামপুৰ ক্ৰীড়া সন্থাৰ খেলপথাৰত বিহু উদযাপন কৰিব বুলি জনায় যদিও আয়োজক সমিতিখনে আঁকোৰগোজ মনোভাৱেৰে অনুষ্ঠিত কৰে বুলি সংবাদমেলত উল্লেখ কৰে পৌৰসভাই। প্ৰশাসনক জনোৱা আবেদনখনত বিহু স্থগিত আৰু স্থানান্তৰিত কৰিবৰ বাবেহে অনুৰোধ জনোৱা বুলি কয়। আনফালে বিহু সন্মিলনৰ আয়োজক তথা কৃষক মুক্তিৰ সভাপতি ৰাজু বৰাই কৰা মন্তব্যক তীব্ৰ সমালোচনা কৰে। ভৱিষ্যতে এনে মন্তব্যৰ পৰা বিৰত থাকিব কয়। অন্যথা পৌৰসভাই মানহানি গোচৰ তৰিব বুলি কয়। আজিৰ সংবাদমেলখনত উপস্থিত থাকে পৌৰসভাৰ সভাপতি ধৰিত্ৰী বৰুৱা, উপ-সভাপতি জয়ন্ত ফুকন, ৱাৰ্ড কমিছনাৰ ভূপেন লস্কৰ, চন্দন শইকীয়া।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# যোৰহাটত কংগ্ৰেছৰ নিৰ্বাচনী প্ৰচাৰ

সীমা গগৈ, ৫ নং কৰঙাত বৰ্ণালী বুঢ়াগোহাঁই গগৈ, ৬ নং ঠেঙালত ৰীতা শইকীয়া, ৭ নং তিতাবৰত ডেনিয়েল তাঁতী, ৮ নং বৰহোলাত প্ৰণিতা শইকীয়া বৰা, ৯ নং গড়মূৰত নৱনীতা হাজৰিকা, ১০ নং নাওবৈচা-চৰাইবাহীত বাসবী কলিতা শইকীয়া, ১১ নং দক্ষিণ হোলোঙাপাৰত অম্বিকা তাঁতী প্ৰজা, ১২ নং উত্তৰ হোলোঙাপাৰত অনন্ত বৰা, ১৩ নং বামুণ পুখুৰীত ৰিতু গগৈ, ১৪ নং বলমাত যতীন বৰা, ১৫ নং লাহিঙত নিপন গগৈ, ১৬ নং ন-কছাৰীত মৃদুল কৰ্মকাৰে যোৰহাট জিলা পৰিষদৰ সদস্য পদৰ প্ৰাৰ্থীৰূপে ব্যাপক নিৰ্বাচনী প্ৰচাৰ চলাইছে। প্ৰাৰ্থীসকলে পঞ্চায়তৰ আঞ্চলিক সদস্য আৰু সমৰ্থিত গোট সদস্যসকলৰ সৈতে ঘৰে ঘৰে গৈ বিজেপিৰ শাসনকালত ৰাইজে ভোগ কৰা দুখ-দুৰ্গতি বৰ্ণনা কৰি ভোট ভিক্ষা কৰিছে। যোৰহাট লোকসভা সমষ্টিত সাংসদৰূপে গৌৰৱ গগৈ নিৰ্বাচিত হোৱাৰ পিছত কংগ্ৰেছ কৰ্মীসকল উৎফুল্লিত হোৱাৰ লগতে আগন্তুক ৫ বছৰ পঞ্চায়ত দখলৰ বাবে আপ্ৰাণ চেষ্টা চলাইছে। অগপ আৰু বিজেপিৰ সৈতে জড়িত বহুসংখ্যক ভোটাৰে কংগ্ৰেছৰ প্ৰাৰ্থীসকলক ভোট দিব বুলি মুকলিকৈয়ে প্ৰকাশ কৰিছে। উত্তৰ-পশ্চিম যোৰহাট উন্নয়ন খণ্ডৰ ৪৫ নং পশ্চিম সৰুচৰাই গাঁও পঞ্চায়তত আঞ্চলিক সদস্যৰূপে কংগ্ৰেছৰ পৰা বুলু নেওগে প্ৰাৰ্থিত্ব আগবঢ়োৱাৰ লগতে সমৰ্থিত সদস্যৰূপে ১ নংত দীপাঞ্জলি বৰগোহাঁই, ৩ নংত উজ্জ্বল বৰা, ৪ নংত জুমণি শইকীয়া, ৫ নংত দিব্যজিৎ শইকীয়া, ৬ নংত সুস্মিতা শইকীয়া, ৭ নংত লক্ষীমাই শইকীয়া, ৮ নংত মৃদুস্মিতা শইকীয়া দত্ত, ৯ নংত ৰীণামণি শইকীয়া বৰা, ১০ নংত মুনমী চুতীয়াই প্ৰাৰ্থিত্ব আগবঢ়াই ভোট ভিক্ষাৰে ঘৰে ঘৰে পদাৰ্পণ কৰিছে। ইফালে, ৪৬ নং চাৰিঙীয়া পঞ্চায়তত কংগ্ৰেছৰ আঞ্চলিক সদস্যৰূপে কাকুমণি মহন্তই প্ৰাৰ্থিত্ব আগবঢ়োৱাৰ লগতে সমৰ্থিত সদস্যৰূপে ১ নংত দীপজ্যোতি কলিতা, ২ নংত দীপক কুমাৰ গোস্বামী, ৩ নংত প্ৰতাপ মহন্ত, ৪ নংত প্ৰিয়াংকী শইকীয়া বৰুৱা, ৬ নংত নিৰ্মালি কুৰ্মী, ৭ নংত অতুল কুমাৰ দাস, ৮ নংত নিৰ্মালি দাস, ৯ নংত ৰূপা বৰুৱা, ১০ নংত প্ৰণৱ দাসে প্ৰাৰ্থিত্ব আগবঢ়াই পঞ্চায়ত দখলৰ বাবে সমৰ্থকসকলক লগত লৈ প্ৰতিগৰাকী ভোটাৰকে লগ ধৰি কংগ্ৰেছৰ সৰুচৰাই-পৰ্বতীয়া জিলা পৰিষদৰ প্ৰাৰ্থী ক্ষীৰদা কুটুম দাৰ, ৪৬ নং চাৰিঙীয়া গাঁও পঞ্চায়তৰ আঞ্চলিক সদস্য পদৰ প্ৰাৰ্থী কাকুমণি মহন্তৰ লগতে গোট সদস্যসকলক এৰোপ্লেন, অ'টোৰ ছবিত ভোট দি জয়যুক্ত কৰাবলৈ আহ্বান জনাইছে। উল্লেখ্য, সৰুচৰাই-পৰ্বতীয়া জিলা পৰিষদৰ কংগ্ৰেছ দলৰ আঞ্চলিক সদস্যৰূপে ৩৭ নং পঞ্চায়তত চয়নিকা দত্ত দাস, ৩৮ নংত পৰিস্মিতা হাজৰিকা, ৩৯ নংত ঝৰ্ণা দেউৰী, ৪০ নংত সাবিত্ৰী পেগু দলে, ৪২ নংত জুৰি কলিতা, ৪৩ নংত মায়াৰাণী বৰা, ৪৪ নংত চন্দ্ৰ শইকীয়া, ৪৫ নংত বুলু নেওগ, ৪৬ নংত কাকুমণি মহন্ত, ৪৭ নংত পল্লৱ বণিয়াই প্ৰতিদ্বন্দ্বিতা কৰিছে। সমৰ্থকসকলক লগত লৈ সমৰ্থিত গোট সদস্যসকলৰ সৈতে কংগ্ৰেছ দলে প্ৰাৰ্থিত্ব প্ৰদান কৰা জিলা পৰিষদৰ সদস্য আৰু আঞ্চলিক সদস্য পদৰ প্ৰাৰ্থীসকলে ভোটাৰক প্ৰদান কৰা গোহাৰিখন প্ৰদান কৰোঁতে একমুখে কৈছে — 'এয়া জনতাৰ হাত, হাতেৰেই গঢ়িম আমাৰ বুনিয়াদ'। গতিকে হাতৰ চিনৰ লগতে সমৰ্থিত সদস্যসকলক নিজ নিজ চিনত ভোট দি পঞ্চায়তখন আগন্তুক ৫ বছৰত কাম কাজ কৰাৰ ক্ষেত্ৰত সহযোগিতা আগবঢ়োৱাৰ আশাৰে ২ মে'ত পুৱা ৭.৩০ বজাৰ পৰা ভোটদান কেন্দ্ৰত উপস্থিত হৈ আপোনাৰ বহুমূলীয়া ভোটটো প্ৰদান কৰিবলৈ আমন্ত্ৰণ জনালোঁ।

# দিল্লী পাব্লিক স্কুল, যোৰহাটৰ নৱম সংখ্যক প্ৰতিষ্ঠা দিৱস পালন

**ই-সংবাদ, পশ্চিম যোৰহাট, ২৮ এপ্ৰিলঃ** যোৰহাটৰ পশ্চিম দিশৰ সৰুচৰাই চেঙেলীআটি পথৰ কাষত ২০১৭ চনৰ ২৮ এপ্ৰিলত প্ৰতিষ্ঠা কৰা দিল্লী পাব্লিক স্কুল যোৰহাটৰ নৱমসংখ্যক প্ৰতিষ্ঠা দিৱস আজি স্কুলখনত পালন কৰে। স্কুলখনৰ সঞ্চালনা সমিতিৰ সদস্য নিতেশ জৈন আৰু নিশান্ত জৈনে বন্তি প্ৰজ্বলনেৰে শুভাৰম্ভ কৰা অনুষ্ঠানত অধ্যক্ষা মনালিছা বৰঠাকুৰ সিঙে বিদ্যালয়খনৰ গৌৰৱময় ইতিহাস, উৎকৃষ্ট শৈক্ষিক মানদণ্ড, শিক্ষাৰ্থীৰ চৰিত্ৰ গঠন, নেতৃত্ব বিকাশৰ বাবে বিদ্যালয়ৰ জৰিয়তে আগবঢ়াই থকা বৰঙণিৰ কথা উল্লেখ কৰাৰ লগতে এই জয়যাত্ৰা অব্যাহত থাকিব বুলি প্ৰতিশ্ৰুতি দিয়ে। স্কুলৰ শিক্ষাৰ্থীসকলে বাদ্যযন্ত্ৰৰ যুগলবন্দীৰে আকৰ্ষণীয় কৰি তোলা প্ৰতিষ্ঠা দিৱসত শিক্ষাৰ্থীসকলে দলীয় নৃত্য, দলীয় গীত পৰিৱেশনৰ লগতে কবিতা আবৃত্তি কৰে। শিক্ষাৰ্থীৰ অবিৰত জয়যাত্ৰা, শিক্ষাৰ্থীৰ সফলতা, বিভিন্ন দিশত বিদ্যালয়ৰ অভূতপূৰ্ব সফলতা-উপলব্ধিৰ কথা শিক্ষাৰ্থীসকলে আবৃত্তিৰ মাধ্যমেৰে পৰিৱেশন কৰে। বিগত বৰ্ষত বিভিন্ন শিতানত উৎকৃষ্ট ফলাফল লাভ কৰা শিক্ষাৰ্থীসকলক বঁটা প্ৰদান কৰাৰ লগতে শৈক্ষিক ক্ষেত্ৰত শ্ৰেষ্ঠতা, উত্তম আচৰণ, ৰাষ্ট্ৰীয়-ৰাজ্যিক স্তৰত স্থান লাভ কৰাসকলক আৰু বিভিন্ন শাখাত উৎকৃষ্টতা প্ৰদৰ্শন কৰাসকলক উক্ত অনুষ্ঠানতে পুৰস্কাৰ, বঁটা আদি প্ৰদান কৰে। স্কুলখনৰ সঞ্চালকপ্ৰধান নিশান্ত জৈনে স্কুলখনৰ সামগ্ৰিক শিক্ষাৰ বিকাশৰ প্ৰচেষ্টাক আদৰণি জনোৱাৰ লগতে শিক্ষাৰ্থীসকলক গৰ্ব আৰু গৌৰৱেৰে স্কুলখনৰ নাম উজলাই তুলিবলৈ আহ্বান জনায়।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# জৰাজীৰ্ণ ধোদৰ আলি, নামতিত পথ

ধৰি যান-বাহনৰ চলাচল বন্ধ হৈ পৰে। উল্লেখ্য যে ইতিহাসৰ স্মৃতি বহন কৰা এই ঐতিহাসিক ধোদৰ আলিটোৰ নামতি চাৰিআলিৰ পৰা চামগুৰিলৈকে পথছোৱাৰ পুখুৰীসদৃশ প্ৰকাণ্ড প্ৰকাণ্ড গাঁতৰ সৃষ্টি হৈছে। যাৰ ফলত পথটোৰ উক্ত অংশত প্ৰায়ে সৰু-বৰ দুৰ্ঘটনা সংঘটিত হ'বলৈ ধৰিছে। ইফালে, ঐতিহাসিক ধোদৰ আলিয়েদি অসম সম্পদ চাহপাত, কয়লা, খনিজ তেলৰ লগতে বহুতো মূল্যবান সামগ্ৰী সৰবৰাহ কৰাৰ লগতে দৈনিক হাজাৰ হাজাৰ গাড়ী-মটৰ, বিদ্যালয়-মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, ব্যৱসায়ী, চাকৰিয়াল আদিয়ে আহ-যাহ কৰে। কিন্তু এতিয়া বিশেষকৈ ৰোগী এজনক চিকিৎসালয়লৈ নিবলৈও অসুবিধাত পৰিছে স্থানীয় ৰাইজ। ৰাজ্যৰ গড়কাপ্তানী বিভাগৰ চূড়ান্ত অৱহেলা আৰু ঠিকাদাৰৰ মইমতালিৰ বাবে বছৰ বছৰ ধৰি যমৰ যাতনা ভুগিব লগা হৈছে। বিভিন্ন জাতীয় দল-সংগঠনে ৰাইজৰ সহযোগত বহুবাৰ প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰি আহিছে যদিও অংগুষ্ঠহে প্ৰদৰ্শন কৰাৰ অভিযোগ উঠিছে। অসম মালা আঁচনিৰ অধীনত নিৰ্মাণ হোৱা ঐতিহাসিক ধোদৰ আলিৰ নিৰ্মাণত স্থবিৰ হৈ পৰাত যাতায়াতত ৰাইজে এতিয়া যমৰ যাতনা ভুগিব লগা হৈছে। সেয়েহে এই ধোদৰ আলি পথটোৰ ক্ষেত্ৰত যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিবৰ বাবে আজি নামতি আঞ্চলিক ছাত্ৰ সন্থাই স্থানীয় ৰাইজৰ উপস্থিতিত প্ৰায় দুঘণ্টাজোৰা "পথ অৱৰোধ" কাৰ্যসূচী ৰূপায়ণ কৰে। উক্ত পথ অৱৰোধ কাৰ্যসূচীত উপস্থিত থাকে সদৌ অসম ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক ধ্ৰুৱজ্যোতি কলিতা, জিলা ছাত্ৰ সন্থাৰ সহকাৰী সম্পাদক বিতোপন ভূঞা আৰু ৰাজদ্বীপ কাকতি, সাংগঠনিক সম্পাদক পাৰ্থপ্ৰতিম দত্ত, নাজিৰা মহকুমা ছাত্ৰ সন্থাৰ বিত্ত সম্পাদক ঋতুৰাজ দত্তৰ লগতে বহু বিষয়ববীয়া আৰু সদস্য। প্ৰতিবাদস্থলীৰ পৰাই আছুৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক ধ্ৰুৱজ্যোতি কলিতাই উল্লেখ কৰা মতে চৰকাৰৰ নিৰ্লিপ্ততা লগতে বিভাগীয় কৰ্তৃপক্ষ আৰু ঠিকাদাৰৰ মাজত থকা বুজাবুজি আৰু অৱহেলাই ধোদৰ আলিৰ আজিৰ এই দুৰৱস্থাৰ মূল কাৰণ। লগতে তেওঁ হুংকাৰ প্ৰদান কৰে যে যদি আগন্তুক ১০ দিনৰ ভিতৰত আছু তথা ৰাইজ আশ্বস্ত হ'ব পৰাকৈ বিভাগীয় কৰ্তৃপক্ষই কোনো সদুত্তৰ নিদিয়ে তেন্তে ছাত্ৰ সন্থাই স্থানীয় ৰাইজৰ সহযোগত লোকনিৰ্মাণ বিভাগত ধৰ্ণা বা ঘেৰাও কাৰ্যসূচী হাতত লোৱাৰ বুলি হুংকাৰ দিয়ে।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# ভৱানীপুৰ-সৰুপেটাত বিজেপিৰ প্ৰচাৰ

পঞ্চায়ত নিৰ্বাচনত মিত্ৰজোঁটৰ প্ৰাৰ্থীকেই ভোটদান কৰিব ৰাইজে। অসমত ৭০ শতাংশ পঞ্চায়ত আৰু জিলা পৰিষদত মিত্ৰজোঁটৰ প্ৰাৰ্থী বিজয়ী হ'ব। ভৱানীপুৰ-সৰুপেটা জিলা পৰিষদ সমষ্টিতো মিত্ৰজোঁটৰ তথা অগপ দলৰ মনোনীত প্ৰাৰ্থী অৰবিন্দ বৰ্মনক ৰাইজে বিপুল ভোটৰ ব্যৱধানত জয়ী হোৱাটো নিশ্চিত। অৰবিন্দ বৰ্মন বিজয়ী হোৱাৰ পিছত অৰবিন্দ বৰ্মনক বজালী জিলা পৰিষদৰ অধ্যক্ষৰ আসনত বহুৱাম।" -এইদৰে কয় অসম চৰকাৰৰ কেবিনেট মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে আজি ভৱানীপুৰ-সৰুপেটা জিলা পৰিষদ সমষ্টিৰ অন্তৰ্গত কলবাৰীত অনুষ্ঠিত মিত্ৰজোঁটৰ নিৰ্বাচনী সভাত। বিজেপি নেতা কিশোৰ কুমাৰ ডেকাই আঁত ধৰা নিৰ্বাচনী সভাত ভৱানীপুৰ বিধানসভা সমষ্টিৰ বিধায়ক ফণীধৰ তালুকদাৰে কয়, "অসমত কংগ্ৰেছ নোহোৱা হ'ব। ভৱানীপুৰ বিধানসভা সমষ্টিতো কংগ্ৰেছৰ শিপা উভালিম। পঞ্চায়ত নিৰ্বাচনত ভৱানীপুৰ-সৰভোগ বিধানসভা সমষ্টিত এখনো জিলা পৰিষদ আৰু আঞ্চলিক পঞ্চায়তত কংগ্ৰেছ জয়ী নহয়।" সভাত বিজেপি দলৰ অসম ৰাজ্যিক সমিতিৰ মুখ্য মুখপাত্ৰ মনোজ বৰুৱাই কয়, "অসমত মিত্ৰজোঁটৰ সন্মুখত এইবাৰৰ পঞ্চায়ত নিৰ্বাচনত কোনো বিৰোধী শক্তি নাই। বিৰোধী শক্তিহীন। ৰাইজে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন চৰকাৰৰ উন্নয়নৰ সপক্ষে মিত্ৰজোঁটৰ প্ৰাৰ্থীক ভোটদান কৰিবলৈ সাজু হৈছে।" সভাত ভৱানীপুৰ বিধানসভা সমষ্টিৰ প্ৰাক্তন বিধায়ক মনোৰঞ্জন দাসেও ভাষণ দিয়ে। মন্ত্ৰী ৰণজিৎ কুমাৰ দাস, বিধায়ক ফণীধৰ তালুকদাৰ, বিজেপিৰ ৰাজ্যিক মুখপাত্ৰ মনোজ বৰুৱাই আজি ভৱানীপুৰ-সৰুপেটা জিলা পৰিষদ সমষ্টিৰ মিত্ৰজোঁটৰ প্ৰাৰ্থী অৰবিন্দ বৰ্মন আৰু কলবাৰী গাঁও পঞ্চায়তৰ আঞ্চলিক পঞ্চায়তৰ সদস্য পদৰ প্ৰাৰ্থী দীপাঞ্জলি দাসৰ হৈ প্ৰচাৰ চলায়।

# ঢকুৱাখনাত ভয়ংকৰ পথ দুৰ্ঘটনা, নিহত ৩ যুৱক

**ই-সংবাদ, ঢকুৱাখনা, ২৮ এপ্ৰিলঃ** দেওবাৰে নিশা ঢকুৱাখনা-ঘিলামৰা সংযোগী ২২ নং ৰাজ্যিক ঘাইপথত সংঘটিত এক মৰ্মান্তিক পথ দুৰ্ঘটনাত তিনিজন যুৱক থিতাতে নিহত হয়। ঘটনাস্থলীৰ পৰা পোৱা তথ্য অনুসৰি, নিহত যুৱককেইজন ক্ৰমে ঢকুৱাখনা ইটাখুলিৰ সৌৰভজ্যোতি চমুৱা (১৮) আৰু ঘিলামৰা জালভাৰীৰ স্বপ্নদীপ গগৈ (১৮) আৰু হেমী শইকীয়া (২৭) বুলি চিনাক্ত কৰা হৈছে। উল্লেখযোগ্য যে তিনিওজনে একেখন বাইকেৰে গৈ থকা অৱস্থাত এখন মালবাহী ট্ৰাকৰ সৈতে ভয়ংকৰ মুখামুখি সংঘৰ্ষত পতিত হয়। সংঘৰ্ষৰ ফলত তেওঁলোকৰ অৱস্থা অতি শোচনীয় হৈ পৰে। দুৰ্ঘটনাটো সংঘটিত হোৱাৰ লগে লগে স্থানীয় ৰাইজে উদ্ধাৰ কাৰ্য আৰম্ভ কৰি ঢকুৱাখনা আৰক্ষীৰ সহযোগত আহত যুৱককেইজনক ঢকুৱাখনা মহকুমা অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে যদিও চিকিৎসকে তেওঁলোকক মৃত ঘোষণা কৰে। ঘটনাটোত জড়িত মালবাহী ট্ৰাকখনৰ নম্বৰ AS-22-C-2270 বুলি জানিব পৰা গৈছে। এই হৃদয়বিদাৰক ঘটনাই সমগ্ৰ ঢকুৱাখনা অঞ্চলতে গভীৰ শোকৰ ছাঁ পেলাইছে। স্থানীয় ৰাইজে নিহত যুৱককেইজনৰ পৰিয়ালৰ প্ৰতি গভীৰ সমবেদনা জ্ঞাপন কৰাৰ লগতে পথ নিৰাপত্তা নিশ্চিত কৰাৰ দাবী জনাইছে। উল্লেখযোগ্য যে ঢকুৱাখনা-ঘিলামৰা সংযোগী ২২ নং ৰাজ্যিক ঘাইপথত যান-বাহনৰ গতিবেগ অধিক তীব্ৰ হোৱা বাবে ইতিপূৰ্বেও এনেধৰণৰ দুৰ্ঘটনা সংঘটিত হৈছে। ৰাইজে পথটোত আৰক্ষীৰ অধিক তৎপৰতা আৰু কঠোৰ নিয়ন্ত্ৰণ ব্যৱস্থা গ্ৰহণৰ দাবী তুলিছে। ঢকুৱাখনা আৰক্ষীৰ মতে, মৃতদেহসমূহ মৰণোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰা হৈছে আৰু দুৰ্ঘটনাৰ সম্পূৰ্ণ তদন্ত অব্যাহত আছে। ঘটনাটোক লৈ থানাত প্ৰয়োজনীয় আইনী প্ৰক্ৰিয়াও আৰম্ভ কৰা হৈছে।

# মঠঘৰীয়াত স্বৰ্ণ সাহিত্য সভাৰ বৈঠক সম্পন্ন

**গুৱাহাটী, ২৮ এপ্ৰিলঃ** মঠঘৰীয়া স্বৰ্ণ শাখা সাহিত্য সভাৰ নিয়মীয়া সাহিত্য বৈঠকখন দেওবাৰে শ্ৰীনগৰ প্ৰাথমিক বিদ্যালয়ত সভাৰ সভাপতি অনিল চন্দ্ৰ চৌধুৰীৰ সভাপতিত্বত অনুষ্ঠিত হয়। সহকাৰী সম্পাদক প্ৰদীপ শৰ্মাই আঁত ধৰা বৈঠকত পৰ্যালোচক হিচাপে উপস্থিত থাকি পঠিত লেখাসমূহৰ মননশীল পৰ্যালোচনা আগবঢ়ায় সাহিত্যিক-সমালোচক ডিপুমণি ঠাকুৰীয়াই। বৈঠকত ভায়োলিনা পাঠক, প্ৰজ্ঞান বশিষ্ঠ, নিধন চন্দ্ৰ বৰ্মন আৰু ৰুমী দেৱীয়ে গীত পৰিৱেশন কৰে। তনুশ্ৰী দাসে আবৃত্তি কৰা সভাত অন্নদা বড়ো ৰংপি, অঞ্জনা শৰ্মা, চাৰু দাস, ৰুমী দেৱী, প্ৰদীপ শৰ্মা, দ্বিবন বৈশ্য আৰু প্ৰতুল কুমাৰ শৰ্মাই কবিতা পাঠ কৰে। তহিদুৰ ৰহমান, অনিল হালৈ আৰু অনিল চন্দ্ৰ চৌধুৰীয়ে গল্প পাঠ কৰা বৈঠকত মীৰামণি গোস্বামী, মথুৰা ডেকা, কিশোৰ কুমাৰ শৰ্মা, মোহন চক্ৰৱৰ্তী, জয়ন্ত বৰপূজাৰী আৰু জনক চন্দ্ৰ বৈশ্যই প্ৰবন্ধ পাঠ কৰে। সভাত অসম সংগীত পৰিৱেশন কৰা হয়।

# পাথৰিঘাটত বিদ্যুৎ বিভাগৰ আজৱ কাণ্ড, ক্ষুব্ধ ৰাইজ

**ই-সংবাদ, দুনী, ২৮ এপ্ৰিলঃ** দৰং জিলাৰ ছিপাঝাৰ সমষ্টিৰ ঐতিহাসিক পথৰুঘাটৰ নিৰনচুৱা গাঁৱত বিদ্যুৎ বিভাগৰ আজব কাণ্ড। ছিপাঝাৰ বিদ্যুৎ সংমণ্ডলৰ অধীনত থকা পাথৰিঘাট নিৰনচুবা গাঁৱত বিদ্যুৎ পৰিবাহী খুঁটা ভলুকা বাঁহ দি ৰাখিবলগীয়া হৈছে। বিদ্যুৎ বিভাগে গ্ৰাহকৰ পৰা মাহে মাহে বিদ্যুৎ বিল ঠিকেই সংগ্ৰহ কৰে। গ্ৰাহকে বিল সময়ত পৰিশোধ নকৰিলে সংযোগ বিচ্ছিন্ন কৰি দিয়ে বিদ্যুৎ সংযোগ। কিন্তু মৰণফান্দসদৃশ কৰি পৰিবাহিত কৰি আহিছে বিদ্যুতৰ তাঁৰ। গাঁও অঞ্চলৰ খেতিমাটিৰ ওপৰেৰে ১১০০০ হাজাৰ ভল্টৰ বিদ্যুৎ পৰিবাহী তাঁৰৰ খুঁটা বাঁহ দি ৰাখিব লগা হোৱাত আশ্চৰ্য প্ৰকাশ কৰিছে স্থানীয় ৰাইজে। ভয়-শংকাৰ মাজেৰে পাৰ কৰিছে দিন। কিয়নো কোন সময়ত বিদ্যুৎ পৰিবাহী খুঁটা উভালি পৰি বিপদ ঘটায় তাৰ কোনো নিশ্চয়তা নাই। এই ক্ষেত্ৰত গাঁওবাসীয়ে বাৰে বাৰে বিভাগীয় বিষয়াক জনোৱাৰ পিছতো কাণসাৰ নাই বিভাগটোৰ। অৱশেষত সংবাদ মাধ্যমৰ জৰিয়তে বিষয়টো মুখ্যমন্ত্ৰীৰ দৃষ্টিগোচৰ কৰি সমাধানৰ বাবে অনুৰোধ জনায় স্থানীয় ৰাইজৰ। মুখ্যমন্ত্ৰীক বিভাগীয় মন্ত্ৰীৰ জৰিয়তে শীঘ্ৰে মেৰামতি কৰিবৰ আহ্বান জনাইছে ৰাইজে।

# আগমনিত অসাৰ শক্তিমন্ত্ৰীৰ ঘোষণা, এজাক বৰষুণতে ব্যাহত বিদ্যুৎ সেৱা

**ই-সংবাদ, গোলকগঞ্জ, ২৮ এপ্ৰিলঃ** ধুবুৰী জিলাৰ গোলকগঞ্জ সম-জিলাৰ অন্তৰ্গত আগমনি আৰু গোলকগঞ্জ বিদ্যুৎ উপ-সংমণ্ডল এলেকাত এজাক বৰষুণ দিলেই দুদিন ধৰি বিদ্যুৎ সেৱা বন্ধ হৈ পৰাত আলৈ-আথাঁনিৰ সৃষ্টি হৈছে সাধাৰণ ৰাইজৰ। উল্লেখ্য যে এসময়ত আন্দোলন কৰাত পাকৈত বহুবল্কী বিধায়ক প্ৰশান্ত ফুকনে শক্তি বিভাগৰ মন্ত্ৰিত্বৰ দায়িত্ব লৈয়ে শক্তি বিভাগত আমূল পৰিৱৰ্তন কৰাৰ কথা ঘোষণা কৰি বিদ্যুৎ গ'লে পোনে পোনে তেওঁক ফোন কৰিব কৈছিল। কিন্তু বাস্তৱত সকলো ফুটুকাৰ ফেনত পৰিণত হৈছে। পূৰ্বৰ তুলনাত বিদ্যুৎ যোগান অতি নিম্ন মানৰ হোৱাৰ অভিযোগ উত্থাপিত হৈছে। পূৰ্বতে ধুমুহা-বৰষুণ আহিলে এদিন বিদ্যুৎ সৰবৰাহ বন্ধ হৈছিল। আজিকালি এজাক বৰষুণ দিলে দুদিনলৈকে বিদ্যুৎ সৰবৰাহ বন্ধ হৈ পৰে। বিদ্যুৎ যোগান ব্যাহত হ'লে দায়িত্বত থকা কোনো বিষয়াই ফোন ৰিচিভ নকৰে আনকি বিদ্যুৎ ব্যাহত হোৱাৰ লগে লগে ইচ্ছা কৰিয়ে জৰুৰীকালীন মোবাইল নম্বৰটোও ছুইচ অফ কৰি দিয়ে। মন্ত্ৰীক ফোন কৰি অভিযোগ দিয়াটো সাধাৰণ ৰাইজৰ কাৰণে আকাশত চাং পতাৰ দৰে ঘটনা। সঘনে বিদ্যুৎ যোগান ব্যাহত হোৱাত বিশেষকৈ পানীৰ সংকটত ভুগিছে ৰাইজে। কিয়নো আজিকালি সৰহসংখ্যক ৰাইজে পানীৰ বাবে বিদ্যুৎচালিত মটৰৰ ওপৰত নিৰ্ভৰ কৰে। যাতায়াত যোগাযোগৰ ক্ষেত্ৰত যমৰ যাতনা ভুগিব লগা হৈছে। আজি ৰিক্সাৰ পৰিবৰ্তে ই-ৰিক্সাৰ ওপৰত সাধাৰণ লোক নিৰ্ভৰশীল। তদুপৰি বিদ্যুৎ সেৱা ব্যাহত হোৱাত নিত্যনৈমিত্তিক সকলো কামতে সমস্যাৰ সৃষ্টি হৈছে। প্ৰণিধানযোগ্য যে আমাৰ ইয়াত বিদ্যুতৰ চৰম দুৰৱস্থাৰ বিপৰীতে কাষতে থকা পশ্চিমবংগত ধুমুহা-বৰষুণতো অবিৰত বিদ্যুৎ সেৱা অব্যাহত থাকে।

# ছেৱাগুৰিত ডায়েৰীয়াসদৃশ ৰোগৰ প্ৰাদুৰ্ভাৱঃ ২জনৰ মৃত্যু

**ই-সংবাদ, সৰুপথাৰ, ২৮ এপ্ৰিলঃ** সৰুপথাৰ সমজিলাৰ অন্তৰ্গত ছেৱাগুৰিৰ ঔটেঙা তল চুবুৰিত ডায়েৰীয়াসদৃশ ৰোগত বহু লোক আক্ৰান্ত হোৱাৰ লগতে দুগৰাকী মহিলা মৃত্যুমুখত পৰাৰ বাতৰি পোৱা গৈছে। জানিব পৰা মতে চাৰিদিন মান পূৰ্বে গাঁওখনৰ একাংশ লোক তেনে ৰোগত আক্ৰান্ত হৈ সৰুপথাৰ আৰু গোলাঘাটত চিকিৎসাধীন হয়। চাৰিদিন পূৰ্বে ৰুফিনা কৰ্মকাৰ নামৰ মহিলাগৰাকীৰ উক্ত ৰোগত মৃত্যু হোৱাৰ পিছত কালি পুনৰ চিকিৎসাধীন অৱস্থাত পূৰ্ণিমা কেৰ্কেটা (৪২) নামৰ ৰোগীগৰাকীৰ মৃত্যু হয়। তদুপৰি চিকিৎসাধীন অৱস্থাত থকা গাঁওখনৰ আন ব্যক্তিসকল হৈছে ক্ৰমে কৃষ্টিনা কেৰ্কেটা, কিলিমান কেৰ্কেটা, মেথিউ কৰ্মকাৰ, চয়নিকা মালাৰ, পল কেৰ্কেটা, সংগীতা মালাৰ, সীমন মালাৰ আৰু পিত্ৰোচ কেৰ্কেটা। উল্লেখ্য যে বিগত প্ৰায় চাৰিদিন ধৰি গাঁওখনত উক্ত ৰোগবিধে দেখা দিছে যদিও তাৰ অন্তৰালত থকা কাৰণ বৰ্তমান পৰ্যন্ত স্থিৰ কৰিব পৰা হোৱা নাই। ইতিমধ্যে গাঁওখনত স্বাস্থ্য বিভাগে স্বাস্থ্য পৰীক্ষা শিবিৰ অনুষ্ঠিত কৰিছে। স্থানীয় বিধায়ক বিশ্বজিৎ ফুকনেও শেহতীয়া ঘটনাৰ বুজ লৈছে।

# বৰপেটাৰোডত নিৰ্বাচনী সংঘাত, অচিনাক্ত দুৰ্বৃত্তৰ আক্ৰমণত আহত বিজেপিৰ নেতা

**ই-সংবাদ, বৰপেটাৰোড, ২৮এপ্ৰিলঃ** পঞ্চায়ত নিৰ্বাচন যিমানেই কাষ চাপি আহিছে সিমানেই গৰম হৈ পৰিছে নিৰ্বাচনী বতাহ, লগে লগে ঠায়ে ঠায়ে নিৰ্বাচনকেন্দ্ৰিক সংঘাতৰ সৃষ্টি হোৱা দেখা গৈছে। তেনে এক ঘটনা দেওবাৰে নিশা সংঘটিত হয় বৰপেটাৰোডৰ সমীপৰ নিজ দমকাত। বৰপেটাৰোডৰ বগৰিগুৰিত অনুষ্ঠিত জিলা পৰিষদৰ নিৰ্বাচনী প্ৰচাৰৰ পৰা ওভতাৰ সময়তে নিশা বৰপেটাৰোডৰ সমীপৰ নিজ দমকাত অচিনাক্ত দুৰ্বৃত্তই আক্ৰমণ কৰে বৰপেটা জিলা বিজেপিৰৰ এছ চি মৰ্চাৰ বৰপেটা জিলাৰ উপ-সভাপতি পিন্টু ৰয়ক। বাইকেৰে আহি থকা পিন্টু ৰয়ক প্ৰথম অৱস্থাত চাৰিচকীয়া বাহনেৰে অহা ১০-১২ জনীয়া দল এটাই পৰিচয় সোধে আৰু পিছত বিয়েৰৰ বটল, চোকা অস্ত্ৰেৰে আক্ৰমণ কৰে। কালি বগৰিগুৰিত মন্ত্ৰী জয়ন্তমল্ল বৰুৱাৰ নিৰ্বাচনী প্ৰচাৰত অংশগ্ৰহণ কৰি নিশা উভতি অহাৰ সময়তেই পিন্টু ৰয় আৰু গোবিন্দ ক্ষত্ৰিয়ক উপৰ্যুপৰি আক্ৰমণ কৰে। এই আক্ৰমণত গুৰুতৰভাৱে আহত হয় বৰপেটা জিলা বিজেপিৰ এছ চি মৰ্চাৰ বৰপেটা জিলাৰ উপ-সভাপতি পিন্টু ৰয়। ইতিমধ্যে বৰপেটাৰোড আৰক্ষী আৰু সৰভোগ থানাত এজাহাৰ দাখিল কৰে ভুক্তভোগী পৰিয়ালে।

# হোৱাইট বল ক্ৰিকেটত অভিলেখ স্মৃতি মন্ধানাৰ

**কলম্বো, ২৮ এপ্ৰিলঃ** মহিলাৰ আন্তঃৰাষ্ট্ৰীয় হোৱাইট বল ক্ৰিকেট ফৰ্মেটত ৮ হাজাৰ ৰান সংগ্ৰহ কৰা বিশ্বৰ পঞ্চম আৰু ভাৰতৰ দ্বিতীয়গৰাকী বেটাৰ হিচাপে অভিলেখ ৰচিবলৈ সক্ষম হ'ল স্মৃতি মন্ধানা। শ্ৰীলংকাত অনুষ্ঠিত মহিলা ত্ৰিদেশীয় শৃংখলাৰ উদ্বোধনী মেচত ভাৰতীয় মহিলা ক্ৰিকেট দলে শ্ৰীলংকাক ৯ উইকেটৰ বিপুল ব্যৱধানত পৰাস্ত কৰি জয়লাভ কৰে। প্ৰেমাদাছা ষ্টেডিয়ামত অনুষ্ঠিত এই মেচখনত শ্ৰীলংকাই প্ৰথমে বেটিং কৰি ৩৮.১ অভাৰত মাত্ৰ ১৪৭ ৰান সংগ্ৰহ কৰাৰ পিছত ভাৰতীয় মহিলা দলটোৱে মাত্ৰ ২৯.১ অভাৰত এটা উইকেট হেৰুৱাই সহজেই লক্ষ্যত উপনীত হয়। ভাৰতৰ হৈ প্ৰতিকা ৰাৱালে ৫০ ৰান, স্মৃতি মন্ধানাই ৪৩ ৰান আৰু হাৰ্লিন দেউলে ৪৮ ৰান সংগ্ৰহ কৰে। খেলখনত স্মৃতিয়ে হোৱাইট বল ক্ৰিকেটত ৮০০০ ৰান সম্পূৰ্ণ কৰি এক নতুন অভিলেখ গঢ়িবলৈ সক্ষম হয়। স্মৃতিয়ে এই পৰ্যন্ত ২৪৬খন খেলত ৮০১৩ ৰান সংগ্ৰহ কৰিছে। মহিলাৰ হোৱাইট বল ক্ৰিকেটত সৰ্বাধিক ৰান সংগ্ৰহৰ অভিলেখ আছে ছুজি বেটছৰ নামত, যিয়ে ৩৪৮খন মেচত ১০,৬১২ ৰান সংগ্ৰহ কৰিছে। দ্বিতীয় স্থানত আছে ভাৰতৰ মিতালী ৰাজ, যিয়ে ৩২১খন খেলত ১০,১৬৯ ৰান সংগ্ৰহ কৰিছে।

# এছিয়ান যোগাসনত স্পৃহাৰ সাফল্য

**ই-সংবাদ, মৰিগাঁও, ২৮ এপ্ৰিলঃ** নতুন দিল্লীত অনুষ্ঠিত দ্বিতীয় এছিয়ান যোগাসন ক্ৰীড়া চেম্পিয়নশ্বিপ-২০২৫ ত দুটাকৈ সোণৰ পদক অৰ্জন কৰি অসম তথা ভাৰতবৰ্ষলৈ গৌৰৱ কঢ়িয়াই আনিলে মৰিগাঁৱৰ সু-সন্তান স্পৃহা ঋষি কাশ্যপে। নতুন দিল্লীৰ ইন্দিৰা গান্ধী ষ্টেডিয়ামত ২৫ৰ পৰা ২৭ এপ্ৰিললৈ অনুষ্ঠিত দ্বিতীয় এছিয়ান যোগাসন ক্ৰীড়া চেম্পিয়নশ্বিপত মৰিগাঁৱৰ স্পৃহাই বেক বেণ্ডিং ইণ্ডিভিজুৱে আৰু ট্ৰেডিচনেল গ্ৰুপ ইভেণ্টত ভাৰতৰ হৈ প্ৰতিনিধিত্ব কৰি দুয়োটাতে সোণৰ পদক অৰ্জন কৰে। প্ৰতিযোগিতাত জাপান, মংগোলিয়া, মালয়েছিয়া, থাইলেণ্ড, উজবেকিস্থান, ওমান, ভূটান, নেপাল, শ্ৰীলংকাসহ মুঠ ২১খন দেশে অংশগ্ৰহণ কৰিছিল। স্পৃহা ঋষি কাশ্যপ মৰিগাঁও চহৰৰ প্ৰতিষ্ঠিত ব্যৱসায়ী জিতু বৰা আৰু লিপিকা হাজৰিকাৰ কন্যা।



প্ৰাক্তন ক্ৰিকেটাৰ ৰৱিচন্দ্ৰন অশ্বিনক পদ্মশ্ৰী সন্মান প্ৰদান ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৰ, সোমবাৰে

## ক্ৰীড়া ক্ষেত্ৰলৈ আগবঢ়োৱা অনবদ্য অৱদানৰ স্বীকৃতি ৰাষ্ট্ৰপতিৰ

# প্ৰাক্তন হকী খেলুৱৈ শ্ৰীজেশক পদ্মভূষণ, অশ্বিনক পদ্মশ্ৰী সন্মান প্ৰদান

**নতুন দিল্লী, ২৮ এপ্ৰিলঃ** প্ৰদান কৰা হ'ল ২০২৫ বৰ্ষৰ পদ্ম বঁটা। সোমবাৰে ৰাষ্ট্ৰপতি ভৱনত আয়োজিত বিশেষ সমাৰোহত প্ৰাক্তন ভাৰতীয় হকী দলৰ গ'লৰক্ষক পি আৰ শ্ৰীজেশক পদ্মভূষণ বঁটা প্ৰদান কৰে ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱেঁ একে সময়তে ক্ৰিকেটাৰ ৰৱিচন্দ্ৰন অশ্বিনক পদ্মশ্ৰী সন্মানেৰে সন্মানিত কৰা হয়। এই বঁটা প্ৰদান অনুষ্ঠানত উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ৰ লগতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীও উপস্থিত থাকে। ক্ৰীড়া ক্ষেত্ৰলৈ আগবঢ়োৱা অনবদ্য অৱদানৰ বাবে শ্ৰীজেশ আৰু অশ্বিনক এই সন্মান প্ৰদান কৰা হৈছে। উল্লেখযোগ্য যে গণতন্ত্ৰ দিৱসৰ প্ৰাকক্ষণত কেন্দ্ৰীয় চৰকাৰে ২০২৫ বৰ্ষৰ পদ্ম বঁটা ঘোষণা কৰিছিল, য'ত এই দুগৰাকী বিশিষ্ট ব্যক্তিৰ নাম সন্নিবিষ্ট কৰা হৈছিল। অশ্বিন টেষ্ট ক্ৰিকেটত বলিং আৰু বেটিং দুয়োটাতে শক্তিশালী আছিল। বৰ্ষুণৰ বাবে ড্ৰ' হোৱা ২০২৪-২৫ চনৰ বৰ্ডাৰ-গাভাস্কাৰ ট্ৰফীৰ ব্ৰিজবেন টেষ্টত তেওঁ আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেটৰ পৰা অৱসৰ গ্ৰহণ কৰে আৰু এদশকৰো অধিক সময় ধৰি চলি থকা তেওঁৰ উল্লেখযোগ্য কেৰিয়াৰৰ অন্ত পেলায়। অশ্বিনৰ অৱসৰ লোৱা সিদ্ধান্তই বহুতকে আচৰিত কৰি তুলিছিল। তেওঁৰ শেষ খেল আছিল ২০২৪ চনত নিউজিলেণ্ডৰ বিৰুদ্ধে ভাৰতৰ ঘৰুৱা শৃংখলাত, য'ত তেওঁ বিশেষ প্ৰভাৱ পেলাব পৰা নাছিল। ইয়াৰ পূৰ্বে ২০২৪ চনৰ বৰ্ডাৰ-গাভাস্কাৰ ট্ৰফীত পাৰ্থ টেষ্টৰ বাবে ভাৰতীয় দলৰ পৰা আঁতৰি যোৱাৰ পিছত অনুৰাগী আৰু বিশ্লেষকসকলে তেওঁৰ ভৱিষ্যতক লৈ সন্দেহ প্ৰকাশ কৰিছিল। অশ্বিনে এডিলেইড টেষ্টত খেলিছিল যদিও তাত তেওঁৰ ভূমিকা সীমিত আছিল, যাৰ বাবে অৱশেষত তেওঁ আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেটৰ পৰা অৱসৰ লোৱাৰ সিদ্ধান্ত লয়। কেৰিয়াৰৰ কিছু হতাশাজনক অন্ত পৰিলেও অশ্বিনৰ পৰিসংখ্যাই তেওঁৰ মহানতাৰ প্ৰমাণ। গড়ে ২৪.০০ ৰানত ৫৩৭টা টেষ্ট উইকেট দখল কৰি ভাৰতীয়ৰ ভিতৰত টেষ্টত দ্বিতীয় সৰ্বাধিক উইকেট দখলকাৰীৰ ভিতৰত আছে অশ্বিন। উল্লেখযোগ্য বলিং অভিলেখৰ উপৰিও অশ্বিনে বেটিং বিভাগতো উল্লেখযোগ্য অৱদান আগবঢ়াইছে। টেষ্ট ক্ৰিকেটত তেওঁ ৬টা শতক আৰু ১৪টা অৰ্ধশতককে ধৰি ৩৫০৩ ৰান সংগ্ৰহ কৰিছে।

# ১২তম ছিনিয়ৰ ৰাষ্ট্ৰীয় ৰাগবি ছেভেন এছ চেম্পিয়নশ্বিপৰ সামৰণি

**ই-সংবাদ, গুৱাহাটী, ২৮ এপ্ৰিলঃ** অসমৰ ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই আজি গুৱাহাটীৰ ইন্দিৰা গান্ধী ক্ৰীড়াংগনত ১২তম ছিনিয়ৰ ৰাষ্ট্ৰীয় ৰাগবি ছেভেন এছ চেম্পিয়নশ্বিপ ২০২৫ৰ সামৰণি অনুষ্ঠানত যোগ দি ক্ৰীড়াবিদসকলৰ উদ্দেশ্যে এক প্ৰেৰণামূলক ভাষণ দিয়ে। তেওঁ ঘোষণা কৰে যে এই প্ৰতিযোগিতা কেৱল এক ক্ৰীড়া ইভেণ্ট নহয়, বৰঞ্চ যুৱশক্তি, দলীয় সমন্বয় আৰু একাগ্ৰতাৰ এক উজ্জ্বল প্ৰতিফলন। ৰাজ্যপালে ক্ৰীড়াবিদসকলৰ অসাধাৰণ প্ৰদৰ্শন আৰু অধ্যৱসায়ৰ ভূয়সী প্ৰশংসা কৰি ৰাগবিৰ মাধ্যমেৰে কৌশলগত চিন্তা আৰু প্ৰতিৰোধ ক্ষমতাৰ বিকাশৰ কথা উল্লেখ কৰে। তেওঁ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দৃষ্টিভংগীৰ কথা স্মৰণ কৰি কয়, ক্ৰীড়াই ৰাষ্ট্ৰক শক্তিশালী আৰু গতিশীল কৰি তুলিব পাৰে। ৰাজ্যপালে অসম চৰকাৰৰ ক্ৰীড়ামুখী উদ্যোগৰ কথা তুলি ধৰে, যেনে খেল মহাৰণ আৰু নতুন ক্ৰীড়াংগন নিৰ্মাণ, যিয়ে স্থানীয় প্ৰতিভাক ৰাষ্ট্ৰীয় পৰ্যায়ত উজ্জ্বল কৰিছে। তেওঁ যুৱ ক্ৰীড়াবিদসকলক জীৱনত জয়-পৰাজয়ক শিক্ষাৰ সুযোগ হিচাপে গ্ৰহণ কৰিবলৈ উৎসাহিত কৰে। ৰাজ্যপালে এই সফল আয়োজনৰ বাবে ৰাগবি ইণ্ডিয়া আৰু অসম ৰাগবি সংঘক ধন্যবাদ জ্ঞাপন কৰে। চেম্পিয়নশ্বিপৰ ফাইনেলত পশ্চিমবঙ্গই হাৰিয়ানাক পৰাস্ত কৰি বিজয়ীৰ মুকুট অৰ্জন কৰে। অনুষ্ঠানত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ প্ৰাক্তন ন্যায়াধীশ অৰূপ কুমাৰ গোস্বামী, পশ্চিম গুৱাহাটীৰ বিধায়ক ৰমেন্দ্ৰ নাৰায়ণ কলিতা, আৰক্ষী আয়ুক্ত ড° পাৰ্থ সৰথী মহন্ত, ৰাগবি ইণ্ডিয়াৰ সভাপতি ৰাহুল বসু আৰু ক্ৰীড়া সচিব কৌশৰ হিলালী উপস্থিত থাকে।

বিকল্প মিডিয়াৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ +৯১ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)। কাৰ্যবাহী সম্পাদকঃ ধ্ৰুৱজ্যোতি ধনন্তৰি